

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩১৯ ■ গুৱাহাটী ■ মঙলবাৰ, ২৮ জুন, ২০২২, ১৩ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 319 Dainandin Barta ■ Guwahati, Tuesday ■ 28 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





## বানৰ মাজতে ওলাল উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল

বিজ্ঞানত ৯২.১৯%, কলাত ৮৩.৪৩% আৰু বাণিজ্যত ৮৭.২৭% উত্তীৰ্ণ

# প্ৰাকৃতিক দুৰ্যোগৰ মাজতো হাঁহি বিৰিঙিল চকুৰে-মুখে

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২৭ জুন ঃ** ৰাজ্যত এতিয়া বানৰ তাণ্ডৱ। যোৱা এপষেক ধৰি বানপানীয়ে বিষম ৰূপ ধাৰণ কৰাৰ পিছত গুৱাহাটী মহানগৰকে ধৰি ঠায়ে ঠায়ে পানী শুকাবলৈ লৈছে। কিন্তু শুকনি পানীৰ পাৰ্শ্বক্ৰিয়া অনুসৰি বিভিন্ন ৰোগ-ব্যাধি, অভাৱ-অনাটনে ৰাজ্যবাসীক জুমুৰি দি ধৰিছে। ইয়াৰ মাজতে মেট্ৰিকৰ ফলাফলৰ পিছত সোমবাৰে ঘোষিত হ'ল উচ্চতৰ মাধ্যমিকৰ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত ফলাফল। বান আৰু প্ৰাকৃতিক দুৰ্যোগৰ মাজতো যেন কিছু পৰিমাণে হাঁহি বিৰিঙি উঠিল একাংশৰ চকুৰে-মুখে। উল্লেখ্য, চলিত বৰ্ষৰ ১৫ মাৰ্চৰ পৰা ১২ এপ্ৰিল পৰ্যন্ত অনুষ্ঠিত হৈছিল এই পৰীক্ষাসমূহ। ক'ভিড সংক্ৰমণৰ আশংকা, লকডাউনৰ সম্ভাৱনা ইত্যাদিৰ অনিশ্চয়তাৰ মাজে মাজে এই পৰীক্ষা অনুষ্ঠিত হৈছিল। পাঠদান ■ ৮ পৃষ্ঠাত



## প্ৰথম দহৰ ভিতৰত স্থান লাভেৰে নগাঁৱলৈ গৌৰৱ কঢ়িয়ালে ১৪ কীৰ্তিমানে

### পুনৰ উজলিল ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উজলি উঠিল নগাঁও জিলা। নগাঁও জিলাৰ ১৪গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাত প্ৰথম দহটা স্থানৰ ভিতৰত স্থান লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এই ১৪গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত কলা আৰু বিজ্ঞান শাখাৰ আটাইকেইজন ছাত্ৰ-ছাত্ৰী নগাঁও চহৰৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান ৰামানুজন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুল আৰু কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডেৰী ■ ৮ পৃষ্ঠাত



*বাণিজ্য বিভাগত শীৰ্ষস্থান প্ৰাপ্ত শিক্ষাৰ্থীসকল*

## প্ৰথম আৰু অষ্টম স্থানেৰে পুনৰ উজলিল দৰঙৰ ধৃতিৰাজ বাস্তৱ কলিতা আৰু দীক্ষিতা চহৰীয়া

'মৃত্যুৰ পিছতো যাতে সমাজত দুজন হ'লেও মানুহে মোক চিনি পায়, সেয়াই মোৰ সপোন' ঃ ধৃতিৰাজ কলিতা

'মই ভৱিষ্যতে এগৰাকী প্ৰশাসনিক বিষয়া হ'ব বিচাৰো' ঃ দীক্ষিতা চহৰীয়া

বিজ্ঞানত প্ৰথম ধৃতিমান বাস্তৱ কলিতা, কলাত অষ্টম দীক্ষিতা চহৰীয়া

চিকিৎসকেই সৰ্বোচ্চ নহয় প্ৰফেছৰ হোৱাৰহে ইচ্ছা ধৃতিমানৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৭ জুন ঃ** দৰং জিলাত বানে বিধ্বস্ত কৰাৰ সময়তে দৰঙলৈ আহিল ভাল খবৰ। সোমবাৰে ঘোষণা কৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি ধৃতিৰাজ বাস্তৱ কলিতা আৰু ৮ম স্থান লাভ কৰি দীক্ষিতা চহৰীয়াই দৰং জিলালৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। প্ৰথম স্থান লাভ কৰা ধৃতিৰাজ বাস্তৱ কলিতাৰ ঘৰ পাথৰিঘাট ৰাজহ চক্ৰৰ বানেইকুছি গাঁৱত আৰু অষ্টম স্থান লাভ কৰা দীক্ষিতা চহৰীয়াৰ ঘৰ দৰং জিলাৰ হুছেইন চুবুৰিত। ছিপাঝাৰ ট্ৰিনিটি জিনিয়ৰ কলেজৰ ছাত্ৰ ধৃতিৰাজ বাস্তৱ কলিতাই দেওমৰনৈ উচ্চতৰ মাধ্যমিক ■ ৮ পৃষ্ঠাত

### উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা বিভাগত তৃতীয় আৰু ষষ্ঠ স্থান দখল কৰিলে হোজাইৰ দুই শিক্ষাৰ্থীয়ে

## ভৱিষ্যতে এগৰাকীৰ অসামৰিক বিষয়া হোৱাৰ লক্ষ্য আৰু আনগৰাকীৰ আইনজ্ঞ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ২৭ জুন ঃ** আজি অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা ঘোষিত কলা বিভাগৰ ফলাফলে হোজাই জিলাৰ শিক্ষা জগতত কঢ়িয়াই আনিছে সুখৰ বাৰ্তা। আজি ঘোষিত ফলাফলত অসমৰ ■ ৮ পৃষ্ঠাত



## স্থান লাভেৰে যোৰহাটলৈ গৌৰৱ কঢ়িয়ালে চাৰি কীৰ্তিমানে

### যোৰহাটৰ প্ৰজ্ঞা একাডেমীৰ পৰা বিজ্ঞানত স্থান লাভ তিনি কীৰ্তিমানৰ ঃ অষ্টম স্থানত গৌৰাংগ, দশম স্থানত কৃশান হৰলালকা আৰু দেৱজ্ঞান

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত যোৰহাটৰ প্ৰজ্ঞা একাডেমীৰ পৰা বিজ্ঞান শাখাত প্ৰথম দহটা স্থানৰ ভিতৰত স্থান লাভ কৰি যোৰহাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় তিনিগৰাকী ছাত্ৰই। আজি ঘোষিত ■ ১০ পৃষ্ঠাত



## মৰাণত আম পাৰিবলৈ গৈ মামী-ভাগিনীৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৭ জুন ঃ** আজি মৰাণত সংঘটিত হয় এক কৰুণ ঘটনা। আম পাৰিব গৈ ৪বছৰীয়া কণমানিৰ সৈতে এগৰাকী মহিলাৰ সলিল সমাধি ঘটে। চৰাইদেউ জিলাৰ মৰাণহাট থানাৰ অন্তৰ্গত ঘিলাগুৰি কচুমাৰী গাঁৱত এই কৰুণ ঘটনা। মামীয়েকে ৪বছৰীয়া ভাগিনীয়েকক লগত লৈ আম পাৰি থাকোতে হঠাৎ পুখুৰীত পিছলি পৰে ভাগিনীয়েক মাজনী গড়। ভাগিনীয়েকক উদ্ধাৰ কৰিবলৈ পুখুৰীত জাঁপ দিয়াত মামীয়েক মণিকা গড়ৰো সলিল সমাধি হয়। স্থানীয় লোকে মৃতদেহ দুটা উদ্ধাৰ কৰাৰ পাছত মৰাণহাট আৰক্ষীয়ে মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

### উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছত নলবাৰীত উঠিল আনন্দৰ জোৱাৰ

# নলবাৰীত দুগৰাকী ছাত্ৰীৰ স্থান দখল

### ২য় স্থানপ্ৰাপক বিদিশা মিশ্ৰৰ লক্ষ্য অধ্যাপিকা হোৱা, চতুৰ্থ স্থান লাভ কৰা প্ৰিয়ংকা বৈশ্যৰ প্ৰশাসনিক বিষয়া হোৱাৰ ঃ অইন জিলাত অধ্যয়ন কৰিও স্থান লাভ কৰি নলবাৰী জিলালৈ সুনাম আনিলে সাধনা দেৱী, বিশাল বিকাশ বৈশ্যই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত নলবাৰী জিলাৰ দুগৰাকী শিক্ষাৰ্থীয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ঘোষিত ফলাফল অনুসৰি কলা শাখাত জিলাখনৰ পৰা স্থান লাভ কৰিবলৈ সক্ষম হোৱা এই কৃতী শিক্ষাৰ্থী দুগৰাকী হৈছে- বিদিশা মিশ্ৰ-- দ্বিতীয় (শংকৰদেৱ একাডেমী) আৰু প্ৰিয়ংকা বৈশ্য- চতুৰ্থ (অসম ভেলী একাডেমী)। নলবাৰী চহৰৰ চ'ক বজাৰৰ বাসিন্দা তথা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক উমেশ চন্দ্ৰ মিশ্ৰ আৰু জোনালী দেৱীৰ কন্যা বিদিশা মিশ্ৰই ইংৰাজীত ৯৫, অসমীয়াত ৯৭, অৰ্থনীতিত ৯৭, ৰাজনীতি বিজ্ঞানত ৯৮, তৰ্কশাস্ত্ৰত ৯৯ আৰু সংস্কৃত বিষয়ত ৮৭ নম্বৰসহ মুঠ ৪৮৬ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। সৰুৰে পৰা এনে এটা ফলাফলৰ সপোন আছিল বুলি উল্লেখ কৰি কৃতী ছাত্ৰীগৰাকীয়ে প্ৰথম দহটা স্থানৰ ভিতৰত ■ ৮ পৃষ্ঠাত



# ডিব্ৰুগড়ৰ চাৰি ছাত্ৰীৰ স্থান দখল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৭ জুন ঃ** আজি ঘোষিত ফলাফলত ডিব্ৰুগড়ৰ চাৰিগৰাকী কৃতী ছাত্ৰীয়ে শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হয়। আটাইকেইগৰাকী নামৰ প্ৰথম আখৰ A । ছল্ট ব্ৰুক একাডেমীৰ অলংকৃত গৌতম বৰুৱা (৪৮৮) আৰু আয়মান শোৰেইবে (৪৮১) ক্ৰমে দ্বিতীয় আৰু পঞ্চম স্থান লাভ কৰাৰ বিপৰীতে ড° ৰাধাকৃষ্ণন স্কুল অৱ আৰ্টছ, কমাৰ্চ এণ্ড ছাইন্সৰ অবিলাশা দত্ত (৪৭৮) আৰু অন্তৰীক্ষা মজুমদাৰে (৪৭৪) তালিকাত ক্ৰমে ষষ্ঠ আৰু দশম স্থান দখল কৰি শীৰ্ষ দহটা স্থানত উজলিল। ডিব্ৰুগড়ৰ ছল্ট ব্ৰুক একাডেমীৰ পৰা বিজ্ঞান শাখাত দ্বিতীয় স্থান লাভ কৰিছে অলংকৃতা গৌতম বৰুৱা আৰু পঞ্চম স্থান লাভ কৰে আয়মান চয়েবে। ডিব্ৰুগড়ৰ ড° ৰাধাকৃষ্ণ স্কুলৰ পৰা ষষ্ঠ স্থান লাভ কৰে অভিলাষা দত্তই আৰু অন্তৰীক্ষা মজুমদাৰে দশম স্থান লাভ কৰিছে। ডিব্ৰুগড় চহৰৰ টেকেলা ■ ৮ পৃষ্ঠাত

## বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৰ পাভৈ কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফলে কঢ়িয়াই আনিলে সুনাম

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৭ জুন ঃ** বিশ্বনাথৰ এখন কনিষ্ঠ মহাবিদ্যালয়ে স্থাপন কৰা প্ৰথম বৰ্ষতে বিশ্বনাথত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে ছাত্ৰ-ছাত্ৰীসকলে। বিশ্বনাথৰ পাভৈ অসম-অৰুণাচল সীমান্তৰ অতি পিছপৰা ঠাই পাভৈত অৱস্থিত এখন কনিষ্ঠ মহাবিদ্যালয়। অসম-অৰুণাচল সীমান্তৰ অতি পিছপৰা এই অঞ্চলৰ লোকসকলে নিজৰ সন্তানক আৰ্থিক দুৰৱস্থাৰ বাবে ভাল বিদ্যালয় এখনত অধ্যয়ন কৰাবলৈ সক্ষম নহয়। কিন্তু এই অঞ্চলৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ হৈ থিয় দিলে বিশ্বনাথ মানৰ দৰদী ■ ১০ পৃষ্ঠাত

### উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফলত শিৱসাগৰৰ তিনি শিক্ষাৰ্থীৰ সফলতা

# কলা শাখাত এজনৰ বিপৰীতে বাণিজ্য শাখাত দুজনৰ স্থান লাভ



### অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ পৰা কলা শাখাত দেৱাস্তুতি শইকীয়াই লাভ কৰিলে দশম স্থান ঃ বাণিজ্য শাখাত প্ৰথম আগৰৱালে পঞ্চম স্থান লাভ কৰাৰ বিপৰীতে বন্দনা বলদেৱাই লাভ কৰিলে সপ্তম স্থান ঃ শিৱসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বিশেষ সফলতা ঃ বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰত অসমৰ ভিতৰত শিৱসাগৰ জিলা দ্বিতীয়

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৭ জুন ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত শিৱসাগৰ জিলাই স্থান লাভৰ ক্ষেত্ৰত সফলতা লাভ কৰাৰ পাছত আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিকৰ ফলাফলতো শিৱসাগৰ জিলাৰ ৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম দহৰ ভিতৰত স্থান লাভ কৰি জিলাখনলৈ পুনৰ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শিৱসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বাণিজ্য শাখাৰ ছাত্ৰ প্ৰথম আগৰৱালই পঞ্চম স্থান লাভ কৰিছে। ছাত্ৰজনে মুঠ ৪৭২ নম্বৰ লাভ কৰিছে। একেখন বিদ্যালয়ৰ ছাত্ৰী বন্দনা বলদেৱাই বাণিজ্য শাখাত সপ্তম স্থান দখল কৰিছে। ছাত্ৰীগৰাকীয়ে মুঠ ৪৬৬ নম্বৰ লাভ কৰিছে। আনহাতে, জিলাখনৰ শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী দেৱাশ্ৰুতি হাজৰিকাই ■ ৮ পৃষ্ঠাত

## বাণিজ্য শাখাত দ্বিতীয় স্থান দখল কৰি যোৰহাটৰ নাম উজলালে মানসজ্যোতি বৰঠাকুৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২৭ জুন ঃ** আজি ঘোষিত হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বাণিজ্য শাখাত অৱতীৰ্ণ হৈ ৰাজ্যৰ ভিতৰতে দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হয় যোৰহাট ক্ৰেচেণ্ট একাডেমীৰ কৃতী ছাত্ৰ মানসজ্যোতি বৰঠাকুৰে। মানসৰ ■ ৮ পৃষ্ঠাত



## বাণিজ্যত চতুৰ্থ আৰু ষষ্ঠ স্থানেৰে উজলিল ক্ৰমে গোৱালপাৰাৰ প্ৰিয়াক্ষী ঘোষ আৰু মৃণাল ৰয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৭ জুন ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক বাণিজ্য শাখাৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত গোৱালপাৰাৰ দুগৰাকীকৈ পৰীক্ষাৰ্থীয়ে স্থান দখল কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াইছে। গোৱালপাৰা চহৰৰ দুই নং কলনীৰ প্ৰিয়াক্ষী ঘোষে বাণিজ্য শাখাত ৰাজ্যৰ ভিতৰত চতুৰ্থ আৰু কৃষ্ণাইৰ মৃণাল ৰয়ে ষষ্ঠ স্থান দখল কৰিছে। পৃথ্বিৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰী প্ৰিয়াক্ষীয়ে সৰ্বমুঠ পাঁচটা বিষয়ৰ ৫০০ নম্বৰৰ ভিতৰত লাভ ■ ১০ পৃষ্ঠাত

### মামা আমাক দলং লাগে-এজাক শিক্ষাৰ্থীৰ মুখ্যমন্ত্ৰীলৈ কাতৰ অনুৰোধ

# বাদলাপাৰাত শুক্লাই নদীৰ ওপৰত দলং নিৰ্মাণ হ'বনে ?

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৭ জুন ঃ** বানপানী হ'লে স্কুললৈ যাব নোৱাৰো, পৰীক্ষা দিবলৈ নাপাওঁ। মামা আমাক দলং লাগে। দলং নিৰ্মাণ কৰি দিয়ক। মামা আমি আপোনাক জনাইছো কাতৰে অনুৰোধ। অসমৰ চৌদিশে কালান্তক বানে কঢ়িয়াই অনা বিপৰ্যয়, বিধ্বস্ত অৱস্থা, হাহাকাৰ। ইফালে ওদালগুৰি জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী অঞ্চল বাদলাপাৰা, শুক্লাই আদিত স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পিছতো জনতাই দুৰ্ভোগ ভুগি আহিছে যাতায়াত,স্বাস্থ্য সেৱা, চিকিৎসা, বিশুদ্ধ খোৱাপানীৰ বাবে। ইত্যাদি বিভিন্ন সমস্যাৰে জৰ্জৰিত বাদলাপাৰা গাঁৱৰ পুৰুষ-মহিলাৰ লগতে কণমানি ছাত্ৰ-ছাত্ৰীও পথ নিৰ্মাণ কৰিবলৈ দাবী জনোৱা প্ৰতিবাদী কাৰ্যসূচীত হাতে হাতে প্লে-কাৰ্ড লৈ ৰাজপথলৈ ওলাই আহিবলগীয়াতো চৰম লজ্জাজনক। এনে দুৰ্ভাগ্যজনক পৰিস্থিতিৰ বাবে কোন জগৰীয়া। এখনৰ পিছত এখন নতুন চৰকাৰ আহি আছে। কিন্তু জনসাধাৰণৰ সমস্যা সমাধান হোৱা নাই।' বৰঞ্চ সমস্যা জটিলতাৰ পৰা জটিলতৰ হৈ গৈ আছে। আজি ৰাইজে ক'বলৈ বাধ্য হৈছে শুক্লাই নদীৰ ওপৰত দলং নিৰ্মাণ নহ'লে আগন্তুক দিনত ভোট বৰ্জন কৰিম। হয় বাদলাপাৰা শুক্লাই নদীত দলং লাগে। যাতায়াতৰ বাবে ৰাস্তা পকী হ'ব লাগে। শুনিবনে কণ কণ ছাত্ৰ-ছাত্ৰী আৰু মহিলাসকলৰ বিনম্ৰ অনুৰোধ? দেওবাৰে ২৬ জুনত ওদালগুৰি জিলাৰ ভাৰত-ভুটান সীমান্ত বাদলাপাৰা বাগানত শ্ৰমজীৱী মহিলা সমন্বয়ৰক্ষী সমিতি বাদলাপাৰা চাহ বাগান শাখাই চাৰিদফীয়া দাবী লৈ ধৰ্ণা কাৰ্যসূচী লয়। কাৰ্যসূচীত বাদলাপাৰা আছা, চাহ মজদুৰ সংঘই অংশগ্ৰহণ কৰে। হাতে হাতে বেনাৰ লৈ চাৰিদফীয়া দাবীৰে আকাশ-বতাহ কঁপাই তোলে। শুক্লাই নদীত দলং নিৰ্মাণ, চাহ মজদুৰক ৩৫১ টকা বৃদ্ধি, চাহ বাগানৰ মহিলাক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা, চাহ শ্ৰমিকক বৃদ্ধ পেন্সন প্ৰদান মূল দাবীৰে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বাদলাপাৰা-শুক্লাই নদীত শীঘ্ৰে দলং নিৰ্মাণৰ দাবীৰে ৰূপায়ণ কৰা ধৰ্ণা কাৰ্যসূচীৰ কথা চৰকাৰে শুনিবনে? বৰ্তমান চৰকাৰখনে দলং নিৰ্মাণ কৰিবনে সেয়া হ'ব লক্ষণীয়। প্ৰখৰ ৰ'দকো নেওচি শিশুসকলে 'মামা আমাক দলং লাগে', 'বাগিচাৰ চাৰিসীমা মথাউৰি বান্ধৰ ব্যৱস্থা কৰক', 'বাদলাপাৰাত পকী পথ নিৰ্মাণ কৰক' শীৰ্ষক কাকুতি-মিনতি তথা বিননি অসমৰ বলিষ্ঠ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুনিবনে, সেয়া কোটিটকীয়া প্ৰশ্ন হৈ পৰিছে।




### বন্দে ভাৰতী ফাউণ্ডেচনৰ উদ্যোগত

# ড্ৰাগছবিৰোধী প্ৰচাৰ ঃ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৭ জুন ঃ** বন্দে ভাৰতী ফাউণ্ডেচনৰ উদ্যোগত আজি ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ড্ৰাগছবিৰোধী আৰু মানৱ সৰবৰাহবিৰোধী আন্তঃৰাষ্ট্ৰীয় দিৱস উদ্‌যাপন কৰাৰ লগতে ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থকা বি টি চিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই ড্ৰাগছৰ ভয়াৱহতা সম্পৰ্কে ৰাইজৰ আগত মূল্যৱান ভাষণ প্ৰদান কৰে। উক্ত কাৰ্যসূচীত উপস্থিত আছিল দতমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অস্মিতা ৰেখা বৰা, ফকিৰাগ্ৰাম পৌৰ সভাৰ অধ্যক্ষ সুৰেন্দ্ৰ নাথ শৰ্মা, ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰবীৰ সৰকাৰ, ফকিৰাগ্ৰাম থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জিতুমণি কলিতাৰ লগতে উপস্থিত আছিল ফকিৰাগ্ৰাম অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ্ তথা এই ফাউণ্ডেচনৰ উপদেষ্টা কৃষ্ণ চন্দ্ৰ নাথ, বিশিষ্ট সমাজ সেৱক গোপাল সাহা, শিক্ষক অৰবিন্দ শীল। উপস্থিত বিশিষ্ট ব্যক্তিসকলে ড্ৰাগ্‌ছ সেৱন আৰু ড্ৰাগ্‌ছ সৰবৰাহ বন্ধ কৰাৰ বাবে আৰক্ষী-প্ৰশাসনক সহায় কৰাৰ বাবে আহ্বান জনায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু উঠি অহা নৱ-প্ৰজন্মৰ যুৱক-যুৱতীসকলক ড্ৰাগছৰ ধ্বংসাত্মক প্ৰভাৱৰ পৰা আঁতৰত থকাৰ বাবে পৰামৰ্শ প্ৰদান কৰে। উক্ত সভাত ফকিৰাগ্ৰাম অঞ্চলৰ গৌৰৱ কঢ়িয়াই অনা হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্ব সহকাৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক বন্দে ভাৰতী ফাউণ্ডেচনৰ তৰফৰ পৰা ফুলাম গামোচা, কলম আৰু মানপত্ৰ দি সম্বৰ্ধনা জ্ঞাপন কৰা হয়।



# নগৰবেৰা ৰাজহ চক্ৰ বিষয়াই চৰকাৰক ভুল তথ্য দিয়াৰ বাবে বান সাহায্যৰ পৰা বঞ্চিত বানাক্ৰান্ত ৰাইজ ঃ নন্দিতা দাস



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৭ জুন ঃ** শেহতীয়াকৈ নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে ৪৮নং বকো বিধানসভা সমষ্টিৰ বিধায়িকা নন্দিতা দাস। বানপানীত খাদ্য সংকটত পৰি জুৰুলা হৈ পৰিছে নগৰবেৰা ৰাজহ চক্ৰ আৰু ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত মালিবাৰী, মন্দিৰা, নিছিলামাৰী, মন্দিৰা এন চি, ধামাপাৰা, গুইমাৰী-মালিবাৰী পথাৰ, মালিবাৰী সত্ৰ আদি কেইবাখনো গাঁও। অকল সেয়াই নহয়, অতি বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে অঞ্চলসমূহৰ পশুধনৰ, খাদ্যৰ অভাৱত মৃত্যু পৰ্যন্ত ঘটিছে বহু পশুধনৰ। ৪৮নং বকো বিধানসভা সমষ্টিৰ কংগ্ৰেছী বিধায়িকা নন্দিতা দাসৰ অভিযোগ অনুসৰি নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰে বান অধ্যুষিত অঞ্চলসমূহ পৰিদৰ্শন নকৰাকৈ চৰকাৰক ভুল তথ্য দিয়াৰ ফলত বান সাহায্যৰ পৰা বঞ্চিত বৃহত্তৰ নগৰবেৰাৰ কেইবাখনো বান অধ্যুষিত অঞ্চলৰ বানাক্ৰান্ত ৰাইজে। বান পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰা নগৰবেৰাৰ বিভিন্ন অঞ্চল ৰবিবাৰে পৰিদৰ্শন কৰিবলৈ গৈ ৰাইজে বান সাহায্য নোপোৱাৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীক দোষাৰোপ কৰি কেইবাটাও বিস্ফোৰক মন্তব্য কৰে বিধায়িকাগৰাকীয়ে। যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হাত খুলি বান সাহায্য দিয়াৰ কথা কৈছে তেনে সময়ত কিয় পশুধনৰ খাদ্যৰ অভাৱত মৃত্যু হয় বুলিও প্ৰশ্ন তুলিছে বিধায়িকাগৰাকীয়ে। আগলৈ বান দুৰ্যোগৰ পৰত বন্যাৰ্তক লৈ এনে ল'ৰা-ধেমালি নকৰিবলৈও বিধায়িকাগৰাকীয়ে সকীয়াই দিয়ে ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰক, তেনেহ'লে ৰাজপথত প্ৰতিবাদ কৰাৰো হুংকাৰ দিয়ে বকোৰ কংগ্ৰেছী বিধায়িকা নন্দিতা দাসে। স্মৰ্তব্য যে বিধায়িকাগৰাকীয়ে বানাক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানত ক্ষতিগ্ৰস্ত হোৱা ৰাস্তা-ঘাটসমূহ শীঘ্ৰে মেৰামতি কৰাৰ আশ্বাস দিয়ে।

## এশ শতাংশ উত্তীৰ্ণৰে উজলিল লাহৰীঘাট নৱজ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৭ জুন ঃ** আজি ঘোষিত ২০২২ বৰ্ষৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ ফাইনেল পৰীক্ষাৰ ফলাফলত মৰিগাঁও জিলাৰ ৰজাগাধোৱাস্থিত লাহৰীঘাট নৱজ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে কলা আৰু বাণিজ্য শাখাত এশ শতাংশ উত্তীৰ্ণৰে অঞ্চলবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে এই বছৰ নৱজ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা মুঠ ২০জন ছাত্ৰ-ছাত্ৰীয়ে ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে আজি ঘোষিত ফলাফলত আটাইকেইজনেই উত্তীৰ্ণ হোৱাত স্কুলত আনন্দ উল্লাসৰ পৰিৱেশ পৰিলক্ষিত হয়। স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ছাইফুল ইছলাম আৰু সচিব এছ ইছলামে জনোৱা মতে কলা আৰু বাণিজ্য শাখাত তিনিটা বিষয়ত লেটাৰ নম্বৰ লৈ ৪জন প্ৰথম বিভাগত, দ্বিতীয় বিভাগত ৯ জন আৰু ৭জনে তৃতীয় বিভাগত উত্তীৰ্ণ হৈ এশ শতাংশ উত্তীৰ্ণৰে স্কুল তথা অঞ্চলবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। ২০১৫ বৰ্ষত স্থাপিত লাহৰীঘাট নৱজ্যোতি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলখনে উন্নত মানৰ ফলাফল দি আহিছে। সম্প্ৰতি স্কুলখনত ১১জন বিষয় শিক্ষকে কলা আৰু বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীসকলক সেৱা আগবঢ়াই আহিছে।

# অসম লেখিকা সংস্থা, টিপং শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, লেখাপানী, ২৭ জুন ঃ** তিনিচুকীয়া জিলাৰ লেখাপানী গাঁও পঞ্চায়তৰ অন্তৰ্গত টিপং উচ্চ মাধ্যমিক বিদ্যালয়ত ২৬ জুন দেওবাৰে অসম লেখিকা সংস্থা, টিপং শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা অধিৱেশনখনৰ আৰম্ভণিতে পতাকা উত্তোলন কৰে অসম লেখিকা সংস্থাৰ সম্পাদিকা অঞ্জলি ৰাজকুমাৰীয়ে। স্মৃতি তৰ্পণ কৰে অসম লেখিকা সংস্থা টিপং শাখাৰ সদস্য বীণা খনিকৰে। ইয়াৰ পাছতেই সমান্তৰালভাৱে মহিলাসকলৰ স্মৃতি পৰীক্ষা প্ৰতিযোগিতা, কাৰ্যনিৰ্বাহক বৈঠক আৰু মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাৰ শুভ উদ্বোধন কৰে অসম লেখিকা সংস্থাৰ কাৰ্যকৰী সভানেত্ৰী মামণি গগৈ বৰুৱাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰী ড° ইনু মহন্ত। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰী যোগমায়া গগৈ, অসম লেখিকা সংস্থাৰ সদস্যা অনন্দিতা গোস্বামী, মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰুঞ্জুন শইকীয়া আৰু পাৰুল দেৱী দুৱৰা। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ টুনু গগৈ শইকীয়া, প্ৰাক্তন অধ্যাপিকা চিত্ৰা বৰগোহাঞিও। অধিৱেশনৰ লগত সংগতি ৰাখি 'ক্ৰৌন্সাদন' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে ড° ইনু মহন্তই। অসম লেখিকা সংস্থাৰ সাংবিধানিক ৰীতি অনুযায়ী দময়ন্তী চেতিয়া গগৈক সভানেত্ৰী আৰু কাবেৰী গগৈ বৰুৱাক সম্পাদিকা হিচাপে লৈ ১১জনীয়া নতুন সমিতিখন গঠন কৰা হয়।

## নলবাৰীৰ বৰক্ষেত্ৰীত কুইক বাৰ্ড ফাউণ্ডেচনৰ বান সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰশিমলুৱা গাঁৱত এইবছৰ বানপানীয়ে কাল ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত দেওবাৰে অঞ্চলটোত গুৱাহাটীৰ কুইক বাৰ্ড ফাউণ্ডেচনৰ উদ্যোগত প্ৰীতম তালুকদাৰ আৰু তেওঁৰ সতীৰ্থসকলে স্থানীয় বহুকেইজন যুৱকৰ সহযোগত চুবুৰীটোৰ বানাক্ৰান্ত ৰাইজৰ মাজত কিছু বান সাহায্য বিতৰণ কৰে। আপোন ঘৰখন হেৰুৱাই সৰ্বস্বান্ত হোৱা পৰিয়ালসমূহে বিগত কিছুদিন ধৰি খাদ্যৰ অভাৱত এক দুৰ্বিসহ জীৱন পাৰ কৰাৰ উপৰিও বৰ্তমানেও বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। প্ৰতিবছৰে অঞ্চলটোৰ ৰাইজে সন্মুখীন হোৱা এই বানপানী সমস্যাৰ স্থায়ী সমাধান বিচৰাৰ লগতে ওচৰৰ চুইছ গেটটোৰ ক্ষেত্ৰতো উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে ৰাইজে চৰকাৰৰ প্ৰতি আহ্বান জনায়। এই দুৰ্যোগৰ সময়ত কুইক বাৰ্ড ফাউণ্ডেচনে তেওঁলোকলৈ আগবঢ়োৱা সহায়ৰ বাবে বানপীড়িত ৰাইজে সংস্থাটোৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

### চৰাইবাহী মহাবিদ্যালয়ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সন্মিলন

# গীত, নৃত্য, স্মৃতি ৰোমন্থনেৰে জীপাল চৰাইবাহী মহাবিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৭ জুন ঃ** বৃহত্তৰ চৰাইবাহী অঞ্চলৰ ঐতিহ্যমণ্ডিত অগ্ৰণী শিক্ষানুষ্ঠান চৰাইবাহী মহাবিদ্যালয়ত কালি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ স্মৃতি ৰোমন্থন, গীত, নৃত্যৰে জীপাল হৈ পৰে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সন্মিলনখনৰ সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ ড° কমল চন্দ্ৰ নাথে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ তত্ত্বাৱধায়ক ড° বিজয় কুমাৰ নাথে আঁত ধৰা এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সন্মিলনখনত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে চৰাইবাহী মহাবিদ্যালয়ৰ প্ৰথমগৰাকী স্নাতক তথা বৰ্তমানৰ চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য ভাগ্যৰাম নাথে। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনত অধ্যয়ন কৰা মুহূৰ্তবোৰৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে কেইবাগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে গীত পৰিৱেশ কৰাৰ লগতে নৃত্যও প্ৰদৰ্শন কৰে। আনহাতে, আজি অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সন্মিলনতে প্ৰাক্তন ছাত্ৰ ভাগ্যৰাম নাথক সভাপতি আৰু দিপুল কুমাৰ নাথক সম্পাদক হিচাপে লৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনৰ এখন সমিতি গঠন কৰা হয়।



# যোৰহাটৰ তিমতিমীয়াত ছাত্ৰী চিমি তৰা গগৈলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দক্ষিণ যোৰহাট, ২৭ জুন ঃ** অভাৱনীয়ভাৱে এক শোকৰ ছাঁ পৰে দক্ষিণ যোৰহাটৰ তিমতিমীয়াত। সমাজৰ কৰ্মত ব্ৰত লক্ষীন্দ্ৰ গগৈ আৰু পলী গগৈৰ একমাত্ৰ দুহিতা চিমি গগৈয়ে (তৰা) যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। গাঁৱৰ নীতি মানি ১২ বছৰীয়া চিমিৰ আজি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনায়। ছাত্ৰীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নামাচাৰ্য জীৱকান্ত গগৈয়ে আৰু নামঘৰীয়া বিপিন শেনচোৱাই পুষ্পাঞ্জলি অৰ্পণ কৰে। প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰে সৃষ্টিপ্ৰাণ সংবাদসেৱী বিনোদ গগৈয়ে। সেই সময়ত ধৰ্মীয় নিয়ম পালন কৰে জ্যেষ্ঠ সমাজকৰ্মী ডিম্বেশ্বৰ টুংখুঙীয়া, মূল পাঠক হিৰেন বৰুৱা, নৈবেদ্য অৰ্পক দুৰ্গাধৰ শেনচোৱা, পাঠক নৱজ্যোতি গগৈ আদি। ৰমেন গগৈ, মিলেশ্বৰ গগৈ, কিৰণ গগৈ আদি উপস্থিত থাকে। গৃহস্থী অঞ্জলি, বৰদেউতাক দিগন্ত গগৈ, একমাত্ৰ ভাতৃ নিহাৰ গগৈসহিতে আত্মীয়-স্বজনে স্মৃতি তৰ্পণ কৰে। ইয়াৰ আগেয়ে ছাত্ৰীগৰাকীয়ে প্ৰথম শ্ৰেণী বৰ্ষত অধ্যয়ন কৰা কুঁৱৰী পুখুৰী আক্কেল একাডেমীয়ে শোকসভা আয়োজন কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনায়।



LOST

I have lost my all original HSLC documents i.e. Admit Card, Mark Sheet, Pass Certificate etc. (Vide Roll N6-467 No-791 dated 10-07-1996) issued by SEBA.
Jugasmita Talukder
D/o- Late Jatin Sarkar
Town- Ganesh Nagar
P.O.- Pilingkata
P.S.-Basistha, Kamrup(M)

# 'অগ্নিপথ আঁচনি'ৰ বিৰুদ্ধে নাজিৰাত কংগ্ৰেছৰ তীব্ৰ বিষোদগাৰ

### সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবীত ৰাষ্ট্ৰপতিলৈ স্মাৰক-পত্ৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৭ জুন ঃ** বিজেপি নেতৃত্বাধীন চৰকাৰে দেশৰ অৰ্থনীতি বিধ্বস্ত কৰি এইবাৰ টকা বচোৱাৰ নামত দেশৰ সুৰক্ষাৰ ব্যৱস্থাটোক লৈ ল'ৰা-ধেমালি কৰিবলৈ ওলাইছে। যুৱ-প্ৰজন্মৰ ভৱিষ্যৎ ধ্বংস কৰিব খোজা হৈছে। কেন্দ্ৰৰ 'অগ্নিপথ আঁচনি'ক লৈ দেশজুৰি বিৰোধ-প্ৰতিবাদ অব্যাহত থকাৰ সময়তে আজি নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখত সহস্ৰাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে বিষোদগাৰ প্ৰদৰ্শন কৰি কেন্দ্ৰৰ এই আঁচনিৰ তীব্ৰ বিৰোধিতা কৰে। 'অগ্নিপথ আঁচনি' দেশৰ চাকৰিপ্ৰত্যাশী যুৱ-প্ৰজন্মৰ প্ৰতি কেন্দ্ৰৰ চৰম বিশ্বাসঘাতকতা। এইদৰে আক্ষেপ প্ৰকাশেৰে কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে, যি সময়ত বৃহৎ পুঁজিপতি আৰু কৰ্প'ৰেটক তিনি লাখ কোটি টকা ঋণৰ বোজাৰ পৰা ৰেহাই দিয়া হৈছে সেই সময়ত একমাত্ৰ পেন্সন তথা টকা বচোৱাৰ স্বাৰ্থত এই আঁচনিখন প্ৰৱৰ্তন কৰা হৈছে। 'অগ্নিপথ আঁচনি'ৰ অধীনত নিযুক্তি পাবলগীয়া সেনা জোৱানসকলৰ ক্ষেত্ৰত কোনো প্ৰেন্সন ব্যৱস্থা নাই আৰু তেওঁলোকৰ কাৰ্যকালো মাত্ৰ চাৰি বছৰ। এই আঁচনিখনৰ জৰিয়তে সেনাবাহিনীত নিয়োজিত যুৱ-প্ৰজন্মৰ মনোবল হানি কৰিব। দেশৰ সুৰক্ষাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব। কেন্দ্ৰৰ এই টোঘলকী নীতিৰ বাবে দেশৰ ১৬ লাখ সেনা ১৫টা বছৰৰ ভিতৰত ৬ লাখলৈ হ্ৰাস পাব। ফলত চীন, পাকিস্তানৰ দৰে বিদেশী ৰাষ্ট্ৰ ভাৰতৰ প্ৰতি প্ৰত্যাহ্বান হৈ পৰিব। নাজিৰা ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক লক্ষ্মীনাথ সন্দিকৈ, সম্পাদক জুলু চেতিয়া, শিৱসাগৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আব্দুৰ ৰহমান, ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক যোচেফ সিং, অতুল হৰ, সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি আৰফান আজম আদিকে ধৰি ভালেকেইজনে বক্তব্য দাঙি ধৰি 'অগ্নিপথ আঁচনি'ৰ বিৰোধিতা কৰে। শেষত নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্তৰ যোগেদি 'অগ্নিপথ আঁচনি' প্ৰত্যাহাৰৰ দাবী জনাই ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয়।

# মাজবাটৰ বানপীড়িত অঞ্চলত পশু খাদ্য বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৭ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট অঞ্চলত মাজবাট পশু চিকিৎসালয়ৰ ফালৰ পৰা পশু খাদ্য বিতৰণ কৰা হয়। মাজবাট পশু চিকিৎসালয়ৰ চিকিৎসক ভূপেন শৰ্মাই সাংবাদিকক জানিবলৈ দিয়ে যে মাজবাট সমষ্টিৰ ফুলগুৰি, মাজবাট, ৰৌতা গাঁও, মেৰাবিল, ৬৪ ধনশ্ৰী, যোগ্যপুৰ, ওৰাং, ৬৬ ধনশ্ৰী, নতুন পাণবাৰী ভি চি ডি চিসমূহত পশু খাদ্য বিতৰণ কৰা হয়। বহু খাদ্যৰ ভিতৰত আছে ৰাইছ ব্ৰান, হোৱাইট ব্ৰান। সমগ্ৰ ৰাজ্য যি সময়ত বানৰ কৱলত পৰি আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰিব লগা হৈছে তেনে সময়ত অসম চৰকাৰে পশু ধনৰ কথা চিন্তা কৰি পশু খাদ্যও যোগান ধৰিলে। অসম চৰকাৰৰ এনে পদক্ষেপক মাজবাট অঞ্চলৰ ৰাইজে ধন্যবাদ জনায়। মাজবাট সমষ্টিৰ বিভিন্ন গাঁৱত কেইবাশ পশু ধনক আমাৰ চিকিৎসালয়ৰ ফালৰ পৰা খাদ্য বিতৰণ কৰা হয়। পশু খাদ্য বিতৰণ অনুষ্ঠানত ভি চি ডি চিৰ সভাপতিসকল উপস্থিত থাকে বুলি চিকিৎসালয়ৰ চিকিৎসকে জানিবলৈ দিয়ে।

## দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এশ শতাংশ উত্তীৰ্ণ


**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওমৰনৈ, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ শিক্ষানুষ্ঠানৰ পৰা এইবাৰ মুঠ ৬৩গৰাকী ছাত্ৰ-ছাত্ৰী চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ আটাইকেইগৰাকীয়ে উত্তীৰ্ণ হয়। ইয়াৰ ভিতৰত ১৯জনে প্ৰথম বিভাগ আৰু ৪৪জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ সাফল্যত ৰাইজে সন্তোষ প্ৰকাশ কৰে।

# মানকাচৰৰ আৰক্ষীৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাৰচৰ, ২৭ জুন ঃ** দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ, মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপালী বৰুৱাৰ নেতৃত্বত মানকাচৰত গড়কাপ্তানী পথত গাড়ীৰ নিয়মীয়া তালাচীত আৰক্ষীৰ এটা দলে আজি অনুমান পুৱা ১০ বজাত শিলিগুৰিৰ পৰা অহা মানকাচৰ হৈ মেঘালয়ৰ আমপাতি জিলাৰ মহেন্দ্ৰ গঞ্জলৈ যোৱা আজাদ ট্ৰেভেলছ এ এছ-01 চি-1582 নম্বৰ বাছত তালাচী অভিযান চলাই বৃহৎ পৰিমাণৰ অবৈধ নিচাজাতীয় কফ ছিৰাপ জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰে। আটকাধীন যুৱকজন আনোৱাৰ হুছেইন (২০) বুলি জানিব পৰা গৈছে। আটকাধীন যুৱকজন মেঘালয়ৰ আমপাতি থানা এলেকাৰ বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে মাৰাথন জেৰা অব্যাহত ৰাখিছে । বিশেষ সূত্ৰে জানিব পৰা মতে কাইলৈ আদালতৰ জৰিয়তে যুবকজনক জে'ল হাজোতলৈ প্ৰেৰণ কৰিব।

## ৰাশিফলত আজিৰ দিনটো

**১৩ আহাৰ, মঙলবাৰ, ২৮ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা চতুৰ্দশী, নক্ষত্ৰ ঃ মৃগশিৰা, জন্ম ৰাশি ঃ বৃষ**
**সূৰ্যোদয়- ৪-৩৬-৪১ সূৰ্যাস্ত- ৬-১৫-২২**



■ **মেষ ঃ** প্ৰতিভা বৃদ্ধি ■ **বৃষ ঃ** সন্তাৰ পৰা আনন্দ ■ **মিথুন ঃ** ঋণ পৰিশোধ ■ **কৰ্কট ঃ** কামৰ সন্ধান ■ **সিংহ ঃ** যাত্ৰাত কষ্ট ■ **কন্যা ঃ** ব্যৱসায়ত লোকচান ■ **তুলা ঃ** পৰিশ্ৰম ■ **বৃশ্চিক ঃ** উত্তম খাদ্য গ্ৰহণ ■ **ধনু ঃ** ৰাজহুৱা সন্মান ■ **মকৰ ঃ** অন্যৰ সহায় ■ **কুম্ভ ঃ** গায়িকাৰ আনন্দ ■ **মীন ঃ** হঠাৎ প্ৰাপ্তি।

# ঘগ্ৰাপাৰত ৰাইজে নিৰ্মাণ কৰিলে বানে বিধ্বস্ত কৰা পথৰ ওপৰত দলং

### বিভাগীয় কৰ্তৃপক্ষ-ঠিকাদাৰক ধিক্কাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৭ জুন ঃ** নলবাৰী জিলাৰ ৫৯নং নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ এলেকাধীন ২নং নিমুৱা লাটিমা গাঁৱত সদ্য প্ৰলয়ংকৰী বানে বিধ্বস্ত কৰা এটা পথৰ ওপৰত যাতায়াতৰ সুবিধাৰ বাবে ৰাইজে গাঁঠিৰ ধন ভাঙি নিৰ্মাণ কৰে এখন বাঁহৰ দলং। উল্লেখ্য যে ১৬ জুনত সমষ্টিটোৰ নাৰিকুছি (বিলপাৰ)-বৰখলা সংযোগী লোক নিৰ্মাণ বিভাগৰ উক্ত স্থানত এটা কালভাৰ্ট বাঢ়নী পানীয়ে উটুৱাই নিয়াৰ ফলত বিগত প্ৰায় এঘাৰ দিন ধৰি পথটোৰে যাতায়াত বন্ধ হৈ আছে। যাৰ পৰিপ্ৰেক্ষিতত ৰাইজে বিগত দিনত যাতায়াতৰ ক্ষেত্ৰত নৰক যন্ত্ৰণা ভোগ কৰি আহিছিল যদিও পথটোৰ নিৰ্মাণৰ দায়িত্বত থকা ঠিকাদাৰ কুশল বেজবৰুৱা আৰু নলবাৰী লোক নিৰ্মাণৰ বৰমূৰীয়া তথা কৰ্মচাৰীয়ে আজি পৰ্যন্ত উক্ত স্থানত উপস্থিত নোহোৱাত ৰাইজে ক্ষোভ প্ৰকাশ কৰে। সেয়েহে অঞ্চলটোৰ ৰাইজে আজি নিজৰ পকেটৰ ধন খৰচ কৰি আৰু নিজৰ বাৰী-বস্তিৰ পৰা বাঁহ কাটি আনি পথটোত বানে উটুৱাই নিয়া কালভাৰ্টৰ ওপৰত এখন বাঁহৰ দলং নিৰ্মাণ কৰি যাতায়াতৰ উপযোগী কৰি তোলে। মন কৰিবলগীয়া যে পথটোত থকা এটি কালভাৰ্ট বানপানীয়ে সম্পূৰ্ণৰূপে উটুৱাই নি পথটো বিচ্ছিন্ন কৰি দিছিল। কালি ৰাইজে উক্ত ঠাইত এখন বাঁহৰ দলং নিৰ্মাণ কৰি যাতায়াত সুচল কৰি তোলে। ৰাইজে স্বতঃস্ফূৰ্তভাৱে ওলাই আহি দলং নিৰ্মাণ কৰা এই কাৰ্যক সকলো সমাজ সচেতন লোকে প্ৰশংসা কৰিছে।



# মাজৰৌমাৰীত 'আছু'ৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ শ্বহীদ বেদী উন্মোচন

### দিনজোৱা কাৰ্যসূচীত উপস্থিত অঃজাঃযুঃছাঃপৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ২৭ জুন ঃ** শোণিতপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ মাজৰৌমাৰীত শ্বহীদ বেদীৰ উন্মোচনী অনুষ্ঠান জাকজমকতাৰে সমাপন কৰা হয়। পশ্চিম ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা মাজৰৌমাৰী শাখা ছাত্ৰ সন্থা আৰু বৃহত্তৰ মাজৰৌমাৰীবাসী ৰাইজৰ উমৈহতীয়া সহযোগত ২৩ জুনত মাজৰৌমাৰী চাৰিআলিত নৱ-নিৰ্মিত শ্বহীদ বেদীৰ উন্মোচন কৰা হয়। জাতীয় অস্তিত্ব ৰক্ষাৰ নামত প্ৰাণাহুতি দিয়া শ্বহীদৰ স্মৰণত নিৰ্মিত শ্বহীদ বেদী উন্মোচন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। পশ্চিম ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনংগ মোহন দাস আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি নৱ কুমাৰ নাথে আঁত ধৰা অনুষ্ঠানত স্মৃতিগ্ৰন্থ 'অশ্ৰুঅঞ্জলি' শীৰ্ষক উন্মোচন কৰে অজাযুছাপৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱাই। স্থানীয় বহুকেইজন শ্বহীদ পৰিয়ালক অনুষ্ঠানত সম্বৰ্ধনাও জনোৱা হয়। পুৱাৰ ভাগত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে পশ্চিম ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনংগ মোহন দাসে। অনুষ্ঠানৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কৰে মাজৰৌমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰণৱ কুমাৰ বৈশ্যই। বিশিষ্ট অতিথি হিচাপে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল ক্ৰমান্বয়ে পৰিস্মিতা বড়া-(সাহিত্য সম্পাদিকা 'আছু') অভিজিৎ নাথ-(সভাপতি শোণিতপুৰ জিলা ছাত্ৰ সন্থা) মনোজ দাস- (সম্পাদক শোণিতপুৰ জিলা ছাত্ৰ সন্থা)ৰ উপৰি বিভিন্ন আঞ্চলিক আৰু শাখা ছাত্ৰ সন্থাৰ বিষয়ববীয়া তথা জ্যেষ্ঠ সাংবাদিক, শোণিতপুৰ জিলা নাট্য সন্মিলনৰ সম্পাদক সুজিৎ কটকীয়ে। উল্লেখ্য যে, নিশাৰ ভাগত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰাকেশ ৰিয়ানৰ সংগীতানুষ্ঠানৰো আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে প্ৰতিবেদকক জানিবলৈ দিয়ে। স্থানীয় যুৱক-যুৱতীৰ দ্বাৰা আকৰ্ষণীয় সমৱেত সংগীত পৰিৱেশন, সত্ৰীয়া নৃত্য পৰিৱেশন আদিয়ে ক্ষন্তেকতে সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰে। 'আছু'ৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা আৰু অঃজাঃযুঃছাঃপৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱাৰ আকৰ্ষণীয় বক্তব্যই উপস্থিত ৰাইজৰ সমাদৰ লাভ কৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২৮ জুন, ২০২২ ■ মঙলবাৰ ■ গুৱাহাটী ■ ১৩ আহাৰ, ১৯৪৪ শক


## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ১০০ শতাংশৰে উজলিল জামুগুৰিহাটৰ জামুগুৰি জুনিয়ৰ কলেজ



**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৭ জুন ঃ** সাম্প্ৰতিক জামুগুৰিহাটৰ বৌদ্ধিক ক্ষেত্ৰৰ চিনাকি নাম জামুগুৰি জুনিয়ৰ কলেজে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এইবেলিও ১০০ শতাংশ উত্তীৰ্ণ হাৰেৰে পূৰ্বৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। উল্লেখ্য যে জামুগুৰিহাটৰ একঅংশ অৱসৰী শিক্ষক ক্ৰমে ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক গোলাপ কলিতা, অৱসৰী পুথিভঁৰালী সুৰেন কলিতা, অৱসৰী উচ্চবৰ্গৰ কাৰ্যালয় সহায়ক চন্দ্ৰমোহন নাথ, দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰী বিষয় শিক্ষক বিপুল বৰা, অভিজ্ঞ শিক্ষাব্ৰতী প্ৰদীপ ৰায়, মিংকু কলিতা প্ৰমুখ্যে বহুকেইজন শিক্ষানুৰাগীৰ প্ৰচেষ্টাত ২০১৪ চনত প্ৰতিষ্ঠা লাভ কৰা জুনিয়ৰ কলেজখনে জন্মলগ্নৰে পৰা এক আশানুৰূপ ফলাফলে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত অৰিহণা যোগাই আহিছে। এইবেলি বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হোৱা মুঠ ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৬ জন ষ্টাৰ সহ মুঠ ১৩ জন প্ৰথম বিভাগ, ৭ জন দ্বিতীয় আৰু ৬ জন তৃতীয় বিভাগত উত্তীৰ্ণ হৈ ১০০ শতাংশ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। ইয়াৰে নিয়ৰমণি নাথে ছয়টা বিষয়তে লেটাৰ নম্বৰসহ ৯২ শতাংশ লাভকৰি অঞ্চলটোৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হয়। ঠিক সেইদৰে বিতু ধৰে ৫ টা বিষয়ত লেটাৰ সহ ৮৩ শতাংশ, ভাস্বতী ভাগৱতীয়ে তিনিটা বিষয়ত লেটাৰ সহ ৭৯ শতাংশ, ৰিতু বিকাশে ৩ টা বিষয়ত লেটাৰ সহ ৭৯ শতাংশ , ৰোহন শৰ্মাই ৩ টা বিষয়ত লেটাৰ সহ ৭৮ শতাংশ আৰু আমিৰ হুছেইন ২ টা বিষয়ত লেটাৰ সহ ৭৫ শতাংশ নম্বৰেৰে ষ্টাৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয়খনৰ এনে সফলতাত অঞ্চলবাসী ৰাইজে সন্তোষ প্ৰকাশ কৰে!

## বিজ্ঞান শাখাত সপ্তম স্থানেৰে দেৱব্ৰত, ক'লা শাখাত ষষ্ঠ স্থানেৰে ৰ'জী ৰৌচানে সুনাম কঢ়িয়াই আনিলে তীৰ্থনগৰী হাজোলৈ

### সফল অভিযন্তা হোৱাৰ হেঁপাহ দেৱব্ৰত কলিতাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বিজ্ঞান আৰু ক'লা শাখাত দুই মেধাৱী শিক্ষাৰ্থীয়ে সুখ্যাতিৰে প্ৰথম দহটা স্থানৰ ভিতৰত সপ্তম আৰু ষষ্ঠ স্থান দখল কৰি তীৰ্থনগৰী হাজোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।বিজ্ঞান শাখাত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ, কুলহাটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা বৰগাওঁ নিৱাসী শৰৎ কলিতাৰ সুসন্তান দেৱব্ৰত কলিতাই অসমৰ ভিতৰত সপ্তম স্থান দখলেৰে সুখ্যাতি অৰ্জন কৰে। দেৱব্ৰত কলিতাৰ এনে কৃতিত্বত গৌৰৱান্বিত তীৰ্থনগৰী হাজোৰ লগতে বৃহত্তৰ দমদমা বাসীৰ মাজত এক উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। যাৰ ফলত আজি ফলাফল ঘোষণা হোৱাৰ পিছতে দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থীৰ লগতে বিভিন্ন দল-সংগঠনে বিপুল ভাৱে অভিনন্দন জ্ঞাপন কৰে। উল্লেখ্য যে, দেৱব্ৰত কলিতাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত কুলহাটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ৯১ শতাংশ নম্বৰ অৰ্জনেৰে ড্ৰিষ্টিংচন লাভ কৰিছিল আৰু আজিৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা বিষয়তে লেটাৰ নম্বৰ সহ সৰ্বমুঠ ৪৭৭ নম্বৰ লাভ কৰাৰ লগতে পদাৰ্থ বিজ্ঞানত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ ১০০ লাভ কৰে। দেৱব্ৰত কলিতাই ইংৰাজীত ৯৩,অসমীয়াত ৯২, পদাৰ্থ বিজ্ঞানত ১০০, ৰসায়ন বিজ্ঞানত ৯৬, গণিতত ৯৬ আৰু জীৱ বিজ্ঞানত ৮০ নম্বৰ অৰ্জন কৰিবলৈ সক্ষম হয়। তেওঁ ভৱিষ্যতে আগশাৰীৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰি এগৰাকী সফল অভিযন্তা হোৱাৰ সপোন ৰচিছে। তেওঁ এই সাফল্যত পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীৰ অৱদানৰ শলাগ লয়। ইফালে হাজোৰ জাপিয়া গাঁওতো ৰ'জি ৰৌচানে আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ক'লা শাখাৰ ফলাফলত ষষ্ঠ স্থান দখল কৰাত বৃহত্তৰ অঞ্চলজুৰি এক আনন্দমুখৰ পৰিবেশে বিৰাজ কৰিছে। কামৰূপ ছোৱালী উচ্চতৰ মাধ্যমিক পৰীক্ষা কেন্দ্ৰ,কৰৰাৰ পৰা ষষ্ঠ স্থান পাবলৈ সক্ষম হৈছে ৰ'জি ৰৌচানে। হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত জাপিয়া গাঁওৰ শিক্ষক ৰহিম আলীৰ কন্যা ৰ'জি ৰৌচানে হাইস্কুল শিক্ষান্ত পৰীক্ষাত মাত্ৰ ৬ নম্বৰৰ বাবে স্থান লাভৰ পৰা বঞ্চিত হৈছিল। জাপিয়া অৰুনোদই বিদ্যালয়ত অধ্যয়ন কৰি সৰুৰে পৰা মেধাৰ পৰিচয় দাঙি ধৰা ৰ'জিৰ এই সাফল্যৰ বাবে সমগ্ৰ অঞ্চলত এক আনন্দ মুখৰ পৰিবেশ সৃষ্টি হৈছে। এনে সময়তে বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন দল- সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টাদ্বয় প্ৰকাশ চন্দ্ৰ দাস,ধৰ্মেশ্বৰ দাসকে ব্যক্তি বিশেষে বিপুল ভাৱে অভিনন্দন জ্ঞাপন কৰি উজ্জ্বল ভৱিষ্যত কামনা কৰে। ইফালে সপ্তম স্থান প্ৰাপ্ত দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাৰ শিক্ষাৰ্থী দেৱব্ৰত কলিতাক দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী, পৰিচালনা সমিতি,কুলহাটী পাচগাওঁ পঞ্চায়তৰ আঞ্চলিক সদস্য পৰেশ দাস,হাজো সাংবাদিক সন্থা,দমদমা সাহিত্য সভা,হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোনোৱাল,কামৰূপ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব কুমাৰ ঠাকুৰীয়া, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা দ্বয় প্ৰকাশ চন্দ্ৰ দাস, ধৰ্মেশ্বৰ দাস, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা,দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ প্ৰসন্ন কুমাৰ দাসকে ধৰি বিভিন্ন জনে ফুলাম গামোচা,ফুলৰ থোপাৰে বিপুল ভাৱে অভিনন্দন জ্ঞাপন কৰে। গুৰুদ্ধ আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ পিছত তীৰ্থনগৰী হাজোৰ দুই মেধাৱী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন কৰি আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে চৰকাৰী মাধ্যমৰ শিক্ষানুষ্ঠানৰ আন্ত:গাঠনি সুচল কৰাৰ লগতে প্ৰয়োজনীয় শিক্ষক নিযুক্তিৰে বিদ্যালয় সমূহৰ পৰিবেশ সবল কৰাৰ দাবী তোলে।

## ধুবুৰীৰ বগুলামাৰী গাঁৱৰ ছাত্ৰী সোণালী পাৰভিনে কঢ়িয়াই আনিলে সুনাম

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৭ জুন ঃ** ধুবুৰী জিলাৰ অতি পিছপৰা অঞ্চল ভাষানীচৰ গাওঁ পঞ্চায়তৰ বগুলামাৰী গাওঁৰ । জসু সেখৰ ছোৱালী সোনালী পাৰভিন সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত এটা বিষায়ত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোত সুনাম কঢ়িয়াই আনিছে। উল্লেখ যে কোনো ধৰণৰ টিউচন নপৰাকৈ কষ্ট কৰি পঢ়া শুনা কৰিছিল ছাত্ৰী গৰাকীয়ে ।আগন্তুক দিনত ছাত্ৰী গৰাকীয়ে ভাল দৰে পঢ়া শুনা কৰি এগৰাকী শিক্ষক হোৱাৰ সপোন আছে। এতিয়া ছাত্ৰী গৰাকীয়ে কয় যে পঢ়া শুনাত ধনী দুখীয়া কোনো হেঙাৰ হব নোৱাৰে, ভাল ফলাফলৰ আশা থাকিলে সকলো সম্ভৱ। তাৰ বাবে লাগিব ইচ্ছা শক্তি দৈয্য কষ্ট আৰু মনোবল থাকিব লাগিব। লগতে সদায় পিতৃ-মাতৃ আৰু গুৰুজনাৰ আদৰ্শ বজাই ৰাখি দেহাপৰামৰ্শও মানি চলিব লাগে। ইফালে ছাত্ৰী গৰাকী প্ৰথম বিভাগত সুখৰ্তীৰে উত্তীৰ্ণ হৈ বগুলামাৰী অঞ্চলটোত গৌৰৱ কঢ়িয়াই আনিলে সোনালী পাৰভিনে । দৰাচলতে সোনালী পাৰভিন ধুবুৰীৰ কলেজ নগৰ অঞ্চলত অৱস্থিত ৰয়েল পাব্লিক ছিনিয়ৰ ছেকণ্ডাৰী স্কুলত অধ্যয়ন কৰিছিল ।

## উচ্চতৰ মাধ্যমিকত টীয়কৰ জ্ঞানপীঠ একাডেমীৰ ১০০ শতাংশ সফলতা অৰ্জন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৭ জুন ঃ** আজি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত টীয়কৰ জ্ঞানপীঠ একাডেমীয়ে পূৰ্বৰ দৰেই ১০০ শতাংশ সফলতা লাভ কৰিছে। জ্ঞানপীঠ একাডেমীৰ বিজ্ঞান শাখাত ১০০ শতাংশ আৰু কলা শাখাটো ১০০ শতাংশ উত্তীৰ্ণৰ হয়। কলা শাখাৰ অক্ষয়াশ্ৰী দেৱীয়ে সকলো বিষয়তে লেটাৰ মাৰ্ক সহ ৪৭০ নম্বৰ পোৱাৰ লগতে মাত্ৰ ৩ নম্বৰৰ বাবে স্থান লাভ কৰিবলৈ সক্ষম নহল l জ্ঞানপীঠ একাডেমীৰ বিজ্ঞান শাখাত মুঠ ২৫ গৰাকীৰ , ১৭ গৰাকীয়ে প্ৰথম বিভাগ তাৰে ৩ গৰাকীৰ ষ্টাৰ মাৰ্ক, ৮ গৰাকীয়ে দ্বিতীয় বিভাগ লাভ কৰাৰ বিপৰীতে কলা শাখাত মুঠ ১১৭ গৰাকীৰ , ৬৬ গৰাকীয়ে প্ৰথম বিভাগ, ইয়াৰে ২৯ গৰাকীয়ে ষ্টাৰ আৰু ডিষ্টিংচন, ৪০ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ১১ গৰাকীয়ে তৃতীয় বিভাগ, লাভ কৰে। জ্ঞানপীঠ একাডেমীৰ সফলতাত সকলোৱে অভিনন্দন জনাইছে।

## কলা শাখাৰ অষ্টম স্থানত হুছেইন চুবুৰিৰ দীক্ষিতা ঃ প্ৰশাসনিক বিষয়া হোৱাৰ মন



**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত কলা শাখাত অষ্টম স্থান লাভ কৰিবলৈ সক্ষম হয় দৰং জিলাৰ দীক্ষিতা চহৰীয়াই ।জিলাখনৰ হুছেইন চুবুৰী নিবাসী ক্ষুদ্ৰ ব্যবসায়ী দিলীপ চহৰীয়া আৰু দিপান্বিতা চহৰীয়াৰ কন্যা দিক্ষীতা চহৰীয়াৰ এই ফলাফলত আজি অঞ্চলটোত এক উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰে। সমান্তৰালভাবে দীক্ষিতাৰ অধ্যয়নৰত দিপীলাস্থ এন আৰ ডি এছ কলেজটো এক আৱতৰীয়া দিপাৱলী পালন কৰে। দিক্ষীতাৰ এই ফলাফলত উৎফুল্ল হৈ পৰিছে এন আৰ ডি এছ কলেজ আৰু অঞ্চলবাসী ৰাইজ। দিক্ষীতাই সৰ্বমুঠ ৪৭৫ নম্বৰ লাভ কৰে।ভৱিষ্যতে এগৰাকী সুদক্ষ প্ৰশাসনিক বিষয়া হোৱাৰ মন কৰা দীক্ষিতাই আশা কৰা ধৰণে ফলাফল লাভ কৰা বুলি মত ব্যক্ত কৰে।

## নৱম স্থান দখলেৰে গোলাঘাটলৈ গৌৰৱ কঢ়িয়ালে ৰাস্না গগৈয়ে



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২৭ জুন ঃ** আজি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক কলা শাখাৰ চূড়ান্ত পৰীক্ষাত গোলাঘাটৰ ফৰকাটিং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী ৰাস্না গগৈয়ে নৱম স্থান দখল কৰি গোলাঘাটলৈ গৌৰৱ কঢ়িয়াই আনিছে। গোলাঘাট চহৰৰ বিপিন ফুকন নগৰ নিৱাসী ৰাজুমনি গগৈ আৰু পৰী শইকীয়াৰ কন্যা ৰাস্না গগৈয়ে কলা শাখাত মুঠ ৪৭৪ নম্বৰ লাভ কৰি শীৰ্ষ দহটা স্থানৰ ভিতৰত নৱম স্থান লাভ কৰিবলৈ সক্ষম হয়। ছাত্ৰী গৰাকীৰ এই সাফল্যত শিক্ষানুষ্ঠান খনৰ লগতে গোলাঘাটত এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়।

## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত গড়গাঁও মহাবিদ্যালয়ৰ এশ শতাংশ সাফল্য

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৭ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শিৱসাগৰ জিলাৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ে এশ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। কলা শাখাৰ মুঠ ২২ গৰাকী শিক্ষাৰ্থীৰ ৪ গৰাকীয়ে প্ৰথম স্থান, ৯ গৰাকীয়ে দ্বিতীয় স্থান আৰু বাকী ৯ গৰাকীয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰে তিনিগৰাকী শিক্ষাৰ্থীয়ে তিনিটাকৈ বিষয়ত লেটাৰসহ প্ৰথম স্থান আৰু এগৰাকী শিক্ষাৰ্থীয়ে এটা বিষয়ত লেটাৰসহ দ্বিতীয় স্থান লাভ কৰিছে। মহাবিদ্যালয়ৰ এনে সন্তোষজনক ফলাফলত অধ্যক্ষ ডঃ সব্যসাচী মহন্তই আনন্দিত অনুভৱ কৰাৰ লগতে সফলতাৰ আঁৰৰ সকলো শিক্ষক-শিক্ষাৰ্থীলৈ অভিনন্দন জ্ঞাপন কৰে। গড়গাঁও মহাবিদ্যালয়ৰ সফলতাৰ এই ধাৰা পৰৱৰ্তী সময়তো বৰ্তাই ৰাখিবলৈ প্ৰয়াস কৰা হ'ব বুলি অধ্যক্ষগৰাকীয়ে আশা প্ৰকাশ কৰে।

## নাজিৰাৰ দুগৰাকী শিক্ষাৰ্থীৰ অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ ঃ ফলাফল উন্নত





**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৭ জুন ঃ** আজি ঘোষনা কৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নাজিৰা জুনিয়ৰ কলেজৰ ছাত্ৰী দেবাশ্ৰী খনিকৰে সমাজতত্ত্ব বিষয়ত ৯৯ আৰু নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ ছাত্ৰ নাদিৰ আখতাৰ আলীয়ে চেলচমেনশ্বিপত ৯১ নম্বৰেৰে অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পাই নাজিৰালৈ গৌৰৱ কঢ়িয়াই আনে। নাজিৰা জুনিয়ৰ কলেজৰ দেবাশ্ৰী খনিকৰে তিনিটা বিষয়ত লেটাৰসহ ষ্টাৰ মাৰ্ক লাভ কৰে নাজিৰা জুনিয়ৰ কলেজৰ ২৬ গৰাকীয়ে প্ৰথম, ২৪ গৰাকীয়ে দ্বিতীয় আৰু ৩ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। স্বৰাজ একাডেমিৰ কলা শাখাত ১৪ গৰাকী প্ৰথম ,১৪ গৰাকীয়ে দ্বিতীয় আৰু ৭ গৰাকীয়ে তৃতীয় বিভাগত এশ শতাংশ উত্তীৰ্ণ হয় । ৰেদ একাডেমিৰ বিজ্ঞান শাখাত ৬১ গৰাকীয়ে প্ৰথম আৰু ৪ গৰাকীয়ে দ্বিতীয় বিভাগত এশ শতাংশ উত্তীৰ্ণ হয় ।কলা শাখাত ২৭ গৰাকীয়ে প্ৰথম, ১৬ গৰাকীয়ে দ্বিতীয় আৰু ৩ গৰাকীয়ে তৃতীয় বিভাগত এশ শতাংশ উত্তীৰ্ণ হয়।

**LOST**

I have lost my L I C I policy bond . Bearing no 486663868 . Due to shifting of residence my policy has lost. My name & address

**Debabrata Dutta.**
S/o Sri Prabir Dutta
P.O Hojai, Gobinda pally.
Word no 7.
Dist Hojai Assam.
Pin 782435

**CANCELLATION NOTICE**

This is for general information to all concerned that the tender floated vide this office No. SE(B)/JHT/(C/S)/S-12/21-22/5069-75 Dated:14.03.2022 and electronic tender no 2022_PWBNH_24872_1 for the work **"Infrastructure Development at Kamalabari Ferry Ghat under Special Development Programme at Majuli"** is hereby cancelled due to some technical reason.

Sd/-
Superintending Engineer PWD.
Jorhat Building Circle, Jorhat

Janasanyog /C/5416/22

## চিলাপথাৰৰ ইউটপিয়ান একাডেমীৰ ১০০ শতাংশ উত্তীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৭ জুন ঃ** আজি ঘোষনা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্তবৰ্ষৰ পৰীক্ষাৰ ফলাফলত চিলাপথাৰ স্হিত চিলাপথাৰ ইউটপিয়ান একাডেমীৰ ১০০ শতাংশ উত্তীৰ্ণ হাৰে অঞ্চলটোত এক আনন্দময় পৰিবেশৰ সৃষ্টি হৈছে ।উল্লেখযোগ্য যে, ইউটপিয়ান একাডেমীয়ে এইবাৰ কলা, বিজ্ঞান আৰু বাণিজ্যৰ তিনিটা শাখাৰ মুঠ ১২০ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল ইয়াৰ ভিতৰত ৯ গৰাকীয়ে ডিষ্টিংচন, ৫৫ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ১১৮ গৰাকীয়ে প্ৰথম বিভাগ লাভ কৰাৰ বিপৰীতে ২ গৰাকীয়ে দ্বিতীয় বিভাগ লাভ কৰি ১০০ শতাংশ উত্তীৰ্ণ হাৰে এক বৃহৎ সাফল্য লাভ কৰিছে। ইয়াৰে বিজ্ঞান শাখাত ৮২ গৰাকীৰ ভিতৰত ৯ গৰাকীয়ে ডিষ্টিংচনসহ, ৪০ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ , ৮১ গৰাকীয়ে প্ৰথম, ১ গৰাকীয়ে দ্বিতীয় বিভাগ ,কলা শাখাত ২১ গৰাকীৰ ভিতৰত ১২ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ২০ গৰাকীয়ে প্ৰথম, ১ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু বাণিজ্য শাখাত ১৭ গৰাকীৰ ভিতৰত ৩ গৰাকীয়ে ষ্টাৰসহ ১৭ গৰাকীয়েই প্ৰথম স্হান লাভ কৰে । আনহাতে মুঠ ১৩ গৰাকীয়ে সম্পূৰ্ণ বিষয়ত ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ইফালে এই সফলতাৰে অঞ্চলটোৰ লগতে শিক্ষানুষ্ঠানখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰী সকলক ইউটপিয়ান একাডেমিৰ সঞ্চালক সিদ্ধাৰ্থ ফুকনে অভিনন্দন জ্ঞাপন কৰিছে ।

## বৰতলাৰ পূজাৰীৰ সন্তান অম্লানজ্যোতিয়ে লাভ কৰিলে ডিষ্টিংচন ঃ চান্দা গাঁৱৰ কৃষক পুত্ৰ কুলদীপৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২৭ জুন ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ ফলাফলত বৰক্ষেত্ৰীৰ দুগৰাকী বিশেষ ছাত্ৰৰ সাফল্যত উৎফুল্ল হৈ পৰিছে দুখনকৈ গাঁৱৰ লোক। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰতলা গাঁৱৰ এগৰাকী পূজাৰীৰ সন্তানে ডিষ্টিংচন নম্বৰেৰে উজ্জ্বলি উঠিছে ।গাঁওখনৰ পূজাৰী প্ৰদীপ শৰ্মা আৰু নমিতা দেৱীৰ সুযোগ্য সন্তান অম্লানজ্যোতি শৰ্মাই বিজ্ঞান শাখাত আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ ডিষ্টিংচন লাভ কৰি শিক্ষানুষ্ঠানখনৰ লগতে বৰতলা গাঁওলৈ সুনাম কঢ়িয়াই আনিছে । অম্লানজ্যোতি শৰ্মাই অসমীয়াত ৯৫, পদাৰ্থ বিজ্ঞানত ৯২, গণিতত ৮৬, ৰসায়ন বিজ্ঞানত ৮৬, জীৱ বিজ্ঞানত ৮৩ আৰু ইংৰাজীত ৮৩ সহ মুঠ ৪৪২ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। গাঁওখনৰ দৰিদ্ৰ পৰিয়ালৰ সন্তান তথা পূজাৰী প্ৰদীপ শৰ্মাৰ বৰপুত্ৰ অম্লানজ্যোতি শৰ্মাই হাইস্কুল শিক্ষান্ত



পৰীক্ষাত ৯৬% নম্বৰেৰে সুখ্যাতিৰে উত্তীৰ্ণ হৈ গাঁওখনক গৰ্বিত কৰি তুলিছিল ।তীক্ষ্ণ মেধাসম্পন্ন অম্লানজ্যোতিয়ে পৰৱৰ্তী সময়ত চামতা ইডেন ভেলী একাডেমীত নাম ভৰ্তি কৰে । আৰ্থিক দৈন্যক নেওচি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ অম্লানজ্যোতিক চামতা ইডেন ভেলী একাডেমী কৰ্তৃপক্ষই সম্পূৰ্ণ বিনামুলীয়াকৈ অধ্যায়ন কৰাৰ সুবিধা প্ৰদান কৰিছিল। অম্লানজ্যোতিৰ সাফল্যত পূজাৰী পিতৃ প্ৰদীপ শৰ্মা আৰু মাতৃ নমিতা দেৱীয়ে সুখ অনুভৱ কৰে । আৰ্থিক দৈন্যৰ মাজতো উজ্জ্বলি উঠা অম্লানজ্যোতি শৰ্মাই এই সাফল্যৰ বাবে পিতৃ-মাতৃৰ লগতে শিক্ষাগুৰুসকলক কৃতিত্ব প্ৰদান কৰে । ভবিষ্যতে এগৰাকী মহাকাশ বিজ্ঞানী হোৱাৰ সপোন পুহি ৰখা বুলি অম্লানজ্যোতি শৰ্মাই সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে । ইপিনে মধ্যম বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত চান্দা গাঁৱৰ কৃষক পুত্ৰৰ সাফল্য গাঁওখনত চৰ্চিত হৈ পৰিছে। গাঁওখনৰ কৃষক পিতৃ জন্মি তালুকদাৰ আৰু মাতৃ ৰুনু তালুকদাৰৰ পুত্ৰ কুলদ্বীপ তালুকদাৰে বিজ্ঞান শাখাত উজ্জ্বলি উঠিছে ।মুকালমুৱাস্থিত আনন্দৰাম বৰুৱা জুনিয়ৰ কলেজৰ ছাত্ৰ কুলদ্বীপ তালুকদাৰে তিনিটা বিষয়ত লেটাৰ নম্বৰসহ মুঠ ৩৯৮ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে ।কুলদ্বীপে অসমীয়াত ৯৬, ইংৰাজীত ৭৩, জীৱ বিজ্ঞানত ৮০, ৰসায়ন বিজ্ঞানত ৮২, পদাৰ্থ বিজ্ঞানত ৬৭ নম্বৰ লাভ কৰে । পুত্ৰৰ এই সাফল্যত দৰিদ্ৰ পিতৃ-মাতৃৰ মুখত হাঁহি বিৰিঙিছে । আৰ্থিকভাৱে দুৰ্বল পৰিয়ালটিৰ সন্তানৰ ফলাফল গাঁওখনত বহুলভাৱে চৰ্চা লাভ কৰিছে । শিক্ষাৰ ক্ষেত্ৰত দৰিদ্ৰতাই হেঙাৰ হৈ থিয় দিয়া কুলদ্বীপে ভৱিষ্যতে এগৰাকী সুচিকিৎসক হৈ মানৱ সেৱা কৰাৰ ইচ্ছা মনত পুহি ৰাখিছে বুলি জানিবলৈ দিয়ে।



## শীৰ্ষ দহটা স্থানৰ ভিতৰত নিজৰ নাম অন্তৰ্ভুক্ত কৰিলে সোণাৰি কমাৰ্চ কলেজৰ ছাত্ৰ প্ৰিয়াংশু দাসে

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৭ জুন ঃ** আত্মবিশ্বাস তথা আত্মনিৰ্ভৰ হৈ আগবাঢ়ি গ'লেই নিজৰ লক্ষ্যত উপনীত হ'ব পৰা যায়। সন্মুখত প্ৰত্যাহ্বান থাকিলেও সেই প্ৰত্যাহ্বান ওফৰাই পেলাব পৰাকৈ নিজৰ মন-মগজুক শক্তিশালী কৰা উচিত। এই গুৰুত্বপূৰ্ণ মন্তব্য আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাণিজ্য শাখাত ৰাজ্যৰ ভিতৰত দশম স্থান লাভ কৰিবলৈ সক্ষম হোৱা সোণাৰিৰ প্ৰিয়াংশু দাসৰ। উল্লেখ্য যে উচ্চতৰ মাধ্যমিকৰ বাণিজ্য শাখাত দশম স্থান দখলেৰে সোণাৰিৰ লগতে চৰাইদেউ জিলালৈ গৌৰৱ কঢ়িয়াই আনিলে প্ৰিয়াংশু দাসে। সোণাৰি কমাৰ্চ কলেজৰ ছাত্ৰ প্ৰিয়াংশু দাসে আজি ঘোষিত ফলাফল অনুসৰি লাভ কৰা মুঠ নম্বৰ ৪৬০। মাতৃ দিপিকা দাসৰ সৈতে সোণাৰিস্থিত মোমায়েকৰ ঘৰত থাকি অধ্যয়ন কৰা প্ৰিয়াংশুৰ সাফল্যত উৎফুল্ল মাতৃয়েও আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীল হোৱাৰ আহ্বান জনালে নতুন প্ৰজন্মক। ইফালে অসমৰ ভিতৰতে দশম স্থান দখলেৰে চৰাইদেউ জিলালৈ গৌৰৱ কঢ়িয়াই অনা প্ৰিয়াংশুৰ সাফল্যত উৎফুল্ল জিলাবাসী। সোণাৰি কমাৰ্চ কলেজৰ পৰা বাণিজ্য শাখাত দশম স্থান লাভ প্ৰিয়াংশু দাসৰ বাসগৃহত উপস্থিত হৈ আজি পুৱাই সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক প্ৰশান্ত দত্ত, সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ সভাপতি দিলীপ বৰাৰ লগতে সোণাৰি কমাৰ্চ কলেজৰ অধ্যক্ষ ডঃ বিপুল দে', সোণাৰি আঞ্চলিক ছাত্ৰ সন্থা, সোণাৰি কমাৰ্চ কলেজৰ ছাত্ৰ একতা সভা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, টাইপাকে ধৰি বিভিন্ন দল-সংগঠন, শিক্ষানুষ্ঠানখনৰ প্ৰবক্তা তথা শুভাকাংক্ষী সকলে উষ্ম অভিনন্দন জনাই। ইফালে দুপৰীয়ালৈ সোণাৰি কমাৰ্চ কলেজৰ চৌহদত কলেজ কৰ্তৃপক্ষই অভিনন্দন জ্ঞাপন অনুষ্ঠানত সোণাৰি ৰাজহ চক্ৰ বিষয়া, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দেৱেন বৰুৱাৰ লগতে মহাবিদ্যালয় খনৰ অগণন শুভাকাংক্ষীয়ে অভিনন্দন জনাই উৎসাহিত কৰে প্ৰিয়াংশু দাসক । মন কৰিবলগীয়া যে ১৯৯১ চনতে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয় খনৰ ছাত্ৰই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথমবাৰলৈ শীৰ্ষ দহটা স্থানৰ ভিতৰত নিজৰ নাম অন্তৰ্ভুক্ত কৰি সোণাৰি কমাৰ্চ কলেজৰ নাম জিলিকাই তুলিবলৈ সক্ষম হোৱাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰেও শুভেচ্ছা তথা অভিনন্দন জনাইছে মেধাৱী ছাত্ৰ গৰাকীক। মেধাৱী ছাত্ৰ প্ৰিয়াংশু দাসলৈ আমাৰ তৰফৰপৰাও জনালোঁ আন্তৰিক অভিনন্দন।

Affordable Health Mission
GNRC
Quality • Value • Trust

জিএনআৰচি টেলিমেডিচিন সেৱা

ঘৰতে বহি এতিয়া আপুনি পাব পাৰে

জিএনআৰচিৰ বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ

আজিয়েই ডাউনল'ড কৰক

GNRC Telehealth App
(Google Play storeত উপলব্ধ)

যোগাযোগ ঃ 1800-345-0022

info@gnrchospitals.com www.gnrchospitals.com

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
২৮ জুন ■ ২০২২ ■ ১৩ আহাৰ ■ গুৱাহাটী

## অম্বুবাচী মহাযোগৰ অন্ত নিজম পৰিল উখল-মাখল শিবিৰ

ঐতিহ্যমণ্ডিত শক্তিপীঠ কামাখ্যা ধামত চাৰি দিনৰ পিছত ভক্তৰ বাবে পুনৰ খোল খালে কামাখ্যা দেৱালয়ৰ মুখ্য দুৱাৰ। ১০ লক্ষাধিক ভক্তৰ সমাগমেৰে সামৰণি পৰিল অম্বুবাচী মেলাৰ। অম্বুবাচীৰ নিবৃত্তিৰ লগে লগেই পুৱা দেৱী কামাখ্যাৰ স্নান আৰু নিত্য পূজাৰ পাছতেই মন্দিৰৰ দুৱাৰ ভক্তিপ্ৰাণ ৰাইজৰ বাবে খুলি দিয়া হয়। অষ্টম দিনা পুৱাৰ পৰাই হাজাৰ হাজাৰ ভক্তই দীঘলীয়া শাৰী পাতি দেৱী দৰ্শনৰ বাবে ভিৰ পাতি উৎফুল্লিত হৈ পৰে। উল্লেখ্য যে যুগ যুগ ধৰি বিশ্বাসীৰ বাবে ভক্তিৰ কেন্দ্ৰস্থলীত পৰিগণিত হোৱা কামাখ্যা ধামত এইবাৰ যোৱা ২২ জুনৰ পৰা অম্বুবাচী মেলা আৰম্ভ হৈছিল। ২২ জুনৰ নিশা ৮.১২ বজাত প্ৰবৃত্তিৰ লগে লগে বন্ধ কৰি দিয়া হৈছিল দেৱালয়ৰ দুৱাৰ। অম্বুবাচী মেলাৰ আটাইকেইদিনত দেশ-বিদেশৰ হাজাৰ হাজাৰ ভক্ত, সাধু-সন্ন্যাসীৰ সমাগম হোৱা দেখা যায়। সাধু-সন্ন্যাসী, ভক্ত-দৰ্শনাৰ্থীৰ লয়লাসপূৰ্ণ অংগী-ভংগী, নৃত্য তথা বিচিত্ৰ বাবাৰ কাৰ্যকলাপেৰে কামাখ্যা ধাম মুখৰ হৈ আছিল। আটাইকেইদিন নীলাচলৰ বুকুত কেৱল মা কামাখ্যাৰ বন্দনা। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ আহ্বান আৰু জিলা প্ৰশাসনৰ বিভিন্ন নীতি-নিৰ্দেশনা তথা কভিড আতংকৰ পাছতো এইবাৰ অম্বুবাচী মেলাত পাঁচ লক্ষাধিক ভক্ত-দৰ্শনাৰ্থীৰ ভিৰ হৈছিল। ইফালে দেওবাৰে নিবৃত্তি উপলক্ষে কামাখ্যা ধামত নিশাৰে পৰা ব্যাপকভাৱে সমাগম হোৱা পৰিলক্ষিত হয়। সেই দিনটোত কমেও এক লক্ষাধিক ভক্তৰ উপস্থিতিয়ে নীলাচল পাহাৰত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। কামাখ্যা দেৱালয়ৰ বৰদলৈয়ে সংবাদ মাধ্যমক জনোৱা অনুসৰি পহিলা দিনটোত ২০,০০০ ভক্তইহে দেৱীৰ দৰ্শনৰ সুবিধা লাভ কৰে। কামাখ্যা গেটৰ পৰা মন্দিৰ চৌহদলৈ ভিৰ দি বাট নোপোৱা অৱস্থা। সকলোৰে মুখে মুখে কেৱল জয় মা কামাখ্যা ধ্বনি। ডবা, কাঁহ, শংখ, ঘণ্টা আদি দেৱ বাদ্যৰ শব্দৰে মুখৰ হৈ পৰে নীলাচলৰ আকাশ-বতাহ। সূৰ্যোদয়ৰ পিছতে দুৱাৰ মুকলি হোৱাৰ লগে লগে দেৱী দৰ্শনৰ বাবে দীঘলীয়া শাৰীত থিয় হোৱা দেখা যায়। মা কামাখ্যাৰ ওচৰত মূৰ দোৱাই প্ৰতিগৰাকী ভক্তই বিচাৰে আশিষ। পুৱা নিবৃত্তিৰ পাছতেই ৰাজ্যপাল জগদীশ মুখীয়ে সপত্নীক দেৱী কামাখ্যা দৰ্শন কৰি পূজা সেৱা আগবঢ়ায় আৰু ৰাজ্যপালৰ উপৰি বিয়লি প্ৰায় তিনি বজাত পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই দেৱী দৰ্শন কৰে। ইফালে জিলা প্ৰশাসনে এইবাৰ নীলাচল পাহাৰত ভক্ত দৰ্শনাৰ্থীৰ থকা-খোৱাৰ ব্যৱস্থা নকৰাৰ লগতে পদব্ৰজে দেৱীৰ দৰ্শন কৰিবলগীয়া হোৱাত ভক্তসকলৰ যথেষ্ট সমস্যাৰো সন্মুখীন হয়। উল্লেখযোগ্য যে কৰ'নাকেন্দ্ৰিক জটিল পৰিস্থিতিৰ বাবে বিগত দুবছৰ অম্বুবাচী মেলা অনুষ্ঠিত হোৱা নাছিল। কভিড পৰিস্থিতি কিছু উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে এইবাৰ অম্বুবাচী মেলা অনুষ্ঠিত কৰাৰ অনুমতি প্ৰদান কৰে যদিও মেলাৰ আটাইকেইদিনত যথেষ্ট ভক্তৰ সমাগম হোৱা দেখা যায়। ইয়াৰ মাজতে বিলাসী গাড়ীৰে কামাখ্যা ধামলৈ যাবলৈ বিচৰাসকলকো যাবলৈ বাধা প্ৰদান কৰে। আনকি ভিআইপি, ভিভিআইপিৰ দৰ্শনৰ ক্ষেত্ৰত থকা বাধাৰ বাবেও বহুতো দৰ্শনাৰ্থীক ওভতাই পঠিয়ায়। পাঁচদিনীয়াকৈ আয়োজিত অম্বুবাচী মেলাৰ বাবে জিলা প্ৰশাসনৰ তৰফৰ পৰা কামাখ্যা ষ্টেচন, পাণ্ডু প'ৰ্ট, পুৰণি জে'লত স্থাপন কৰা শিবিৰ, ভূতনাথ, কালীপুৰ আদিত স্থাপন কৰা শিবিৰসমূহ নিজম পৰে।

■ অসমৰ সমস্যা ■

# সমস্যাৰে ভাৰাক্ৰান্ত অসমৰ দুখ মোচন কেতিয়া হ'ব



ভূপেন মহন্ত

বৰ্তমান সমগ্ৰ অসম বানৰ তাণ্ডৱত পিষ্ট। চাৰিওফালে কেৱল পানী আৰু পানী বিধ্বংসী পানী। প্ৰায় ধ্বংসস্তূপত পৰিণত হৈ পৰিছে অসম। কালৰূপ ধৰা বৰ্তমানৰ এই সংহাৰী বানত লাখ লাখ লোকৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। দিনে দিনে ন ন অঞ্চল সৰ্বগ্ৰাসী বানে এফালৰ পৰা উছন কৰি নিছে। বানাক্ৰান্ত ৰাইজ এতিয়া ওখ ঠাই, মথাউৰি আদিত আশ্ৰয় লৈ থাকিব লগা হৈছে। বহু কষ্টৰে গঢ় দিয়া সপোনৰ আপোন ঘৰখন চকুৰ আগতে উছন হোৱা দেখি, জীয়াই থকাৰ সম্বল মাটি টুকুৰা নৈৰ বুকুত জাহ যোৱা দেখি, কাৰোবাৰ আকৌ বানৰ কোবাল সোঁতত কোনোবা আপোনজন চকুৰ সন্মুখতে উটি যোৱা দেখি দিক্-বিদিক হেৰুৱাই পেলাইছে। মানসিক অৱস্থাও অসন্তুলিত হৈ পৰিছে। মুঠতে এক অৱৰ্ণনীয় অৱস্থা। চৰকাৰী হিচাপতেই এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১২০ৰ ঘৰ অতিক্ৰম কৰিছে। ৰাজ্যখনৰ এতিয়ালৈ ৩২খন জিলা সাম্প্ৰতিক বানে বুৰাই পেলাইছে। আনহাতে, প্ৰায় ৪৮ লাখ লোক বানত ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় ১.১৩ লাখ হেক্টৰ কৃষিভূমি জলমগ্ন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন শস্য ধ্বংসপ্ৰাপ্ত হৈছে।

প্ৰয়োজনীয় খাদ্য, অন্যান্য সুবিধাসমূহৰ লগতে পশু খাদ্যৰ পৰ্যাপ্ত যোগানৰ বাবে চৰকাৰীভাৱে নিৰ্দেশ দিয়া হৈছে। কিন্তু আচৰিত কথা, বৰ্তমানেও বহু বন্যাৰ্ত ভোকে-লঘোণে তথা দুৰ্ভিক্ষসদৃশ পৰিৱেশত হাবু-ডুবু খাই থাকিবলগীয়া অৱস্থা হৈ আছে। যি সাহায্য বন্যাৰ্তসকলক দিয়া হৈছে সেয়া কোনো ক্ষেত্ৰতে পৰ্যাপ্ত নহয়। শিশু খাদ্যৰ অভাৱত বহু শিশুৱে আৰ্তনাদ কৰিব লগা হৈছে। সততে চৰকাৰে মথাউৰিসমূহৰ কথা কৈ থকাৰ মাজতে চাৰিওফালে মথাউৰি ভাঙি তচ্‌নচ্ কৰি পেলাইছে গাঁও, খেতিপথাৰ। লাখ লাখ ঘৰবাৰীৰ আজি কোনো অস্তিত্বই নাই। এই ভয়ংকৰ পৰিস্থিতিৰ পিছতো কেন্দ্ৰৰ পৰা সাহায্য পঠোৱাৰ কথাতো বাদেই প্ৰধানমন্ত্ৰীকে ধৰি এগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আহি বন্যাৰ্তৰ ওচৰত থিয় হোৱাহি নাই। অসমৰ পানপানীৰ সমস্যা 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষণা কৰাটো দূৰৰে কথা। খাদ্য বিচাৰি বহু বানাক্ৰান্তই ৰাজপথত প্ৰতিবাদ কৰিব লগা অৱস্থাও হৈছে। কিন্তু অসমত এতিয়াও এখন তথাকথিত শক্তিশালী চৰকাৰ বিৰাজমান। এনে পৰিস্থিতি হৈ থাকিলে অচিৰেই অসম এখন দৰিদ্ৰ ৰাজ্যত যে পৰিণত হ'ব ই ধ্ৰুৱপ।

আমি দেখি আহিছো অসমত এতিয়া হিতাধিকাৰীৰ সংখ্যা বঢ়োৱাত ব্যস্ত সকলো। হিতাধিকাৰীৰ নামত বিভিন্ন আঁচনিৰ যেন জোৱাৰ উঠিছে। হিতাধিকাৰীৰ লেবেলখন লগাই আজিকালি সকলো ঘৰত বহি থাকিলেই হ'ল। বিনামূলীয়া চাউল ঘৰতে পাব, ঘৰত বহি থাকিলেই বেংকত ধন সোমাব অৰুণোদয় আঁচনিৰ জৰিয়তে, মাইক্ৰ'ফাইনেঞ্চৰ ঋণ ৰেহাই দিছে। মুঠতে এতিয়া কোনেও একো কাম নকৰাকৈয়ে ঘৰতে শুই শুইয়ে আৰামত খাব পাৰিছে। আৰু কত কি আঁচনি। দেখাত অসমৰ গ্ৰাম্য সমাজত যেন আজি কোনো অভাৱ-অভিযোগেই নাই। কিন্তু আচৰিত কথা, সঁচাকে মানুহবোৰ এই আঁচনিৰ জৰিয়তে আৰামত খাব পাৰিছেনে, ধনী হৈ গৈছে নেকি মানুহবোৰ? আমি দেখাত ইমানবোৰ সুবিধা পোৱাৰ পিছতো দেখোন মানুহবোৰৰ অৱস্থা একেই আছে। কোনো লোক দেখোন ধনী হ'ব পৰা নাই। পৰিৱৰ্তনো একো নাই। বৰং অৱস্থাৰ অৱনতি হোৱাহে দেখিবলৈ পোৱা গৈছে। আটাইতকৈ ডাঙৰ কথাটো হৈছে— এনেদৰে সকলো ফ্ৰীতে পোৱাৰ ফলত মানুহবোৰ দিনে দিনে এলেহুৱা, অকৰ্মণ্য হৈছে পৰা দেখা গৈছে। এই লোকসকলক তেনেহ'লে কোন পৰ্যায়লৈ লৈ যাব বিচৰা হৈছে। এনেদৰেই তেওঁলোকে গোটেই জীৱন পৰনিৰ্ভৰশীল হৈয়ে চলিব লাগিব নেকি? নে তাৰেই ব্যৱস্থা কৰা হৈছে।

ইফালে, হিতাধিকাৰীক বিনামূলীয়া চাউল দিছে কিন্তু বজাৰত সোমাব নোৱাৰি সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ প্ৰকোপত। মিঠাতেলৰ দাম এক লিটাৰত এতিয়াও ২০০-২১০ টকা, দালি ১০০-১২০ টকা পৰ্যন্ত হৈছেগৈ। পাচলি আদিৰ দাম প্ৰতি কিলোত ৬০ৰ পৰা ৮০ টকা পৰ্যন্ত। এইবোৰ এতিয়া নতুন কথা হৈ থকা নাই। মুঠতে কাপোৰৰ পৰা ঘৰ বনোৱা সামগ্ৰীলৈকে, চাউল-মিঠাতেল, দালিৰ পৰা শাক-পাচলিলৈকে ব'ব নোৱৰা মূল্যবৃদ্ধিয়ে কোঙা কৰি পেলাইছে সৰ্বসাধাৰণ লোকক। যিসকল লোকে কোনো দিন বজাৰলৈ গৈ বজাৰ কৰি পোৱা নাই সেইসকল বিলাসী লোকৰ কথা বেলেগ। মুঠতে বজাৰত এতিয়া মূল্যবৃদ্ধিৰ জুই। যি জুয়ে সাধাৰণ লোকক পুৰি চাৰখাৰ কৰি পেলাইছে। এইবোৰ সমস্যা অসমৰ কি ভয়াৱহ সমস্যা নহয় নেকি? কাৰো যেন ইয়াৰ বিৰুদ্ধে মাত মতাৰেই সাহস নোহোৱা হৈছে। নিৰ্বিকাৰ যেন চৰকাৰ-প্ৰশাসনো।

অসমৰ আন এক ভয়ংকৰ সমস্যা হৈছে নিবনুৱা সমস্যা। কংগ্ৰেছৰ পোন্ধৰবছৰীয়া শাসন কালৰে পৰা অসমত নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰি আহিছে। নিৰ্বাচন আহিলেহে ৰাজনৈতিক নেতাসকলৰ মনত পৰে অসমত নিবনুৱা সমস্যাৰ ভয়াৱহতাৰ কথা। প্ৰতিখন চৰকাৰেই নিৰ্বাচনত প্ৰথমেই নিবনুৱা যুৱক-যুৱতীসকলক সংস্থাপন দিয়াৰ কথাই ঘোষণা কৰে। নিৰ্বাচনী ইষ্টাহাৰবোৰতো ই মুখ্য স্থান লাভ কৰে। কিন্তু শাসনৰ বাঘজৰি হাতলৈ অহাৰ পিছতেই সকলোবোৰ ফুটুকাৰ ফেনত পৰিণত হয়। এইবাৰো এইখন চৰকাৰে নিবনুৱা যুৱক-যুৱতী কিমানক নিযুক্তি দিব, তাকো এবছৰত সেইটো সঘনাই প্ৰচাৰ কৰি আহিছে। কিন্তু বৰ্তমানলৈ কিমান নিবনুৱা যুৱক-যুৱতী সেই ঘোষণাৰ দ্বাৰা উপকৃত হ'ল তাৰ হিচাপ হয়তো সকলোৰে মুখে মুখে। কিন্তু চৰকাৰৰ লক্ষ্য হ'ব লাগিছিল— তেওঁলোকে ঘোষণা কৰা নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাটোহে। আৰু সম্পূৰ্ণ কৰি লৈহে ঘোষণা কৰা হ'লে সকলো উপকৃত হ'ল হয়। অসমত যেনে ধৰণে নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে এনেদৰে থাকিলে অনতিপলমে নিবনুৱাই এক ভয়াৱহ ৰূপ ল'ব ই খাটাং। সেয়ে চৰকাৰে সংস্থাপন কিমান দিব নিবনুৱা যুৱক-যুৱতীক তাৰ হিচাপ দিয়াতকৈ পৰ্যায়ক্ৰমে অসমৰ যুৱক-যুৱতীক কৰ্মসংস্থাপন দিয়াৰ বাবেহে চেষ্টা কৰক। কাৰণ যিমান হিচাপ দিলেও নিবনুৱাৰ সংখ্যা যে সামান্য পৰিমাণেও হ্ৰাস হোৱা নাই। অসমৰ আন এটা সমস্যা হ'ল শিক্ষা ব্যৱস্থা। আজি অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানৰ অৱস্থা তথৈবচ। ইয়াৰ ফলাফলো আশানুৰূপ নহয়। ইয়াৰ বাবে আমি সদায়ে বিদ্যালয়ৰ শিক্ষাগুৰুসকলকে দোষাৰোপ কৰি আহিছো। ইতিমধ্যে হৈ যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত যিবোৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ে অতি বেয়া ফল দেখুৱাইছে সেইসমূহ বিদ্যালয়ৰ প্ৰধানসকলক চৰকাৰৰ ফালৰ পৰা কৈফিয়ৎ তলব কৰা হৈছে। কিয় বেয়া হৈছে পৰীক্ষাৰ ফলাফল। কিন্তু আমি চাব লাগিব- কিমান সা-সুবিধাৰ মাজেৰে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ চলি আছে। বহু বিদ্যালয়ত শিক্ষকৰ অভাৱ। বিদ্যালয়ৰ আন্তঃগাঁথনি একেবাৰেই দুখ লগা। ৩-৪টা বিষয়ৰ শিক্ষক যেতিয়া নাথাকিব, তেনে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ কেনে হ'ব সেয়া ৰাইজে অনুভৱ কৰক। মন্ত্ৰী-বিধায়ক, উচ্চ পদবীধাৰী কোনো ব্যক্তিৰে ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ বিদ্যালয়ত শিক্ষাদান নকৰায়। ফলত অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ প্ৰতিও গুৰুত্ব কম সকলোৰে। এতিয়া ছাত্ৰ-ছাত্ৰীৰ অভাৱত বহু অসমীয়া মাধ্যমৰ বিদ্যালয় হয় বিলুপ্তকৰণ কৰা হৈছে, নহয় আন বিদ্যালয়ৰ লগত সংলগ্ন কৰা হৈছে। অসমীয়া মাধ্যমৰ বিদ্যালয়ত নিযুক্তি দিয়া শিক্ষকসকলৰো বিভিন্ন ভাগ। কোনোবাই দৰমহা পায়, কোনোবাই নাপায়, মুঠতে শিক্ষকৰো বিভিন্ন শ্ৰেণী বিভাগ কৰাৰ হৈছে। তেনে ক্ষেত্ৰত অকল ফলাফল বেয়া হোৱাৰ ক্ষেত্ৰত শিক্ষকসকলক দোষাৰোপ কৰিয়েই চৰকাৰে দায় সাৰিব নোৱাৰে। চৰকাৰৰ ফালৰ পৰা কিমান গুৰুত্ব দিয়া হৈছে চৰকাৰী বিদ্যালয়ৰ ক্ষেত্ৰত তাকো চাব লাগিব। এনে ভাব হৈছে যেন অচিৰেই চৰকাৰী বিদ্যালয়সমূহ বন্ধ হ'বলৈ হয়তো বেছি দিন নালাগিব। অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ দুৰৱস্থাৰ বাবে চৰকাৰেও দায় সাৰিব নোৱাৰে। এইকেইটা মাত্ৰ সাধাৰণ উদাহৰণ। নিৰ্বাচনৰ অংক আগত ৰাখি কেৱল হিতাধিকাৰী সৃষ্টি কৰিলেই, কেইটামান পথ-দলং নিৰ্মাণ কৰিলেই, বানপানীৰ সময়ত কেৱল সাহায্য দিলেই, মথাউৰি ভঙাৰ পিছত ঠিকাদাৰ, বিষয়া-কৰ্মচাৰীক ধমকি দিলেই বা প্ৰধান শিক্ষকক কৈফিয়ৎ তলব কৰিলেই অসমৰ উন্নতি আশা কৰিলে নহ'ব। স্মাৰ্ট চিটীও নহ'ব। চৰকাৰে এনেবোৰ গুৰুতৰ সমস্যাৰ স্থায়ী সমাধানৰ উপায় উদ্ভাৱন কৰক। অসমৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে ব্যৱস্থা লওক। বছৰে বছৰে মথাউৰি, ভঙা-পতা, সাহায্যৰ নামত প্ৰচাৰ আৰু ফটো প্ৰতিযোগিতা বন্ধ কৰিব লাগিব। বিভীষিকাৰ সৃষ্টি কৰা হোৱাংহো যদি চীনৰ বাবে এতিয়া আশীৰ্বাদ হ'ব পাৰে তেনে ব্ৰহ্মপুত্ৰ অসমৰ আশীৰ্বাদ নোহোৱাৰ কি কাৰণ থাকিব পাৰে। গতিকে বানপানী ৰোধ কৰাৰ বাবে দীৰ্ঘম্যাদী আঁচনি গ্ৰহণ কৰক। অসমৰ সম্পদ যদি কেন্দ্ৰৰ সম্পত্তি হ'ব পাৰে তেনেহ'লে বানপানীৰ দায়িত্বও কেন্দ্ৰই লওক। বানপানীৰ সমস্যাও কেন্দ্ৰৰে সমস্যা বুলি গুৰুত্বসহকাৰে গ্ৰহণ কৰক। আমি সৰুতে স্কুলত লিখা 'বানপানী অসমৰ প্ৰধান সমস্যা' বিষয়ক ৰচনা যাতে আমাৰ ভৱিষ্যৎ প্ৰজন্ময়ো লিখিব নালাগে তাৰ ব্যৱস্থা কৰক চৰকাৰে। অসমৰ উন্নতি যে হোৱা নাই, অসমৰ বিকাশ যে হোৱা নাই, স্মাৰ্ট চিটী হ'বলৈ যে আৰু বহু যোজন বাকী সেয়া এইকেইটা বিষয়েই যথেষ্ট। আমি এতিয়ালৈ যি দেখিছো হিতাধিকাৰীৰো আজি পৰ্যন্ত কোনো উন্নতি হোৱা নাই। অসমৰ বিকাশ তেতিয়াহে হ'ব যেতিয়া হিতাধিকাৰীৰ দুখবোৰ নোহোৱা হ'ব। বানপানীৰ সমস্যা নাথাকিব, অসমীয়া মাধ্যমৰ শিক্ষা ব্যৱস্থাৰ জয় জয়-ময় ময় অৱস্থা হ'ব। খাটিখোৱা শ্ৰমিক-বনুৱাজনেও যেতিয়া তেওঁৰ সামান্য উপাৰ্জনেৰে বজাৰৰ পৰা নিত্যপ্ৰয়োজনীয় সামগ্ৰী মোনা ভৰ্তি কৰি আনি সুখেৰে এসাঁজ খাব পাৰিব পৰিয়ালৰ সৈতে।

*ফোন ঃ ৭৮৯৬১-৩৭২৬৪*

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### মহাৰাষ্ট্ৰৰ ৰাজনীতিৰ অভিকেন্দ্ৰ কিয় গুৱাহাটী?

যি সময়ত অসম বানৰ কবলত পৰি কক্‌বকাই আছে ঠিক তেনে সময়তে মহাৰাষ্ট্ৰৰ বিসম্বাদী বিধায়কসকল গুৱাহাটীৰ আগশাৰীৰ হোটেল ৰেডিছন ব্লুত আহি থিতাপি লৈছে। এজন দুজন নহয় চল্লিছজন বিধায়ক অৱস্থান কৰিছে হোটেলত। অসমৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংবাদ মাধ্যমবোৰত অসমৰ বানপানীৰ ভয়াৱহতাতকৈ মহাৰাষ্ট্ৰৰ চৰকাৰৰ ভঙা-গঢ়াৰ খেলখনে বেছি গুৰুত্ব পাইছে। যি সময়ত অসমৰ লাখ লাখ বন্যাৰ্তই এমুঠি অন্নৰ বাবে হাহাকাৰ কৰিব লগা হৈছে সেই সময়ত কেৱল ৫৭ লাখ টকাৰে মহাৰাষ্ট্ৰৰ বিসম্বাদী বিধায়কৰ বাবে হোটেলৰ ৰূম বুক কৰা হৈছে। যিখন হোটেলত এদিনৰ আহাৰৰ ন্যূনতম মূল্য ৪০০০ টকা। অৰ্থাৎ কেইবা কোটি টকা ব্যয় হ'ব সেই শিৱসেনাৰ বিসম্বাদী বিধায়কৰ পিছত। এই ধন কোনে বহন কৰিব সেই কথাও চৰকাৰে স্পষ্ট কৰা নাই। ইফালে অসমৰ চৰকাৰ মন্ত্ৰী-বিধায়ক সঘনে হোটেলত প্ৰৱেশ কৰি তেওঁলোকৰ খা-খবৰ লৈ আছে। এয়া সততে অসমৰ খিলঞ্জীয়াৰ হিয়াৰ চৰকাৰ বুলি দাবী কৰি অহা চৰকাৰৰ চৰিত্ৰ। কেন্দ্ৰত নৰেন্দ্ৰ দামোদৰ মোদীৰ বিজেপি চৰকাৰ অহাৰ পিছত বহু ৰাজ্যৰ চৰকাৰ ভঙা-গঢ়াৰ খেল দেখিছে। বহু ৰাজ্যত সংখ্যাগৰিষ্ঠ আসন নোপোৱা সত্ত্বেও বিজেপিয়ে বিধায়কক ক্ৰয় কৰি চৰকাৰ গঠন কৰিছে। এসময়ত কংগ্ৰেছৰ গুৰুত্বপূৰ্ণ নেতা ২০০০ৰ পৰা ২০১৫ চনলৈ অসমৰ কংগ্ৰেছ চৰকাৰ গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰী আছিল হিমন্ত বিশ্ব শৰ্মা। কংগ্ৰেছত থকা দিনতে বিধায়ক কিনা-বেচাত যে মাষ্টাৰ মাইণ্ড শৰ্মা সেই কথা প্ৰমাণ কৰি থৈছিল। তাহানিতে বিজেপিৰ বিধায়কক কিনি। কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোৱাৰ পিছত হিমন্ত বিশ্ব শৰ্মাৰ বিধায়ক কিনাৰ দক্ষতা বিজেপিয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত কামত খটোৱা আৰম্ভ কৰিলে বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই। উত্তৰ-পূৰ্বাঞ্চলত অমিত শ্বাহৰ কথা মতে নৰ্থ ইষ্ট ডেম'ক্ৰেটিক এলায়েন্স চমুকৈ নেডা গঠন কৰে। যাৰ আহ্বায়ক হিচাপে হিমন্ত বিশ্ব শৰ্মৰ ওপৰত দায়িত্ব অৰ্পণ কৰে। শৰ্মায়ো কেন্দ্ৰীয় নেতৃত্বক নিৰাশ কৰা নাই। হিমন্তৰ নেতৃত্বতে নাগালেণ্ডত সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰা বিধায়কৰ মাজত কন্দল লগাই বিজেপি মিত্ৰজোঁটৰ চৰকাৰ গঠন কৰে। মণিপুৰ, মেঘালয়ত একক বৃহত্তম দল হোৱা সত্ত্বেও কংগ্ৰেছক চৰকাৰ গঠনৰ পৰা দূৰত ৰখা মানুহজন এইজন হিমন্তই। ২০১৬ চনত নিশাৰ ভিতৰত পিপিএ চৰকাৰক বিজেপি চৰকাৰলৈ ৰূপান্তৰ কৰি ৰাজনৈতিক চমক দেখুওৱা মানুহজনো হিমন্ত বিশ্ব শৰ্মা। নিজে কংগ্ৰেছ দল ত্যাগ কৰি আজি বিজেপিৰ মুখ্যমন্ত্ৰী হৈছে হিমন্তই। বিৰোধীক তচ্‌নচ্ কৰি পেলাবৰ বাবে গৰিষ্ঠসংখ্যক বিধায়ক থকা সত্ত্বেও বিৰোধী দলৰ বিধায়কক লোভ-লালসাৰে নিজৰ দলত লৈ আছে। প্ৰশ্ন হয়, সমগ্ৰ ভাৰতবৰ্ষত ১২খন ৰাজ্যত অকলে বিজেপি দলে চৰকাৰ চলাই আছে, তাৰ পিছতো মহাৰাষ্ট্ৰৰ বিসম্বাদী শিৱসেনাৰ বিধায়কক হিমন্তৰ ৰাজ্য অসমত কিয়? উত্তৰ স্পষ্ট— অসমত আজি কংগ্ৰেছকে ধৰি অন্যান্য বিৰোধী দলসমূহ প্ৰায় অস্তিত্বহীন। গুৱাহাটীত শিৱসেনাৰ বিসম্বাদী বিধায়কৰ বিৰুদ্ধে তেনে জোৰদাৰ আন্দোলন কৰিব নোৱাৰিব বা বিসম্বাদী বিধায়কক লগ কৰিব নোৱাৰিব। আনহাতে, আজিৰ তাৰিখত অমিত শ্বাহৰ অন্যতম বিশ্বস্ত হৈছে হিমন্ত বিশ্ব শৰ্মা। তদুপৰি হিমন্তৰ আছে একুৰিৰো অধিক বিশ্বস্ত বিধায়ক, যিসকলে তদাৰক কৰিব পাৰিব শিৱসেনাৰ বিসম্বাদী বিধায়কসকলক।

■ আনিছুৰ ৰহমান
*ফোন ঃ ৭০০২৯-৯৯৭৩৮*

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

## ■ বন্যাৰ্তক সহায়ৰ ফটো, ভিজুৱেলেৰে ওপচাইছে ফেচবুক

## ■ সাহায্যৰ ফটো দি কিহৰ বাবে প্ৰচাৰৰ ইমান ধুমধাম?

# এয়া সামাজিক দায়বদ্ধতা নে ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ অংক?

■ আজিজুল হক

জনপ্ৰিয়তাৰ ভূতে ধৰা ফেচবুকীয়ান একাংশৰ কাৰুকাৰ্যই চিন্তিত কৰি তুলিছে। ছদ্মবেশী সমাজ সচেতক আৰু প্ৰকৃত সচেতকক চিনাক্ত কৰাত অসুবিধাৰ সৃষ্টি হৈছে বহুতৰে। কিয়নো ফেচবুকত দেখুওৱা চাৰিত্ৰিক দিশ আৰু বাস্তৱিকতাৰ চাৰিত্ৰিক দিশৰ মাজত পাৰ্থক্য আছে বহু লোকৰ। বহু লোকে নিজৰ কু-চৰিত্ৰ ঢাকিবলৈ ফেচবুকক আঁৰ হিচাপে লয়। একাংশই সহজ জনপ্ৰিয়তাৰ জৰিয়তে ব্যক্তিগত মুনাফা অৰ্জন পূৰণ কৰাত ঢাল হিচাপে ব্যৱহাৰ কৰে সামাজিক মাধ্যমৰ বিভিন্ন দিশৰ লগতে বিশেষকৈ ফেচবুকক। জনপ্ৰিয়তাৰ তৃষ্ণাতুৰ একাংশ লোকে য'তে ত'তে নিজৰ প্ৰচাৰৰ সুবিধা লোৱাটো এখন সুস্থিৰ সমাজৰ বাবে অশনি সংকেত। কি ৰাজনৈতিক কি সামাজিক সকলো ক্ষেত্ৰতে সেই ভোকাতুৰ চক্ৰটোৱে নিজৰ প্ৰভাৱ বিস্তাৰৰ বৃথা চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। তেওঁলোকৰ কাণ্ডজ্ঞানহীন, অপৰিপক্ক কৰ্মই সমাজৰ বিজ্ঞ, সচেতন, প্ৰকৃত সমাজকৰ্মী তথা বৌদ্ধিক মহলক লজ্জিত কৰা দেখা গৈছে।

স্বাধীনতাৰ পিছত অসমত সম্ভৱতঃ ২০২২ চনৰ বানেই সৰ্বাধিক বান। এই বানপানীত উজনি-নামনি সকলো প্ৰান্তকে চুই গৈছে। বানপানীৰ ফলত আলাই-আথানি নোহোৱা হৈছে বানাক্ৰান্তৰ। বিশেষকৈ বৰপেটাৰ পূব, উত্তৰ আৰু দক্ষিণ দিশৰ প্ৰতিখন ৰাজহ গাঁও, চহৰত অতি ভয়াৱহ ৰূপ ধাৰণ কৰিছে এই বানপানীয়ে। বিস্তৰ ক্ষতি হৈছে জনতাৰ। অধিকাংশ লোকৰে ঘৰৰ ভিতৰত পানী সোমাইছে। ৰাস্তা-ঘাটত এডিঙি-এবুকু, কৰ'বাত একাঁঠুলৈকে পানী। পূৰ্বে স্থাপন কৰা অস্থায়ী শিবিৰতো এই পানী সোমাইছে। জনতাৰ আৰ্তনাদ চৌদিশে। খোৱাপানী, পোহৰ, খাদ্য-সামগ্ৰী আদিৰ অভাৱত হাহাকাৰ কৰিব লগা হৈছে বন্যাৰ্তই। মানুহৰ লগতে জীৱ-জন্তুৰো আলৈ-আথানি হৈছে। বজাৰত নাটনি হৈছে অত্যাৱশ্যকীয় সামগ্ৰীৰ। তেনে পৰিস্থিতিত কিংকৰ্তব্যবিমূঢ়ত পৰিছে বন্যাৰ্তসকল। এনে এক জটিল সময়ত স্থানীয় সামৰ্থ্যৱান একাংশ লোকে যিয়ে যেনে ধৰণে পাৰে সহায়-সহযোগ কৰিছে বন্যাৰ্তক। কোনোবাই যদি নিজৰ ওখ ভেটি, ঘৰত বানাক্ৰান্তক আশ্ৰয় দি ভৰণ-পোষণৰ দায়িত্ব লৈছে আন কোনোবাই শিবিৰত থকা কিছু লোকক খোৱাপানী, খাদ্য, মমৰ যোগান ধৰিছে। আন কোনোবাই জিলা প্ৰশাসন, ৰাজহ চক্ৰ বিষয়াক বানপৰিস্থিতি সন্দৰ্ভত অৱগত কৰাই ৰিলিফৰ ব্যৱস্থা কৰাত সহায় কৰিছে। সকলোৱে শক্তি অনুযায়ী ভক্তি কৰিছে বুলি ক'ব পাৰি। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সামৰ্থ্য অনুযায়ী সকলোৱে বিভিন্ন দিশেৰে বানাক্ৰান্তক সহায় কৰিছে। সেয়া সমাজৰ এগৰাকী সচেতন আৰু সমাজহিতৈষী ব্যক্তি হিচাপে নৈতিক দায়িত্ব পালন কৰিছে। মানুহ হিচাপে মানুহৰ বাবে কিবা এটা কৰিছে। কিন্তু মানুহ হিচাপে মানুহৰ বাবে কৰা এই কামৰ অন্তৰালতো একাংশ বেছ সুবিধাবাদী লোকৰ প্ৰৱেশ ঘটা পৰিলক্ষিত হৈছে। হয়, এইটো কথা স্বীকাৰ কৰোঁ যে ধনৰ ডাঙৰ হ'লেই নহ'ব, দুখীয়া-দৰিদ্ৰ, নিঃসহায়ক সহায় কৰিবলৈ হ'লে মনো ডাঙৰ হ'ব লাগিব। উদাৰ মনৰ অধিকাৰী হ'ব লাগিব। কিন্তু সেই বুলি নিঃসহায়ক, দৰিদ্ৰক সহায় কৰি সকলোৱে আগত তেওঁলোকৰ দৰিদ্ৰতাৰ মুখবোৰ দেখুৱাই দিয়াটো জানো ভাল কথা? তেওঁলোকৰো আত্মসন্মান থকা কথাটো এবাৰ উপলব্ধি কৰা উচিত। যিখিনি সামগ্ৰী প্ৰদানেৰে সহায়-সহযোগ কৰে সেইখিনি জানো সেই দৰিদ্ৰ লোকসকলে যোগান ধৰাৰ সামৰ্থ্য নাই? যদি আছে তেন্তে কিয় ইমান অদ্ভুত প্ৰচাৰ? কাৰ স্বাৰ্থত এই অপপ্ৰচাৰ? সমাজৰ লোকৰ বাবে কিবা এটা কৰাৰ যদি ভাল মন আছে সমাজৰ সেইসকল দুৰ্গতৰ মৰ্যাদাৰ কথাও অলপ অনুভৱ কৰা উচিত। সেই চক্ৰটোৱে উদ্দেশ্যপ্ৰণোদিতভাৱেহে নিপীড়িত বানাক্ৰান্তক সহায় কৰে বুলি ক'ব লাগিব। তাৰ ভিতৰত দুই-এটা আকৌ এনে গোটে ফেচবুকযোগে নিজৰ প্ৰচাৰ চলাইছে যেন সেইখিনি কাম ৰাজ্যত কোনেও কৰিব পৰা নাই। তেওঁলোকেহে কৰিছে। বিশ্বখন জয় কৰিছে। সামাজিক দায়বদ্ধতাৰ কথা পাহৰি লোকে ভালপোৱা স্বাৰ্থক আগত ৰাখি কাম কৰিছে বুলি তেওঁলোকক ক'ব পৰা যায়। কিয়নো বানাক্ৰান্তক দিয়া এডাল মম, এবটল পানী, এডোখৰ চাবোন, এপেকেট বিস্কুটৰ ফটো, ভিডিঅ'ৰ উজান উঠিছে ফেচবুকত। ফেচবুক খুলিবই নোৱাৰি। একে ফটো, একে ভিজুৱেল দৈনিক ন ন কেপচন দি প্ৰচাৰ। সামাজিক মাধ্যমযোগে এনেহেন প্ৰচাৰ চলাইছে যেন গোটেই বছৰটো সেই নিঃসহায় লোকসকলক সহায় কৰি আহিছে আৰু এতিয়াহে প্ৰচাৰ কৰিব লগা হৈছে।!

এবছৰত এটা-দুটা দুৰ্যোগ আহিব পাৰে আৰু তাৰ সুবিধা বুজি সহজ জনপ্ৰিয়তা লাভৰ অংকত দৌৰি ফুৰাটো অনুচিত। কাৰণ একে ফটোকেই তিনি দিনলৈ সামাজিক মাধ্যম ফেচবুকযোগে আপডেট দি অতি সহজ-সৰল, সাধাৰণ মানুহৰ মন-মগজু ক্ৰয় কৰিবলৈ তেওঁলোকক বৃথা প্ৰচেষ্টা কৰা দেখা গৈছে। বানাক্ৰান্তক সাহায্য প্ৰদান কৰাৰ সময়ত দুই-এগৰাকীক মোবাইলত কেমেৰা কৰাকৈ ৰাখে আৰু পিছত ফেচবুকত আপলোড, কমেণ্ট দিয়াৰ ঠিকা লয় আন কেইগৰাকীমান হয় হুজুৰে। দাক্ষিণাত্যৰ ছবিৰ দৰে দাতাৰ কি যে প'জত ফটো তাৰ পিছত ফেচবুকত শিলাবৃষ্টি পৰাৰ দৰে কেৱল ফটো আপলোড। ফেচবুকত আপলোডকাৰীৰো প্ৰচাৰ হ'ল আৰু দাতাৰো প্ৰচাৰ হ'ল। সৰু কাম এটা কৰি বহু ডাঙৰ কাম কৰাৰ দৰে দেখুৱাই নিজকে বৰ নেতাৰ পৰিচয় দি জখলাত উঠাৰ কূট-কৌশল ৰচে সেই সুবিধাবাদী চক্ৰটোৱে। এনেকুৱা লাগে যেন চৰকাৰে একো নিদিলেওঁ হ'ব। বন্যাৰ্তই সকলোখিনি পাইছেই। সাংবাদিক হিচাপে যেতিয়া বন্যাৰ্তৰ কাষ চাপো তেতিয়াহে গম পাওঁ তেওঁলোকৰ অভাৱবোৰ কিমানখিনি পূৰণ হৈছে। বহু সময়ত সমাজৰ বহু নিঃসহায় লোকৰ বিপদৰ সময়ত কিন্তু পিছ হুঁহকি থাকে তেনে লোকে। অৱশ্যে মুখ আৰু পকেটৰ ফালে চাই কিছু লোকৰ বিপদৰ সময়ত অৱস্থান কৰে! বৃদ্ধ পিতৃ-মাতৃ, ভাতৃ-ভগ্নীৰ টান-বিপদৰ সময়ত মাত এষাৰ দিবলৈ আগবাঢ়ি নহা লোকৰো বন্যাৰ্তক সাহায্য প্ৰদান কৰাৰ ফটো, ভিজুৱেল ফেচবুকত আপডেট।

ধিক্ মানসিকতা। দুটামান পানীৰ বটল, এপেকেট বিস্কুট, এডোখৰ চাবোন বানাক্ৰান্তক দি সামাজিক মাধ্যমযোগে আত্মপ্ৰচাৰত নামি পৰাৰ নীচ মানসিকতা যেন সমাজত অতি সুলভ হৈ পৰিছে। সামাজিকভাৱে প্ৰকৃতাৰ্থত দায়বদ্ধ লোকে তেনে কৰাৰ পৰা বিৰত থাকে। বেলেগ ক্ষেত্ৰত কিন্তু মাত্ৰ ৬দিনীয়া বানপানীৰ সময়ত তেনে কৰাটো শোভা নাপায়। আত্মপ্ৰচাৰ এৰি বানপীড়িতক সহায় কৰিব নোৱাৰোঁ নে আমি? কি স্বাৰ্থত ইমান এই প্ৰচাৰ? কাৰ কান্ধত ভৰি থৈ কোনে ক'লৈ খুজিছে বগাব? জনপ্ৰিয়তাৰ ভূতে ধৰা একাংশ ছদ্মবেশী সচেতন লোকৰ নিকৃষ্ট পন্থাক আমি অনুসৰণ কৰোঁ কিয় আমি? ইকাণে সিকাণে শুনি জানিবলৈ পোৱা মতে বানাক্ৰান্তক সহায় কৰাৰ নামত তেনে সুবিধাবাদীয়ে নিজৰ কাৰুকাৰ্যবোৰ ফেচবুকযোগে প্ৰচাৰৰ পিছত কিছু ৰাজনৈতিক নেতা, কোনোবা প্ৰতিষ্ঠানৰ পৰা অৰ্থ লাভো কৰিছে। কিন্তু প্ৰচাৰ চলাইছে সাহায্য নিজে দিয়া বুলিহে। সেয়া যি নহওক কিয় মুঠতে বানাক্ৰান্তই সাহায্য পাইছে। নিজৰ অঞ্চলৰ দুৰ্গতক সহায় কৰিছে, তেওঁলোকৰ প্ৰচাৰ হ'ব নিজ অঞ্চলৰ লোকসকলেই কৰিব। তেনেকৈয়ে প্ৰচাৰ সকলোতে হ'ব। মন-আত্মা শুদ্ধ নহ'লে ৰাইজৰ বাবে অলপ কৰি নিজকে প্ৰচাৰত লিপ্ত হৈ পৰে মানুহে। দুৰ্গতক কৰা সেই উপকাৰৰ মূল্যও কমি যায় সময়ত।

মই নিজেই বহু লোকক দেখিছোঁ, যিসকলে সমাজৰ দুৰ্যোগৰ সময়ত যথেষ্ট সহায় কৰিছে কিন্তু প্ৰচাৰ মুঠেই কৰা নাই। বাতৰিযোগে সম্প্ৰচাৰ কৰাটো দূৰৰে কথা ফেচবুকতো কোনো ফটো, ভিডিঅ' এৰি দিবলৈ নিদিলে। বৰপেটাৰ ভেল্লাত এগৰাকী উদাৰ মনৰ যুৱ ঠিকাদাৰে নিজ ঘৰতে ওচৰ-চুবুৰীয়া বানাক্ৰান্তৰ দহ-বাৰটা পৰিয়ালক ৰাখি খোৱা-বোৱাৰ দায়িত্ব পালন কৰি আহিছে। বেমাৰ-আজাৰো চাইছে। তদুপৰি শিবিৰে শিবিৰে গৈ অত্যাৱশ্যকীয় সামগ্ৰীৰো যোগান ধৰিছে বন্যাৰ্তক। কিন্তু সামাজিক মাধ্যমযোগে এখন ফটোও আপলোড কৰা দেখা নাপালোঁ। বানপানীত প্ৰতিটো ঠাইৰে স্থানীয় সামৰ্থ্যৱানসকলে বানাক্ৰান্তক সাহায্য প্ৰদান কৰি আহিছে। এয়াইটো কৰ'নাৰ সেই জটিল পৰিস্থিতি নহয় যে সহায় কৰিবলৈ কোনেও কাৰো ওচৰত যাবলৈ সাহস কৰা নাছিল। নিজৰ ভাতৃ-ভগ্নীয়েও সহোদৰ ভাতৃ ভগ্নী, আত্মীয়ৰ কথা এৰি নিজৰ জীৱন ৰক্ষাৰ বাবে যুঁজিব লগা হৈছিল। সকলো ব্যক্তিকেন্দ্ৰিক হৈ পৰিছিল। চৌদিশে লকডাউনৰ ফলত দোকান-পোহাৰ বন্ধ হৈ পৰিছিল। সকলো বস্তুৰে অভাৱ হৈছিল। বাহিৰত ওলাব নোৱৰা অৱস্থা চৌদিশে। তেনে পৰিস্থিতিত যিসকলে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি ৰাইজক সহায় কৰিছে আৰু সামাজিক মাধ্যমযোগে দুই-চাৰিটা ফটো আপলোড দিছে সেয়া কোনোবাৰ বাবে নিশ্চিতভাৱে অনুপ্ৰেৰণা, সাহস হৈছে। কিন্তু বানপানীতটো তেনে কোনো ওলাব নোৱৰা, ক'লৈকে যাব নোৱৰা পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। তেন্তে ইমান প্ৰচাৰৰ ধুমধাম? অৱশ্যে ক'ৰবাত যদি কৰ'নাৰ দৰে পৰিস্থিতি হৈছে সেয়া বিবেচনাধীন। যেতিয়ালৈকে স্বাৰ্থনিহিতভাৱে সামাজিক কাম কাজত জড়িত থকা এইব্যক্তিচামক ৰাইজে চিনাক্ত নকৰিব তেতিয়ালৈকে সমাজখন সঠিক দিশেৰে আগবাঢ়ি নাযাব বুলি মোৰ বিশ্বাস। তেতিয়া সমাজখন ভুল পথে পৰিচালিত হ'ব। সহজ-সৰল, সাধাৰণ মানুহৰ পৰা ভুল-শুদ্ধ বিচাৰ-বিশ্লেষণৰ ক্ষমতাও কুক্ষিগত কৰিব তেওঁলোকে। তাৰ পিছত পুনৰ সমাজৰ লোকৰ বিপদ, দুৰ্যোগ অহালৈ বাট চাই থাকিব সেই সুবিধাবাদী চক্ৰটোৱে। মুখাৰ আঁৰৰ মুখ খোল নাখালে সুবিধাবাদী, তৈলমৰ্দনকাৰী চক্ৰৰ হাতোৰাত বন্দী হৈ থাকিব সমাজ ব্যৱস্থা। পিছত সকলো ক্ষেত্ৰতে সমাজখন পিছুৱাই যাব আৰু সুবিধাবাদী চক্ৰটোৱে সদায় আগুৱাই যাব।

*ফোন ঃ ৯১০১১-৩৩৬৯৬*

## সৰ্বধৰ্ম সমন্বয়ৰ দেশ ভাৰতবৰ্ষ

ভগৱান শ্ৰীকৃষ্ণৰ লীলাভূমি এইখন ভাৰতবৰ্ষতেই জন্ম লভিছে শ্ৰীৰামে। অসংখ্য পীৰ, ফকিৰ, দৰবেচ, অলি-আউলিয়া, গাউছ, কুতুব, আবদাল, ছুফী-সাধক আদি ঋষি-মুনিৰ দেশ ভাৰতবৰ্ষ যেন এখন দেশ নহয় ই এটা জাকত জিলিকা জান্নাত (স্বৰ্গ)। পৃথিৱীৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষক আমি দেশ নহয় মাতৃ জ্ঞান কৰি আহিছোঁ। আবহমান কালৰে পৰা এইখন শস্য শ্যামলা ভাৰতবৰ্ষত বিভিন্ন জাতি, ধৰ্মাৱলম্বী লোকে সমিলমিলেৰে একেলগে বসবাস কৰি আহিছে। ইয়াত নাই কোনো জাতিভেদ আৰু নাই কোনো ধৰ্মীয় প্ৰভেদ। মন্দিৰৰ পৰা ভাহি অহা শংখ-ঘণ্টাৰ ধ্বনি আৰু মছজিদৰ পৰা ভাহি অহা আজানৰ শব্দ শুনি ভাল পোৱা দেশৰ সকলো নাগৰিক পৰস্পৰৰ ভাই বা বন্ধু। ঈদ, পূজা, বিয়া, সকাম আদি অনুষ্ঠানসমূহত আমি ইজনে সিজনৰ সহযোগী হওঁ। এইখন পুণ্যময়ী দেশত আমি পৰস্পৰে পৰস্পৰৰ সুখ-দুখৰ সমভাগী হওঁ। আজি সেইখন মহান দেশত দিনক-দিনে হিংসা, ঘৃণা, বিদ্বেষ তথা অসহিষ্ণুতাই গা কৰি উঠিছে, যিটো অত্যন্ত চিন্তনীয় আৰু দুখজনক বিষয়। একাংশই আজি আমাৰ মাজত বিভেদৰ বিষবাষ্প বিয়পাই দিব বিচাৰিছে, আমাৰ মাজত দূৰত্ব বৃদ্ধি কৰিবলৈ অহৰহ চেষ্টা কৰি গৈছে, আমাৰ মাজত থকা ভাতৃত্ববোধৰ এনাজৰীডাল ছিঙি থানবান কৰিবলৈ উঠিপৰি লাগিছে। কিমান নিষ্ঠুৰ হ'ব পাৰে এই পাষণ্ডসকল? যাৰ হৃদয়ত অলপো দয়া, প্ৰেম, মমতা নাই সিয়েই পাৰে শ্ৰষ্টাৰ সৃষ্টি মানৱ জাতিৰ মাজত কাজিয়া লগাই তেজৰ নৈ বোৱাব। পিছে কিয়?... পয়গম্বৰ হজৰত মহম্মদ (ছঃ) আৰু শ্ৰীৰামৰ জীৱনীৰ পাত লুটিয়াই চালে দেখা যায়, ক'তো হিংসা, নিন্দা, ঘৃণা, বিভেদ, বিদ্বেষৰ প্ৰতি উৎসাহিত কৰা হোৱা নাই। মহাপুৰুষ দুয়োজনেই শান্তি, মৈত্ৰী, সমন্বয়, সম্প্ৰীতি তথা সত্য, ন্যায় আৰু মানৱীয়তাৰ পক্ষত থাকি নিজৰ কৰ্ম কৰি গৈছিল আৰু ভক্তজনকো অনুৰূপ কৰি যাবলৈ উৎসাহিত কৰি গৈছে। আজি কিছুসংখ্যক মানুহে পয়গম্বৰ হজৰত মহম্মদ (ছঃ) আৰু শ্ৰীৰামৰ নীতি-আদৰ্শৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি গৈছে। যাৰ বাবে আজি পৰস্পৰৰ মাজত প্ৰেম-ভালপোৱা নাই। কুমলীয়া হৃদয়খনত ভৰি আছে কেৱল হিংসা, ঘৃণা তথা ঈৰ্ষাৰ জুই। পাৰস্পৰিক বিশ্বাস আৰু সম্পৰ্কত এনেকুৱা ফাঁট মেলিছে যিটো জোৱা-তাপলি মাৰি ঠিক কৰাটো অসম্ভৱ হৈ পৰিছে। যদিও এতিয়াওঁ সময় আছে ধৰ্মগুৰু, জনপ্ৰতিনিধি আৰু শাসক গোষ্ঠীয়ে পৰস্পৰৰ মাজত সম্পৰ্ক, পাৰস্পৰিক বিশ্বাস আৰু দেশৰ শান্তি-উন্নতিৰ পৰিৱেশ সৃষ্টি কৰিব পাৰে, অন্যথা সকলোৱেই ভগৱান শ্ৰীকৃষ্ণ আৰু মহাপুৰুষ হজৰত মহম্মদ (ছঃ)ৰ অভিশাপৰ ভাগীদাৰ হ'ব লাগিব।—

■ জুলহাছ আলী আহমেদ
*ফোন ঃ ৯৭০৬৬-৬৬১৯২*

## উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা-২০২২ৰ ফলাফলৰ বিজ্ঞান শাখা দহটা স্থান লাভ কৰা শিক্ষাৰ্থীসকল

| স্থান | পৰীক্ষাৰ্থীৰ নাম, প্ৰতিষ্ঠান | মুঠ নং |
|---|---|---|
| ১ম | **ধৃতিৰাজ বাস্তৱ কলিতা** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় | ৪৯১ |
| ২য় | **অলংকৃতা গৌতম বৰুৱা** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ছল্টব্ৰুক একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল (ডিব্ৰুগড়) | ৪৮৮ |
| ৩য় | **সুৰজিৎ সূত্ৰধৰ** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, পৰি সংখ্যা, গণিত) কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৮৬ |
| ৪ৰ্থ | **ঋত্বিক কুমাৰ চুট** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান) কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৮২ |
| | **অলড্ৰিন নাথ** (ইংৰাজী, অসমীয়া, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ৰামানুজ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৮২ |
| ৫ম | **আইমন শ্ব'আইৱ** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ছল্টব্ৰুক একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল (ডিব্ৰুগড়) | ৪৮১ |
| | **ৰোহণ শইকীয়া** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান) কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৮১ |
| ৬ষ্ঠ | **অভিলাষা দত্ত** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ডঃ ৰাধাকৃষ্ণ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৭৮ |
| ৭ম | **দেৱব্ৰত কলিতা** (ইংৰাজী, অসমীয়া, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ডমডমা উঃ মাধ্যমিক বিদ্যালয়, কামৰূপ (গ্ৰাম্য) | ৪৭৭ |
| | **বৈভৱ সোণোৱাল** (ইংৰাজী, অসমীয়া, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ডমডমা উঃ মাধ্যমিক বিদ্যালয়, কামৰূপ (গ্ৰাম্য) | ৪৭৭ |
| ৮ম | **গৌৰাংগ ভূঞা** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল (যোৰহাট) | ৪৭৬ |
| ৯ম | **সপ্তৰ্শী কলিতা** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) কৃষ্ণকান্ত সন্দিকৈ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, বৰপেটা | ৪৭৫ |
| | **দেৱাশীষ শৰ্মা** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান) কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৭৫ |
| | **বিকিৰন নাথ** (ইংৰাজী, অসমীয়া, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ৰামানুজ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৭৫ |
| | **প্ৰীতম চৰকাৰ** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ৰামানুজ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৭৫ |
| ১০ম | **সুপ্ৰজিৎ চাহা** (ইংৰাজী, অসমীয়া, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰপেটা | ৪৭৪ |
| | **অন্তৰীক্ষা মজুমদাৰ** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) ডঃ ৰাধাকৃষ্ণ স্কুল, ডিব্ৰুগড় | ৪৭৪ |
| | **দেৱজ্ঞান বৰদলৈ** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, যোৰহাট | ৪৭৪ |
| | **কিষান হৰলালকা** (ইংৰাজী, ঐচ্ছিক ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) প্ৰজ্ঞান একাডেমী ছিনিয়ৰ স্কুল, যোৰহাট | ৪৭৪ |
| | **বেদান্ত শৰ্মা** (ইংৰাজী, অসমীয়া, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, গণিত) কটন বিশ্ববিদ্যালয়, কামৰূপ (মেট্ৰ') | ৪৭৪ |

## উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা-২০২২ৰ ফলাফলৰ কলা শাখা দহটা স্থান লাভ কৰা শিক্ষাৰ্থীসকল

| স্থান | পৰীক্ষাৰ্থীৰ নাম, প্ৰতিষ্ঠান | মুঠ নং |
|---|---|---|
| ১ম | **সাধনা দেৱী** (ইংৰাজী, অসমীয়া, ৰাজনীতি বিজ্ঞান, ভূগোল, নৃতত্ব, সংস্কৃত) কামৰূপা গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কামৰূপ (গ্ৰাম্য) | ৪৮৭ |
| | **চেৰি গোহাঞি** (ইংৰাজী, ঐচ্ছিক, ৰাজনীতি বিজ্ঞান, শিক্ষা, বুৰঞ্জী, সমাজ তত্ব) অ'মেনছ কলেজ, তিনিচুকীয়া | ৪৮৭ |
| ২য় | **বিদিশা মিশ্ৰ** (ইংৰাজী, অসমীয়া, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, তৰ্কশাস্ত্ৰ, সংস্কৃত) শংকৰদেৱ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, মালবাৰী | ৪৮৬ |
| ৩য় | **সুদিপ্ত দেৱনাথ** (ইংৰাজী, অসমীয়া, অৰ্থনীতি, এছডাব্লিউএডি, ভূগোল, নৃতত্ব, সংস্কৃত) শংকৰদেৱ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, হোজাই | ৪৮৩ |
| | **নীলয় কুৰ্মী** (ইংৰাজী, ঐচ্ছিক, বুৰঞ্জী, প্ৰাণী বিজ্ঞান, ৰাজনীতি বিজ্ঞান, ভূগোল) ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৮৩ |
| ৪ৰ্থ | **প্ৰিয়ংকা বৈশ্য** (ইংৰাজী, অসমীয়া, অৰ্থনীতি, তৰ্ক শাস্ত্ৰ, শিক্ষা) আসাম ভেলী একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নলবাৰী | ৪৮১ |
| ৫ম | **মধুস্মিতা বেজবৰুৱা** (ইংৰাজী, ঐচ্ছিক, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, তৰ্ক শাস্ত্ৰ) আনন্দৰাম বৰুৱা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, বৰপেটা | ৪৮০ |
| | **প্ৰত্যুছ প্ৰতীম বৰা** (ইংৰাজী, ঐচ্ছিক, বুৰঞ্জী, প্ৰাণী বিজ্ঞান, ৰাজনীতি বিজ্ঞান, তৰ্কশাস্ত্ৰ) কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৮০ |
| ৬ষ্ঠ | **দৈভিক দেৱ** (ইংৰাজী, ঐচ্ছিক, অৰ্থনীতি, গণিত, পৰিসংখ্যা বিজ্ঞান) ৰামানুজ গুপ্ত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, চাপৰ | ৪৭৮ |
| | **এমডি চৈয়দ আহমেদ খন্দকাৰ** (ইংৰাজী, ঐচ্ছিক, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, তৰ্কশাস্ত্ৰ) আব্দুল হাছিব এইছ এছ স্কুল | ৪৭৮ |
| | **ৰ'জী ৰৌচন** (ইংৰাজী, অসমীয়া, প্ৰাণী বিজ্ঞান, অৰ্থনীতি, তৰ্কশাস্ত্ৰ, ৰাজনীতি বিজ্ঞান) কামৰূপ গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কামৰূপ (গ্ৰাম্য) | ৪৭৮ |
| | **উপাসনা শইকীয়া** (ইংৰাজী, ঐচ্ছিক, প্ৰাণী বিজ্ঞান, পৰিসংখ্যা, অৰ্থনীতি) ৰামানুজ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৭৮ |
| ৭ম | **বিশাল বিকাশ বৈশ্য** (ইংৰাজী, অসমীয়া, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি, তৰ্কশাস্ত্ৰ, সমাজ তত্ব) আনন্দৰাম বৰুৱা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, বৰপেটা | ৪৭৭ |
| ৮ম | **ৰিয়া শইকীয়া** (ইংৰাজী, ঐচ্ছিক, অৰ্থনীতি, নৃতত্ব, ৰাজনীতি বিজ্ঞান) কৃষ্ণকান্ত সন্দিকৈ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, বৰপেটা | ৪৭৫ |
| | **দিক্ষিতা শৰ্মা** (ইংৰাজী, অসমীয়া, তৰ্কশাস্ত্ৰ, শিক্ষা, ভূগোল) পাথৰিঘাট এইছ এছ স্কুল, দৰং | ৪৭৫ |
| | **অভিনন্দ হাজৰিকা** (ইংৰাজী, ঐচ্ছিক, অৰ্থনীতি, পৰিসংখ্যা, ৰাজনীতি বিজ্ঞান, গণিত) কটন বিশ্ববিদ্যালয়, কামৰূপ (মেট্ৰ') | ৪৭৫ |
| | **নিখিল দাস** (ইংৰাজী, অসমীয়া, শিক্ষা, ভূগোল, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান) কামৰূপ গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কামৰূপ (গ্ৰাম্য) | ৪৭৫ |
| ৯ম | **ৰম্না গগৈ** (ইংৰাজী, অসমীয়া, শিক্ষা, সমাজ তত্ব, তৰ্কশাস্ত্ৰ, এফএআৰটি ফাৰুকাটিং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, গোলাঘাট | ৪৭৪ |
| ১০ম | **অনন্যা সূত্ৰধৰ** (ইংৰাজী, ঐচ্ছিক, তৰ্কশাস্ত্ৰ, ৰাজনীতি বিজ্ঞান, এছডাব্লিউএডি, শিক্ষা) বঙাইগাঁও এইছ এছ স্কুল | ৪৭৩ |
| | **মেঘনা বৰা** (ইংৰাজী, অসমীয়া, ৰাজনীতি বিজ্ঞান, শিক্ষা, তৰ্কশাস্ত্ৰ, ভূগোল) ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৭৩ |
| | **ডেভিস্তুতি হাজৰিকা** (ইংৰাজী, অসমীয়া, অৰ্থনীতি, বুৰঞ্জী, শিক্ষা, ৰাজনীতি বিজ্ঞান) শলগুৰি এইছএছ স্কুল, শিৰসাগৰ | ৪৭৩ |

## মাৰ্ঘেৰিটা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাত ১০০ শতাংশ উত্তীৰ্ণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৭ জুন ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা-২০২২ৰ ফলাফলে মাৰ্ঘেৰিটালৈ গৌৰৱ কঢ়িয়াই আনিছে মাৰ্ঘেৰিটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাই। ফলাফল অনুসৰি মাৰ্ঘেৰিটা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাত পুৰ্ব ধাৰা অব্যাহত ৰাখি বিজ্ঞান শাখাত ১০০% ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। শিক্ষা ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি অহা অতি পুৰণি শিক্ষানুষ্ঠানখনৰ এই সাফল্যত বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক অভিভাৱিকা সকল উৎফুল্ল হৈ পৰিছে। বিগত ২০১৭ চনৰ পৰা বিদ্যালয়খনে বিজ্ঞান শাখাত একেৰাহে ৬ বছৰ ধৰি ১০০% শতাংশ উত্তীৰ্ণ ধাৰা অব্যাহত ৰাখিছে। চৰকাৰী বিদ্যালয়খৰৰ এই খবৰে অঞ্চলটো শিক্ষা প্ৰেমী সকলক উৎসাহিত কৰি তুলিছে। সদ্যঘোষিত ফলাফল অনুসৰি এই বৰ্ষত প্ৰথম বিভাগত ১৬জন, দ্বিতীয় বিভাগত ৯ জন উত্তীৰ্ণ হৈছে। ইয়াৰে ৩ জনে ষ্টাৰ মাৰ্ক আৰু ১৯জনে লেটাৰ মাৰ্কসহ উত্তীৰ্ণ হৈ বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

## উচ্চতৰ মাধ্যমিকত টীয়কৰ জ্ঞানপীঠ একাডেমীৰ পূৰ্বৰ দৰেই ১০০ শতাংশ সফলতা অৰ্জন

### কলা শাখাৰ অক্ষয়াশ্ৰী দেৱীয়ে মাত্ৰ ৩ নম্বৰৰ বাবে স্থান লাভ কৰিবলৈ সক্ষম নহ'ল

**দৈনন্দিন বাৰ্তাৰ সেৱা, টীয়ক, ২৭ জুন ঃ** আজি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত টীয়কৰ জ্ঞানপীঠ একাডেমীয়ে পূৰ্বৰ দৰেই ১০০ শতাংশ সফলতা লাভ কৰিছে। জ্ঞানপীঠ একাডেমীৰ বিজ্ঞান শাখাত ১০০ শতাংশ আৰু কলা শাখাটো ১০০ শতাংশ উত্তীৰ্ণৰ হয়। কলা শাখাৰ অক্ষয়াশ্ৰী দেৱীয়ে সকলো বিষয়তে লেটাৰ মাৰ্ক সহ ৪৭০ নম্বৰ পোৱাৰ লগতে মাত্ৰ ৩ নম্বৰৰ বাবে স্থান লাভ কৰিবলৈ সক্ষম নহল। জ্ঞানপীঠ একাডেমীৰ বিজ্ঞান শাখাত মুঠ ২৫ গৰাকীৰ , ১৭ গৰাকীয়ে প্ৰথম বিভাগ তাৰে ৩ গৰাকীৰ ষ্টাৰ মাৰ্ক, ৮ গৰাকীয়ে দ্বিতীয় বিভাগ লাভ কৰাৰ বিপৰীতে কলা শাখাত মুঠ ১১৭ গৰাকীৰ , ৬৬ গৰাকীয়ে প্ৰথম বিভাগ, ইয়াৰে ২৯ গৰাকীয়ে ষ্টাৰ আৰু ডিষ্টিংচন, ৪০ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ১১ গৰাকীয়ে তৃতীয় বিভাগ, লাভ কৰে। জ্ঞানপীঠ একাডেমীৰ সফলতাত সকলো উৎফুল্ল দেখা গ'ল।

## গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে ছাত্ৰী নান্সী খেতোৱাতে

### *বাণিজ্য শাখাত চতুৰ্থ স্থান লাভ*

**দৈনন্দিন বাৰ্তাৰ সেৱা গৌৰীপুৰ, ২৭ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলে ধুবুৰী জিলা লৈ সুনাম কঢ়িয়াই আনিলে এগৰাকী ছাত্ৰীয়ে। উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত ধুবুৰী জিলাৰ গৌৰীপুৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰী নান্সী খেতোৱাতে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হয়। ধুবুৰী চহৰৰ ৫ নং ৱাৰ্ডৰ বাসিন্দা তথা প্ৰতিষ্ঠিত ব্যৱসায়ী সন্তোষ কুমাৰ খেতোৱাত আৰু সুনিতা খেতোৱাতৰ কনিষ্ঠ কন্যা নান্সী খেতোৱাত। বাণিজ্যিক বিভাগত ENGL ত ৯৫ নম্বৰ ALTE ত ৯২, ACOU ত ৯৫, BUST ত ৯২, BMST ৯৯ আৰু ECON ৫৯ অৰ্থাৎ সৰ্বমুঠ ৪৭৩ নম্বৰ লাভ কৰি চতুৰ্থস্থান লাভ কৰে ছাত্ৰী গৰাকীয়ে । ফলাফল ঘোষিত হোৱাৰ লগে লগে গৌৰীপুৰ প্ৰমথেশ চন্দ্ৰ বৰুৱা মহাবিদ্যালয়ত এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হয়। ফুলৰ থোপা, জাপি আৰু ফুলাম গামোচাৰে নান্সী খেতোৱাতক আদৰণি জনায় মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী তথা প্ৰবক্তা সকলে।

## উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা-২০২২ৰ ফলাফলৰ বাণিজ্য শাখা দহটা স্থান লাভ কৰা শিক্ষাৰ্থীসকল

| স্থান | পৰীক্ষাৰ্থীৰ নাম, প্ৰতিষ্ঠান | মুঠ নং |
|---|---|---|
| ১ম | **সাগৰ আগৰৱাল** (ইংৰাজী, অলটি, ইকন'মিকছ, বিজনেচ, মেটছ, একাউণ্টেন্সি) বিবেকানন্দ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, চাচৰ | ৪৮২ |
| ২য় | **মনোচজ্যোতি বৰঠাকুৰ** (ইংৰাজী, অলটি, একাউটেন্সি, বিজনেচ, অৰ্থনীতি) ক্ৰিচেণ্ট একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, যোৰহাট | ৪৭৬ |
| ৩য় | **নিখিল গুপ্তা** (ইংৰাজী, অলটি, একাউটেন্সি, মেটছ, বিজনেচ, অৰ্থনীতি) আৰডি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, তিনিচুকীয়া | ৪৭৪ |
| ৪ৰ্থ | **নেনচি খেটাৱাট** (ইংৰাজী, অলটি, একাউটেন্সি, বিজনেচ, বিএমএছটি) পিবি কলেজ, ধুবুৰী | ৪৭৩ |
| | **প্ৰিয়াংশী ঘোষ** (ইংৰাজী, অলটি, একাউটেন্সি, বিজনেচ, অৰ্থনীতি, ফাইনচ) পিআৰ গভ্ এইছএছ এণ্ড এমপি স্কুল, গোৱালপাৰা | ৪৭৩ |
| ৫ম | **প্ৰথম আগৰৱালা** (ইংৰাজী, অলটি, বিএমএছটি, বিজনেচ, অৰ্থনীতি) শিৱসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, শিৱসাগৰ | ৪৭২ |
| ৬ষ্ঠ | **মৃণাল ৰয়** (ইংৰাজী, মেটছ, ফাইনচ, বিজনেচ, অৰ্থনীতি) পিআৰ গভ্ এইছএছ এণ্ড এমপি স্কুল, গোৱালপাৰা | ৪৬৮ |
| | **দীপক লোড়া** (ইংৰাজী, অলটি, একাউটেন্সি, বিজনেচ, বিএমএছটি, অৰ্থনীতি) কেচি দাস কমাৰ্চ কলেজ, কামৰূপ (মেট্ৰ') | ৪৬৮ |
| ৭ম | **বন্দনা বৰদেৱা** (ইংৰাজী, অলটি, বিএমএছটি, একাউণ্টেন্সি, বিজনেচ, অৰ্থনীতি) শিৱসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, শিৱসাগৰ | ৪৬৬ |
| ৮ম | **চিমৰন সুৰানা** (ইংৰাজী, অলটি, একাউটেন্সি, বিজনেচ, অৰ্থনীতি) নগাঁও গভ্ বইছ এইছ এছ স্কুল, নগাঁও | ৪৬৫ |
| ৯ম | **চন্দন বৰা** (ইংৰাজী, অসমীয়া, একাউটেন্সি, বিজনেচ, বিএমএছটি, ফাইনচ) গীতাঞ্জলি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, নগাঁও | ৪৬১ |
| ১০ম | **প্ৰিয়াংসু দাস** (ইংৰাজী, অলটি, একাউটেন্সি, বিজনেচ, বিএমএছটি অৰ্থনীতি) সোণাৰী কমাৰ্চ কলেজ, চৰাইদেউ | ৪৬০ |

## চিৰাঙত উচ্চতৰ মাধ্যমিক ফলাফলত ৮৮.২৭ শতাংশ, বিজ্ঞান শাখাত ৭৩.২৯ শতাংশ উত্তীৰ্ণৰ হাৰ

### বাসুগাওঁ কেন্দ্ৰত ষ্টাৰ প্ৰাপ্ত শিক্ষাৰ্থী মুঠ ৬জন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাওঁ, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ চুড়ান্ত পৰীক্ষাৰ ফলাফলত বাসুগাওঁ কেন্দ্ৰৰ পৰা কলা আৰু বিজ্ঞান শাখাত মুঠ ৬ গৰাকী পৰীক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। বিজ্ঞান শাখাত ষ্টাৰ নম্বৰসহ মুঠ ৯গৰাকীয়ে প্ৰথম বিভাগত,২৪ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু তৃতীয় বিভাগত মুঠ ৩১ গৰাকী সহ কাউন্সিলৰ মুঠ ৯২.১৯ শতাংশৰ বিপৰীতে ৮৭.১৭ শতাংশ উত্তীৰ্ণ হয়। আনহাতে কলা শাখাত ষ্টাৰ নম্বৰ সহ ৪০ গৰাকীয়ে প্ৰথম বিভাগত,৬৫ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু তৃতীয় বিভাগত ৫৬ গৰাকী সহ কাউন্সিলৰ ৮৩.৪৮ শতাংশৰ বিপৰীতে ৭২.৮১ শতাংশ উত্তীৰ্ণ হয়। ইয়াৰ লগতে বাসুগাওঁ ছিনিয়ৰ চেকেণ্ডাৰী স্কুল কেন্দ্ৰৰ পৰা ৫২.৯৪ শতাংশ উত্তীৰ্ণ হয়। উল্লেখযোগ্য যে সমগ্ৰ চিৰাঙত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ৩০৭ ৰ বিপৰীতে ২৭১ গৰাকী সফল পৰীক্ষাৰ্থীৰ সৈতে মুঠ ৮৮.২৭ শতাংশ বিজ্ঞান শাখাত আৰু ২৭৭১ ৰ বিপৰীতে ২০৩১ গৰাকী কলা শাখাত উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ সৈতে ৭৩.২৯ শতাংশ উত্তীৰ্ণৰ হাৰ।

## চি ভি ৰমণ একাডেমীৰ ১০০ শতাংশ উত্তীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বৰপেটাৰ ভেল্লাৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান চি ভি ৰমণ একাডেমীয়ে উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। একাডেমীখনে ১০০ শতাংশ উত্তীৰ্ণৰে সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে। একাডেমীখনৰ পৰা এইবেলি ৫৬ গৰাকী শিক্ষাৰ্থীয়ে বিজ্ঞান শাখাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। আৰু আটাইকেইগৰাকী শিক্ষাৰ্থীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰ ভিতৰত ৪৪ গৰাকীয়ে প্ৰথম বিভাগত, ১১ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। উল্লেখযোগ্য যে চি ভি ৰমণ একাডেমীৰ ৫৬ গৰাকী উত্তীৰ্ণ শিক্ষাৰ্থীৰ ভিতৰত ৭ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ মাৰ্ক লাভ কৰে। একাডেমীখনৰ এই সাফল্যত একাডেমীখনৰ লগতে অভিভাৱক সকলে সন্তোষ প্ৰকাশ কৰে। তদুপৰি আগন্তুক দিনত উৎকৃষ্ট ফলাফল দেখুৱাবলৈ প্ৰচেষ্টা অব্যাহত থাকিব বুলি একাডেমী কৰ্তৃপক্ষই জনায়।

### আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ সন্তান চন্দনৰ বাণিজ্য শাখাত নৱম স্থান দখল

## লক্ষ্য যদি স্থিৰ হয় আৰ্থিক দীনতা হেঙাৰ হ'ব নোৱাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ জুন ঃ** লক্ষ্য যদি স্থিৰ হয় আৰু আত্মবিশ্বাস যদি দৃঢ় হয় তেনেহ'লে কোনো বাধাই মানুহৰ সফলতাৰ পথ ৰুদ্ধ কৰিব নোৱাৰে ।বঢ়মপুৰৰ মাজপোতনি গাঁৱৰ চন্দন বৰাই এই কথাকেই পুনৰ প্ৰমাণ কৰি দেখুৱালে। বঢ়মপুৰৰ মাজপোতনি গাঁৱৰ হৰেণ বৰা আৰু নমিতা বৰাৰ সন্তান চন্দন বৰাই এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাণিজ্য শাখাত নৱম স্থান লাভ কৰি সমগ্ৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে । আৰ্থিক দৈন্যৰ বাবে চন্দনৰ পিতৃ হৰেণ বৰাই হায়দৰাবাদত ছিকিউৰিটি গাৰ্ডৰ চাকৰি কৰি পৰিয়াল পোহপাল দি আহিছে । আজি পুৱা পুত্ৰ চন্দনৰ ফলাফলৰ বাতৰি লাভ কৰি ফোনতে হুকহুকাই কান্দিলে পিতৃ হৰেণ বৰাই। চন্দনৰ ফলাফলৰ বাতৰিয়ে আৱেগিক কৰি তুলিতে বঢ়মপুৰৰ মাজপোতনি গাঁৱৰ প্ৰতিটো পৰিয়ালৰ লগতে চন্দনে অধ্যয়ণ কৰা গীতাঞ্জলি জুনিয়ৰ কলেজৰ শিক্ষক-শিক্ষয়ত্ৰী তথা ছাত্ৰ-ছাত্ৰীক। সৰুৰে পৰা অত্যন্ত মেধাৱী চন্দন বৰাই এইবাৰ উচ্চতৰ মাধ্যমিকৰ বাণিজ্য শাখাত ৪৬১নম্বৰেৰে দশম স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

## ৰামানুজন একাডেমীত কমলপুৰৰ বিধায়ক দিগন্ত কলিতাৰ সম্বৰ্ধনা স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৭ জুন ঃ** কামৰূপ জিলাৰ বাইহাটাস্থিত ৰামানুজন একাডেমীত আজি কমলপুৰৰ বিধায়ক দিগন্ত কলিতাই উপস্থিত হৈ উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা দুই ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰে। কলা শাখাত প্ৰথম স্থান প্ৰাপ্ত সাধনা দেৱী আৰু অষ্টম স্থান প্ৰাপ্ত নিখিল দাসক শুভেচ্ছা জ্ঞাপন কৰে বিধায়ক গৰাকীয়ে । কমলপুৰ সমষ্টি যেনেকৈ সমগ্ৰ অসমতে জিলিকিবলৈ লৈছে ঠিক তেনেদৰে ৰামানুজন একাডেমীৰ নমো অসমত সোণালী আখৰেৰে জিলিকি থাকিব বুলি উল্লেখ কৰি অধ্যক্ষ মৃদুল শৰ্মাৰ লগতে শিক্ষানুষ্ঠানখনৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু সমূহ কৰ্মচাৰীক ধন্যবাদ জ্ঞাপন কৰে বিধায়ক দিগন্ত কলিতাই। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমূহৰ ফলাফলৰ তুলনাত চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ ফলাফল নিম্নগামী হোৱা বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বিধায়কগৰাকীয়ে কয় যে চৰকাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে স্থান নাপাব পাৰে কিন্তু তুলনামূলকভাৱে ফলাফল ভাল বুলি তেখেতে মন্তব্য প্ৰদান কৰে । ইয়াৰ লগতে যিবিলাক বিদ্যালয়ৰ ফলাফল নিম্নগামী হৈছে গুণোৎসৱৰ জৰিয়তে সেই বিদ্যালয়সমূহক উন্নীতকৰণৰ প্ৰচেষ্টা হাতত লোৱা হৈছে বুলিও দিগন্ত কলিতাই সদৰী কৰে।

## বিজ্ঞান শাখাত ১০০%, কলা শাখাত ৯২% উত্তীৰ্ণৰ হাৰেৰে উজলিল হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৭ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলক লৈ উৎফুল্ল হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়। বিজ্ঞান শাখাত ১০০ক্স,কলা শাখাত ৯২ক্স উত্তীৰ্ণৰ হাৰৰে বিদ্যালয়খনৰ চৌহদত বিৰাজ কৰিছে আনন্দৰ পাৰ ভঙা উচাহ। এইবেলি হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখাত মুঠ ৩১ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ২১ গৰাকীয়ে প্ৰথম বিভাগত,১০ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে।আনফালে কলা শাখাত মুঠ ১২৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ০৭ গৰাকীয়ে ষ্টাৰ মাৰ্ক,৩৩ গৰাকী প্ৰথম বিভাগত,৬৮ গৰাকী দ্বিতীয় বিভাগত,আৰু ০৭ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। অৱশ্যে চৰকাৰী বিদ্যালয়খনৰ পুতৌলগা অৱস্থাৰ পিছতো আশানুৰূপ ফলাফল লাভ কৰি উৎফুল্ল বিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰীবৃন্দ।

### দহ বছৰে কেবিনেট মন্ত্ৰী হৈ আমাৰ ৰাস্তাটো বনাব নোৱৰাটো দুৰ্ভাগ্যজনক

# মহুৰামুখৰ পাঠৰি চেলেক গাঁৱৰ জৰাজীৰ্ণ পথ মেৰামতি কৰিলে ৰাইজে



**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৭ জুন ঃ** দুসুঁতিমুখ গাঁও পঞ্চায়তৰ অন্তৰ্গত ২নং পাঠৰি চেলেক গাঁৱৰ যাতায়াতৰ একমাত্ৰ পথটো দুৰৱস্থাৰ বাবে যাতায়াতৰ ক্ষেত্ৰত যমৰ-যাতনা ভুগিছে অঞ্চলবাসীয়ে। উল্লেখ যে দেওবাৰে গাঁওখনৰ জৰাজীৰ্ণ পথটো দুই নং পাঠৰি চেলেক গাঁৱৰ যুৱক সংঘৰ উদ্যোগত ৰাইজৰ সহযোগত মেৰামতি কৰে। দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো গাঁওখনৰ মূল পথটো নিৰ্মাণৰ ক্ষেত্ৰত সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাই কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। আজি পথ মেৰামতিত লিপ্ত ৰাইজে অঞ্চলটোৰ সমষ্টিৰ বিধায়কগৰাকীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে 'আমি লাজ পাইছো, আমাৰ সমষ্টিত এগৰাকী মন্ত্ৰী থাকিও আমাৰ ৰাস্তাটোৰ এই দুৰৱস্থা। অতুল বৰা ছাৰে নিজেই লাজ পাব লাগে, কাৰণ এই ৰাস্তাটোৰে ছাত্ৰ-ছাত্ৰী, ৰোগীসকল যাব নোৱাৰে। গাড়ী নাহে, গৰ্ভৱতী মহিলাক বাৰিষা ঠেলাত নিব লাগে। এইটো আমাৰ বিষয়ে লাজৰ কথা নহয়, এইটো অতুল বৰাৰ ছাৰৰ বাবেহে লাজৰ বিষয়। কাৰণ দহ বছৰ কেবিনেট মন্ত্ৰী হৈ ছাৰে আমাৰ ৰাস্তাটো বনাব নোৱৰাটো দুৰ্ভাগ্যজনক।' আনহাতে, পাঠৰি চেলেক গাঁৱৰ একমাত্ৰ জৰাজীৰ্ণ পথটো মেৰামতিৰ কৰিবৰ বাবে দুসুঁতিমুখ পঞ্চায়ত প্ৰতিনিধিগৰাকীক আৱেদন-নিৱেদন কৰিছে যদিও গাঁওখনৰ একমাত্ৰ পথটো উন্নয়নৰ বিষয়টো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ ৰাইজৰ।

## নুমলীগড়ত অসম নেপালী সাহিত্য সভাৰ 'সাহিত্য জাগৰণ অভিযান' সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৭ জুন ঃ** অসম নেপালী সাহিত্য সভা(অনেসাস)ৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত দেওবাৰে নুমলীগড়ৰ গোৰ্খা সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ সভাগৃহত 'সাহিত্য জাগৰণ অভিযান' শীৰ্ষক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান সম্পন্ন হয়। অনেসাসৰ গোলাঘাট জিলা সমিতিৰ সভাপতি গোপাল শ্ৰেষ্ঠৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্যসূচীৰ আঁত ধৰে জিলা সম্পাদক শোভিতমান বিষ্টই। অনুষ্ঠানত উপস্থিত ৰাইজৰ মাজত মত-বিনিময় অনুষ্ঠান সম্পন্ন হয়। ইয়াৰ পাছতে অনেসাস গোলাঘাট জিলা সমিতিয়ে লোৱা 'সাহিত্য জাগৰণ অভিযান'ৰ বিষয়ে বিশদ বক্তব্য সম্পাদক বিষ্টই দাঙি ধৰে। অনুষ্ঠানত অনেসাস কেন্দ্ৰীয় সমিতিৰ সম্পাদক পুষ্পৰাজ শ্ৰেষ্ঠ, গোলাঘাট জিলাৰ উপ-সভাপতি ধন প্ৰসাদ লিম্বু, গোৰ্খা সন্মিলনৰ গোলাঘাট জিলা সমিতিৰ সভাপতি কাজিমান বিষ্ট, বৰংং শাখাৰ সভাপতি চন্দ্ৰ প্ৰসাদ উপাধ্যায়, গোলাঘাট জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক সুভাষ ছেত্ৰী, কাৰ্যালয় সম্পাদক কেশৱ উপাধ্যায়, মৰঙি অঞ্চলিক সভাপতি সুজিত ছেত্ৰী, প্ৰগতি গোৰ্খা সমাজৰ সভাপতি দীপক ছেত্ৰী, গোৰ্খাপট্টি শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক শংকৰ ছেত্ৰী, সমাজকৰ্মী সূৰ্য ছেত্ৰী, পাৰ্বতী ছেত্ৰীকে আদি কৰি গণ্য-মান্য ব্যক্তিসকলে বক্তব্য দাঙি ধৰি গোলাঘাট জিলা অনেসাসৰ এই পদক্ষেপক আদৰণি জনোৱাৰ লগতে পূৰ্ণ সহযোগিতা আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে দীপক ছেত্ৰীক সভাপতি, শংকৰ ছেত্ৰীক কাৰ্যকৰী সভাপতি তথা কেশৱ উপাধ্যায়ক সাধাৰণ সম্পাদকৰূপে লৈ অনেসাসৰ এটি ৩১জনীয়া পূৰ্ণাংগ বৰংং শাখা সমিতি গঠন কৰা হয়। একেদিনে অনুষ্ঠান বৰেখা কৰি হৰিভক্ত কটোৱালৰ ৮৮সংখ্যক জন্ম জয়ন্তী অহা দুই আৰু তিনি জুলাইত জিলাস্তৰীয় কাৰ্যসূচীৰে নুমলীগড়ত অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। অসমীয়া গোৰ্খা জনগোষ্ঠীৰ ভাষা-সাহিত্যৰ ক্ষেত্ৰত অহৰহভাৱে কাম কৰি যোৱা অসম নেপালী সাহিত্য সভাৰ এনে মহৎ পদক্ষেপৰ বিভিন্ন মহলে আদৰণি জনাইছে।

## মাজুলী জিলাত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছবিৰোধী দিৱস উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৭ জুন ঃ** অসম ৰাজ্যিক নিচামুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ, মাজুলী জিলা সমিতিৰ উদ্যোগত আৰু মাজুলী জিলা সমাজ কল্যাণ বিভাগৰ সহযোগত চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত এখনি সজাগতামূলক সভা অনুষ্ঠিত হয়। উক্ত সভাখনিত সভাপতিত্ব কৰে ৰাৱনাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিলীপ মহন্তই। সজাগতামূলক সভাখনত নৱ-প্ৰজন্মৰ বৃহৎ সুৰক্ষাৰ স্বাৰ্থত মৰাত্মক ড্ৰাগছ সেৱনৰ ভয়াৱহতা আৰু ইয়াৰ অন্ধকাৰ ভৱিষ্যতৰ সন্দৰ্ভত নৱ-প্ৰজন্মক উদ্দেশ্যি মাজুলী জিলা সমাজ কল্যাণ বিষয়া আৰু সহকাৰী আয়ুক্ত দেৱ নাৰায়ণ হাজৰিকাই বক্তব্য আগবঢ়ায়। সভাখনত মাজুলী জিলাৰ জ্যেষ্ঠ চিকিৎসক মাণিক মিলি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নৱ-প্ৰজন্মক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। লগতে তেওঁ কণ্ঠদান কৰা এটি নিচাযুক্ত দ্ৰব্যৰ সজাগতামূলক গীত উন্মোচন কৰে। মাজুলীৰ জ্যেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়া, সমাজ কল্যাণ বিভাগৰ মাজুলী প্ৰকল্পৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া, ৰাৱনাপাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ লগতে অংগনৱাড়ী কৰ্মীসকল, গাঁওৰক্ষী বাহিনীৰ সদস্য, স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাত উক্ত সভাখন সম্পন্ন হয়। অসম ৰাজ্যিক নিচামুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ মাজুলী জিলাৰ মাণ্ডলিক সংগঠক ৰূপম শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়।

## বিশ্বনাথত আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ বিৰোধী দিৱস উদযাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৭ জুন ঃ** বিশ্বনাথ আৰক্ষীৰ উদ্যোগত আৰু বিশ্বনাথ মহাবিদ্যালয়ৰ সহযোগত দেওবাৰে আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছবিৰোধী দিৱস বিশ্বনাথ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে বাটৰ নাটো অনুষ্ঠিত কৰে বিশ্বনাথ চাৰিআলিৰ পুলিচ পইণ্টত। আনহাতে বিশ্বনাথ জিলা জনকল্যান বিভাগ আৰু বিশ্বনাথ জিলা নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী সমিতিৰ যুটীয়া উদ্যোগত গ্ৰীণবাৰ্ড উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজক লৈ ড্ৰাগছৰ বিৰুদ্ধে ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। সভাত জনকল্যাণ বিষয়া, বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ৰ চিকিৎসক দীপজ্যোতি দেউৰী, বিশ্বনাথ জিলাৰ জিলা অধীক্ষকৰ হৈ পৰিদৰ্শক চৰিফুল ৰহমান, পঞ্চায়ত সভাপতি ক্ৰমে যুথিষ্ঠিৰ মহানন্দ, সুজিত ভূমিজ আদি ব্যক্তিসকল উপস্থিত থাকে আৰু বক্তৃব্য আগবঢ়ায়। লগতে ছাত্ৰ-ছাত্ৰীৰ নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু ইয়াৰ ভয়াৱহতাৰ ওপৰত দুটা শাখাত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

## বিহালীত হৰিণাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৭ জুন ঃ** ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীৰ বাবে কাজিৰঙা ষষ্ঠ সংযোজনৰ পৰা খাদ্যৰ অভাৱত ওলাই অহা এটা হৰিণা বিহালীৰ ৰাংছালী আদৰ্শ গাঁৱত ৰাইজে জীৱন্ত ভাৱে উদ্ধাৰ কৰে। ৰাংছালী গাঁৱৰ নিবাসী কাৰ্তিক দাসে প্ৰথমে হৰিণাটো প্ৰত্যক্ষ কৰি ৰাইজৰ সহযোগত ধৰি বিহালী আৰক্ষী, বিহালীৰ বন বিভাগ আৰু গাঁও ৰক্ষী বাহিনীক খবৰ দিয়াত বিহালী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৰেন গগৈ আৰু বন বিভাগৰ লোক উপস্থিত হয়। ৰাইজে হৰিণাটো জীৱিত অৱস্থাত উদ্ধাৰ কৰে যদিও হৰিণাটোৰ চকু দুটাত বান্ধি থোৱা গামোচাখন আঁতৰাই দিয়াত মৃত্যু ঘটে। ইফালে মৃত হৰিণাটো বন বিভাগৰ লোকে বিহমাৰী পশু চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে লৈ যায়।

## মৈৰাবাৰীত আম আদমি পাৰ্টীৰ যোগদান কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৭ জুন ঃ** এ আই ইউ ডি এফ দলৰ দখলত থকা ধিং বিধানসভা সমষ্টিৰ অন্তৰ্গত মৈৰাবাৰী মৌজাৰ লোচনাবড়ী গাঁও পঞ্চায়তৰ বৰ্তমান কাৰ্যকালৰ সভাপতি দিলদাৰ হুছেইন তিনিজন ৱাৰ্ড সদস্যসহ প্ৰায় দুই শতাধিক লোক আম আদমি পাৰ্টীত যোগদান কৰে। কংগ্ৰেছ, এ আই ইউ ডি এফ দলৰ পৰা অহা কৰ্মী সকলে আজি মৈৰাবাৰী পাব্লিক লাইব্ৰেৰীত আয়োজিত আম আদমি পাৰ্টীৰ সভাত আনুষ্ঠানিক ভাৱে যোগদান কৰাৰ বিষয়টো ধিং সমষ্টিৰ ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ বিষয় হৈ পৰিছে। ইপিনে এই যোগদান কাৰ্যসূচী সম্পন্ন কৰাৰ পাছত আম আদমি পাৰ্টীৰ মুপাত্ৰ কমল কুমাৰ মেধিয়ে ভাষণ প্ৰসংগত কয় 'মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা হ'ল বিধায়ক কিনা-বেচা কৰাৰ চৰ্দাৰ।' বৰ্তমান অসমৰ ভয়াৱহ বানপানীৰ সময়ত মুখ্যমন্ত্ৰীগৰাকী মহাৰাষ্ট্ৰৰ বিধায়কসকলক লৈ ব্যস্ত হৈ পৰিছে। আম আদমি পাৰ্টীয়ে এনে লেতেৰা ৰাজনীতিৰ বিৰুদ্ধে মাত মাতি যাব। আম আদমি পাৰ্টীৰ প্ৰথমৰ পৰাই দলৰ কাম কৰি অহা ধিং সমষ্টিৰ আহবায়ক আবু হানিফৰ সভাপতিত্বত মৈৰাবাৰী পাব্লিক লাইব্ৰেৰীত আয়োজিত এই যোগদান সভাই ধিং সমষ্টিৰ ৰাজনৈতিক বতাহ গৰম কৰি তুলিছে।

## কচুপথাৰ শংকৰদেৱ শিশু নিকেতনত বৰ্ণাঢ্য কাৰ্যসূচীৰে অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন

### শিক্ষকৰ ত্যাগৰ বিনিময়ত মানৱ সম্পদ গঢ়িব পাৰি ঃ অৱসৰপ্ৰাপ্ত শিক্ষক তৰুণ কন্দলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৭ জুন ঃ** গোলাঘাট জিলাৰ খুমটাইৰ কচুপথাৰত দেওবাৰে কচুপথাৰ শংকৰদেৱ শিশু নিকেতনৰ উদ্যোগত নিকেতনখনৰ পৰা ২০২১-২২ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন আৰু সম্বৰ্ধনা জনায়। পুৱা নিকেতনখনৰ আচাৰ্যাসকলে পৰিৱেশন কৰা কোৰাছেৰে উদ্বোধন কৰা সভাখন সঞ্চালনা কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তৰুণ কন্দলীয়ে। আচাৰ্যা দৃষ্টি ৰূপা গগৈ বৰা আৰু ইৰাছমণি লাহনে আঁত ধৰা সভাখনত নিকেতনখনৰ পৰা ২০২১-২২ বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ হৈ নিকেতনখনলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ ফুলাম গামোচা, অভিনন্দন-পত্ৰ, কলম, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনায়। সভাত কচুপথাৰ গাঁও পঞ্চায়তৰ সভাপতি পুষ্পকান্ত কুৰ্মী, শংকৰদেৱ শিশু নিকেতনৰ উপ-সভাপতি যতীন গগৈ, মেলামৰা কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰৱক্তা কুমুদ বৰা, শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্যা ৰজিতা মাহাত্ব, প্ৰাক্তন আচাৰ্য প্ৰতাপ বৰা, সাংবাদিক চন্দন বৰা, মেলামৰা কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা ভৱানী বাইলুং, আচাৰ্যা ইৰাছমণি লাহন, সমাজকৰ্মী ভদ্ৰেশ্বৰ কৰ্মী আদিয়ে সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকলক তত্ত্বগধুৰ আৰু শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। সভাৰ সঞ্চালকৰ মন্তব্যত অৱসৰপ্ৰাপ্ত শিক্ষক তৰুণ কন্দলীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্য তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰাৰ উপৰি আচাৰ্য-আচাৰ্যাসকলৰ উদ্দেশ্যি কয় যে এগৰাকী শিক্ষকৰ ত্যাগৰ বিনিময়ত মানৱ সম্পদ গঢ়িব পাৰি আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে মানৱ সম্পদ গঢ়িবলৈ কষ্ট স্বীকাৰ কৰিব পাৰিব লাগিব। আনহাতে, এই সভাতেই কমাৰগাঁও মহাবিদ্যালয়ৰ কৰ্মচাৰী পংকজ বৰুৱাই ২০২২ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ অংকুৰ ৰাজখোৱাক গামোচা আৰু কিতাপৰ টোপোলাৰে বিশেষভাৱে সম্বৰ্ধনা জনায়। সভাখনত নিকেতনখনৰ আচাৰ্যা আৰু ছাত্ৰ-ছাত্ৰীসকলে গীত, নৃত্য, ৰাভা সংগীত আদি পৰিৱেশন কৰাৰ লগতে ছাত্ৰী তেজশ্ৰী বৰাই বিদ্যালয়, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যি ভাষণ প্ৰদান কৰি অনুষ্ঠানটি জীপাল কৰি তোলে।

## পৰিৱেশ মিত্ৰ বঁটাপ্ৰাপক অৰ্কিড মেন ক্ষিয়ণজিৎ গগৈক বিপুল সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৭ জুন ঃ** পাঁচশৰো অধিক বিভিন্ন প্ৰজাতিৰ অৰ্কিড উদ্ধাৰ, সংৰক্ষণ আৰু সংবৰ্ধনৰ কামত দীৰ্ঘদিনৰ পৰা প্ৰচাৰ বিমুখভাৱে আত্মনিয়োগ কৰাৰ লগতে গছপুলি ৰোপণেই নিজৰ জীৱনৰ ব্ৰত হিচাপে পালন কৰি অহা তিনিচুকীয়া জিলাৰ টিপুক দাই চাজান নিৱাসী বিশিষ্ট প্ৰকৃতি প্ৰেমী অৰ্কিডমেন হিচাপে খ্যাত অসম চৰকাৰৰ দ্বাৰা পৰিৱেশ মিত্ৰ বঁটাৰে সন্মানিত কৰা ক্ষিয়ণজিৎ গগৈক আজি কাকপথাৰৰ অগ্ৰগনী স্বেচ্ছাসেৱী অনুষ্ঠান অভিৰুচি ক্লাৱে বিপুলভাৱে সম্বৰ্ধনা জনায়। ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী টকৌ পথাৰ বাইপাছৰ পৰা শদিয়া সংযোগী ভূপেন হাজৰিকা সেতুলৈকে গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা স্বেচ্ছাসেৱী সংগঠনটোৱে আজি টকৌপথাৰ বাইপাছৰ সমীপত অনুষ্ঠিত কৰা গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণী অনুষ্ঠানত অৰ্কিড মেন ক্ষিয়ণজিৎ গগৈক গামোচা, চেলেং চাদৰ, শৰাই, স্মাৰক আৰু এখন সম্বৰ্ধনা-পত্ৰৰে সম্বৰ্ধনা জনায়। এই অনুষ্ঠানতে অৰ্কিড ছ'চাইটী অৱ ইষ্টাৰ্ণ হিমালয়, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলা সমিতি, কাকপথাৰ আঞ্চলিক সমিতি, কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা আদিয়ে ক্ষিয়ণজিৎ গগৈক গামোচা, চেলেং চাদৰ আৰু জাপিৰে সম্বৰ্ধনা জনায়। স্বেচ্ছাসেৱী সংগঠনটোৰ সঞ্চালক মানস প্ৰতিম দত্তই আঁত ধৰা এই অনুষ্ঠানত অৰ্কিড ছ'চাইটী অৱ ইষ্টাৰ্ণ হিমালয়ৰ উপ-সভাপতি দেৱজিৎ ডেকা, বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক তথা পৰিচালক জয়চেং জয় দহোটীয়া, কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্ত, যুৱ-ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সোণমণি চলিহা, কাকপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নবীন চেতিয়া, বিশিষ্ট চিকিৎসক তথা সমাজসেৱক অজিত বৰুৱা আদি বহু লোক উপস্থিত থাকে। সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে ক্ষিয়ণজিৎ গগৈয়ে গছপুলি ৰোপণৰ কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছতে উপস্থিত সকলো ৰাইজে নিজৰ নিজৰ নামফলক লগাই পথৰ দুয়োকাষে গছপুলি ৰোপণ কৰে । উল্লেখযোগ্য যে কাকপথাৰৰ উদীয়মান পৰিৱেশ কৰ্মী চাও নীপ হেন্দ্ৰিকচৰ প্ৰচেষ্টাত ইতিমধ্যে কাকপথাৰ অঞ্চলৰ বিভিন্ন স্থানত গছপুলি ৰোপণ কৰাৰ লগতে কাকপথাৰ ৰাজহুৱা খেলপথাৰৰ চাৰিওকাষে গছপুলি ৰোপণৰ দায়িত্ব গ্ৰহণ কৰাৰ সমান্তৰালভাৱে টকৌপথাৰ-তালাপ সংযোগী বাই পাছত গছপুলি ৰোপণ কৰি ডাঙৰ হোৱালৈকে দায়িত্ব গ্ৰহণ কৰে । যুৱকজনৰ এই কাৰ্যৰ সচেতন মহলে শলাগ লৈছে।



## ছ'চাইটী ফৰ বেটাৰ ট্যুম'ৰোৰ উদ্যোগত শৈক্ষিক সজাগতা সভা

### পঢ়া আৰু সংখ্যা জ্ঞান দিয়াৰ উদ্দেশ্যে গ্ৰীষ্মকালীন শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৭ জুন ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ২০০৮ নং উত্তৰ বিছপানী প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক ছ'চাইটী ফৰ বেটাৰ ট্যুম'ৰোৰ উদ্যোগত বিনামূলীয়াকৈ ১০দিনীয়া গ্ৰীষ্মকালীন পাঠদান শিবিৰৰ শুভাৰম্ভ কৰা হয়। ৰাজ্যৰ বিভিন্ন জিলাত বানপানীৰ ভয়াৱহতাৰ লগত সংগতি ৰাখি অসম চৰকাৰে বিদ্যালয়সমূহ আগতীয়াকৈ গ্ৰীষ্মকালীন বন্ধ ঘোষণা কৰিছে, তাৰ লগতে বিশ্ব সন্ত্ৰাস মহামাৰী কৰ'না ভাইৰাছে বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ প্ৰতি যথেষ্ট ক্ষতি কৰিছিল। তাৰ প্ৰতি লক্ষ্য ৰাখি কণ কণ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি, পঢ়া আৰু সংখ্যাৰ জ্ঞান দিৱলৈ ওলাই আহিল, শিক্ষাৰ জাগৰণ সৃষ্টি কৰা, ছ'চাইটী ফৰ বেটাৰ ট্যুম'ৰো নামৰ সংস্থাই। আজি এক শৈক্ষিক সজাগতা সভাৰে শুভাৰম্ভ কৰে গ্ৰীষ্মকালীন পাঠদান শিবিৰটোৰ। ছ'চাইটী ফৰ বেটাৰ ট্যুম'ৰোৰ শৈক্ষিক সজাগতা সভাত উপস্থিত থাকে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সদৌ বি টি চি সংখ্যালঘু ছাত্ৰ সন্থাৰ চমুকৈ এবিএমছুৰ শালবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক আব্দুল লতিফ আৰু স্থানীয় শিক্ষিত যুৱক-যুৱতী আৰু ছ'চাইটী ফৰ বেটাৰ ট্যু'মৰোৰ সভাপতি, আমিনুৰ ৰহমান,বি বি কে মহাবিদ্যালয়ৰ অধ্যাপক, ছ'চাইটী ফৰ বেটাৰ ট্যু'মৰোৰ সংস্থাৰ সাধাৰণ সম্পাদক তাইজুদ্দিন আহমেদ, অধ্যাপক ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়, ছ'চাইটী ফৰ বেটাৰ ট্যু'মৰোৰ সদস্য, ড° শেখ ফাৰুক অধ্যাপক, নাগালেণ্ড।

## নগাঁও সদৰ সমষ্টিৰ বানপীড়িত ৰাইজৰ সুবিধা-অসুবিধাৰ বুজ ল'লে বিধায়ক ৰূপক শৰ্মাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ জুন ঃ** চলিত বৰ্ষৰ দ্বিতীয়টো বানে ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে নগাঁও জিলাতো ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰে। শেহতীয়া বানে নগাঁও জিলাৰ বিভিন্ন স্থানৰ লগতে সদৰ সমষ্টিতো যথেষ্ট ক্ষতিসাধন কৰিছে। বৰ্তমান কলং নৈৰ জলপৃষ্ঠ কিছু হ্ৰাস পাইছে যদিও সমষ্টিটোৰ বহু স্থান এতিয়াও জলমগ্ন হৈ আছে। ভয়াৱহ বানৰ কবলৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে সমষ্টিটোৰ বিভিন্ন স্থানৰ বানপীড়িত ৰাইজে শিবিৰৰ লগতে পদপথ আদিত আশ্ৰয় ল'বলগীয়া পৰিৱেশৰ সৃষ্টি হৈছে। সমষ্টিটোৰ ৰজাভেটি, ৰণথলী, আদৰ্শ গাঁও, জলাহ, পশ্চিম জলাহকে ধৰি বিভিন্ন অঞ্চল বাঢ়নী পানীয়ে প্লাৱিত কৰাৰ ফলত উক্ত অঞ্চলসমূহৰ বহু লোক বঢ়মপুৰৰ শ্বহীদ ভৱন আৰু ইয়াৰ আশে পাশে আশ্ৰয় লৈ আছে । আজি বঢ়মপুৰত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা উপস্থিত হৈ শ্বহীদ ভৱন আৰু বিভিন্ন স্থানত আশ্ৰয় লৈ থকা বানপীড়িত ৰাইজৰ সুবিধা-অসুবিধাৰ বুজ লয়। বিধায়ক শৰ্মাই বন্যাৰ্তসকলৰ মাজত কিছু অত্যাৱশ্যকীয় সামগ্ৰীও বিতৰণ কৰে। তদুপৰি বন্যাৰ্তসকলৰ পশুধনসমূহৰ খাদ্যৰ ক্ষেত্ৰতো বিধায়কগৰাকীয়ে ব্যৱস্থা গ্ৰহণ কৰে। বানপীড়িত ৰাইজৰ কাষত উপস্থিত হৈ বিধায়কগৰাকীয়ে কয় যে আশাকৰো সোনকালেই পূৰ্বৰ স্বাভাৱিক পৰিৱেশ ঘূৰি আহিব আৰু বানৰ কবলত পৰি শিবিৰ বা আন ঠাইত আশ্ৰয় ল'বলগীয়া হোৱা বন্যাৰ্তসকল নিজ গৃহলৈ উভতি যাব। ইপিনে কালিও বিধায়ক ৰূপক শৰ্মাই সমষ্টিটোৰ বিভিন্ন বানবিধ্বস্ত অঞ্চলসমূহত উপস্থিত হৈ বানপৰিস্থিতিৰ বুজ লোৱাৰ লগতে শিবিৰসমূহ আৰু পদপথত আশ্ৰয় লৈ থকা বানপীড়িত ৰাইজৰ কাষত উপস্থিত হৈ তেওঁলোকৰ সুবিধা-অসুবিধাৰ বুজ লৈ সকাহ দিয়াৰ চেষ্টা কৰাৰ লগতে বানাক্ৰান্ত ৰাইজৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰীও বিতৰণ কৰে। বানপৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰা নগাঁও সদৰ সমষ্টিৰ বানাক্ৰান্ত ৰাইজৰ কাষলৈ গৈ বিধায়ক শৰ্মাই ৰাইজৰ সুবিধা-অসুবিধাৰ বুজ লোৱাৰ লগতে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে।

## নিৰ্মলপ্ৰভা বৰদলৈৰ স্মৃতিচাৰণ 'গীত আৰু কবিতাৰ দিন' উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২৭ জুন ঃ** ২৬-৬-২০২২ তাৰিখে 'লেখিকা সংস্থা, অসম'ৰ উদ্যোগত সৰস্বতী উপাধি বিভূষিতা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ স্মৃতিচাৰণ 'গীত আৰু কবিতাৰ দিন' উদ্‌যাপন কৰা হয়। লাষ্টগেট নামঘৰৰ ৰংগ মঞ্চত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত সংস্থাৰ সভাপতি মৃদুলা শৰ্মাকে প্ৰমুখ্য কৰি সংস্থাৰ উপদেষ্টা, বিশিষ্ট সাহিত্যিক হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, সংস্থাৰ মুখ্য পৃষ্ঠপোষক আৰু সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী, উপদেষ্টা মঞ্জুলা শৰ্মা ভট্টাচাৰ্য, বিশিষ্ট সাহিত্যিক আৰু শিক্ষাবিদ ড° সুচিত্ৰা কাকতি, সংস্থাৰ প্ৰকাশন বিভাগৰ সভাপতি ড° অসমী গগৈ উপস্থিত থাকে। অনুষ্ঠানটি উদ্বোধন কৰে অসমৰ এগৰাকী প্ৰখ্যাত কণ্ঠশিল্পী মালবিকা বৰাই। সভাৰ আঁত ধৰে সংস্থাৰ প্ৰধান সম্পাদিকা বিজয়া দেৱদাসে। বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিয়ে। এই অনুষ্ঠান উপলক্ষে প্ৰকাশিত অৰ্ধ আকাশ উন্মোচন কৰে মৃণালিনী দেৱীয়ে। সভাত নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱনৰ বিভিন্ন দিশত আলোকপাত কৰে ক্ৰমে ড° সুচিত্ৰা কাকতি, হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, মঞ্জুলা শৰ্মা ভট্টাচাৰ্য, ড° অসমী গগৈয়ে। সংস্থাৰ গুৱাহাটীস্থ শাখাসমূহে নিৰ্মলপ্ৰভা বৰদলৈৰ গীত আৰু কবিতা পৰিৱেশন কৰে । সাংস্কৃতিক কাৰ্যসূচী পৰিচালনা কৰে সংস্থাৰ সাংস্কৃতিক সম্পাদিকা দীপ্তি বৰুৱাই। সংস্থাৰ সভাপতি মৃদুলা শৰ্মাই সভাপতিৰ ভাষণ দিয়াৰ অন্তত সংস্থাৰ সহকাৰী সম্পাদিকা ত্ৰিৱেণী মজুমদাৰে শলাগৰ শৰাই আগবঢ়ায়। জাতীয় সংগীত পৰিৱেশনৰ অন্তত অনুষ্ঠানৰ সামৰণি ঘোষণা কৰা হয়।

## নগাঁও বৃহৎ পৰিমাণৰ নিচাযুক্ত ড্ৰাগ্‌ছ বিনষ্ট

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ জুন ঃ** আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস উপলক্ষে কালি নগাঁও আৰক্ষীয়ে জব্দকৃত ড্ৰাগ্‌ছ বিনষ্টকৰণ অভিযান চলায়। নগাঁও আৰক্ষীয়ে বিগত সময়ত নিচাযুক্ত ড্ৰাগ্‌ছৰ বিৰুদ্ধে চলোৱা অভিযানত জব্দ কৰা বৃহৎ পৰিমাণৰ নিচাযুক্ত ড্ৰাগ্‌ছ আজি জিলাখনৰ বঢ়মপুৰত নিৰ্মিয়মান ষ্টেডিয়ামত বিনষ্ট কৰে। নগাঁও আৰক্ষীয়ে আজি বিনষ্ট কৰা ড্ৰাগ্‌ছ সমূহৰ ভিতৰত আছে হেৰ'ইন ১.৬৫২ কিলোগ্ৰাম, ব্ৰাউন ছুগাৰ ৬৯.৩৩ গ্ৰাম, মৰফিন ২০২ গ্ৰাম, নিচাযুক্ত টেবলেট ১,৬৩,৮৮০টা, কফ চিৰাপ ৭,৯৪৮ বটল আৰু গাঞ্জা ৩৫.৭৪১ কিলোগ্ৰাম। জব্দকৃত ড্ৰাগ্‌ছসমূহৰ কিছুসংখ্যক ৰোলাৰ গাড়ীৰে ধ্বংস কৰাৰ উপৰি আন কিছুমান জব্দকৃত ড্ৰাগছত অগ্নি সংযোগ কৰি আৰক্ষীয়ে বিনষ্ট কৰে। জব্দকৃত ড্ৰাগছ বিনষ্টকৰণ অভিযানত নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলে, অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাৰ লগতে আন কেইবাগৰাকী আৰক্ষী বিষয়াই অংশগ্ৰহণ কৰে।




*'অগ্নিপথ' আঁচনি বাতিলৰ দাবীত লখিমপুৰ জিলা কংগ্ৰেছ সমিতিৰ শান্তিপূৰ্ণ সত্যাগ্ৰহ কাৰ্যসূচী, সোমবাৰে*

### উত্তৰ বংগত সত্ৰীয়া-সংস্কৃতি প্ৰচাৰৰ আঁচনি

## মধুপুৰ সত্ৰ সমিতি আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰশংসনীয় পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৭ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ইহলীলা সম্বৰণ কৰা বৈষ্ণৱ ধৰ্মৰ পীঠস্থান কোচবিহাৰৰ মধুপুৰ সত্ৰক কেন্দ্ৰ কৰি সমগ্ৰ উত্তৰ বংগৰ বিভিন্ন ঠাইত দহ তাতকৈও অধিক নামঘৰ প্ৰতিষ্ঠা কৰা হৈছে। এইনামঘৰ সমূহৰ মাধ্যমেৰে উত্তৰ বংগৰ বিভিন্ন অঞ্চলত বসবাস কৰা মহাপুৰুষ দুজনাৰ একান্ত অনুগামী সকলে সত্ৰীয়া সংস্কৃতিৰ শিক্ষা গ্ৰহণকে ধৰি এই ঐশ্বৰ্যশালী সংস্কৃতি সমূহ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে বিভিন্ন কৰ্মসূচী আৰু প্ৰচেষ্টা চলাই আছে। এনেধৰণৰ বহুমুখী প্ৰচেষ্টাক প্ৰণালীবদ্ধ আৰু বিজ্ঞান সন্মতভাৱে এক সাকাৰ ৰূপ দিয়াৰ লক্ষ্য আগত ৰাখি মধুপুৰ সত্ৰ সমিতিয়ে কেতবোৰ অভিলাসী আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে অহা ৪ জুলাইৰ পৰা ২০ জুলাইলৈ মধুপুৰ সত্ৰ চৌহদত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত বৰগীত আৰু সত্ৰীয়া নৃত্যৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। এই সম্পৰ্কত ইতিমধ্যে মধুপুৰ সত্ৰ সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানী আৰু উপ-সভাপতি বনমালী পাঠক তথা সম্পাদক হৰিদেৱ দাসে উত্তৰ বংগৰ বিভিন্ন সত্ৰ তথা নামঘৰৰ ভকত বৈষ্ণৱ সকলৰ লগত আলোচনা কৰি উক্ত অঞ্চলৰ প্ৰায় অৰ্ধ শতাধিক প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়াৰ বাবে এক বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে। ইয়াৰ উপৰি আগন্তুক জুলাই মাহৰ ভিতৰত উত্তৰ বংগৰ কোচবিহাৰ চহৰত শংকৰী সংস্কৃতিৰ লগত জড়িত শিক্ষাবিদ, বুদ্ধিজীৱী আৰু সাংস্কৃতিক সংগঠকৰ উপস্থিতিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মৰাজিৰ লগতে উত্তৰ বংগ অঞ্চলত মহাপুৰুষ গৰাকীয়ে জীৱন নিৰ্বাহ কৰা সময়ৰ ওপৰত তথ্য ভিত্তিক বিশ্লেষণ কৰাৰ বাবে এক আন্তঃ ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ বাবেও যো-যা চলোৱা হৈছে। মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা এটা বিবৃতিত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালক ড° দেৱজিত খনিকৰৰ ঐকান্তিক প্ৰচেষ্টাত শংকৰদেৱৰ আদৰ্শত বিশ্বাসী ভকত বৈষ্ণৱ সকলৰ মাজত সত্ৰীয়া নৃত্য আৰু বৰগীতৰ জৰিয়তে সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপে এক যুগান্তকৰী অধ্যায়ৰ সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰিছে। সত্ৰ সমিতিয়ে মধুপুৰ সত্ৰ আন্তঃ গাঁথনিৰ উন্নয়ন আৰু চহকী সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণ কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জনোৱাৰ লগতে বৰ্তমান সত্ৰ খনত এক অশুভ শক্তি আৰু মুনাফা লোভী ঠিকাদাৰৰ প্ৰৰোচনাত গঢ়ি উঠা সত্ৰীয়া পৰম্পৰা ভংগ কৰা শক্তিটোৰ কাৰ্যকলাপ বন্ধ কৰিবলৈ অসম চৰকাৰক অনুৰোধ জনাইছে। সত্ৰ সমিতিয়ে লগতে সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি অনুসৰি মধুপুৰ সত্ৰত স্থাপিত অসম চৰকাৰৰ সাংস্কৃতিক কেন্দ্ৰৰ কাৰ্যালয়টোৰ বৰ্তমানৰ ভগ্নপ্ৰায় অৱস্থাত গভীৰ উদ্বেগ প্ৰকাশ কৰি ইতিমধ্যে কেন্দ্ৰটোৰ বাবে নিৰ্মাণ কৰা নতুন ভৱনটোলৈ কাৰ্যালয়টো স্থানান্তৰ কৰিবলৈ সাংস্কৃতিক সঞ্চালকালয়ক অনুৰোধ জনাইছে। প্ৰসংগ ক্ৰমে উল্লেখযোগ্য যে মধুপুৰ সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ গৰাকীৰ মই মইমতালিৰ বাবেই কেন্দ্ৰটো আজি গোহালি ঘৰত পৰিণত হোৱা বুলি অভিযোগ উত্থাপন হৈছে।

## সাৰ কাৰখানাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ইক্ৰাম আলীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৭ জুন ঃ** নাজিৰা মহকুমাৰ না-মাটিৰ নিৱাসী তথা নামৰূপ সাৰকাৰখানৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী-সৰবৰহী ব্যক্তি ইক্ৰাম আলী (বাবুল ৭১) কালি নিশা ১১ বজাত নিজ বাসভৱনত মৃত্যু হয়। সৰবৰহী ব্যক্তিজন বিগত কিছু দিন ধৰি বৃক্ক, মধুমেহ আদি ৰোগত ভুগি আছিল। তেখেতৰ জানাজা আজি বিয়লি ৩ বজাত ন-মাটি জানাজা গৃহত অগণন গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত পত্নী আৰু একমাত্ৰ পুত্ৰসহ বহু আত্মীয়-স্বজনক এৰি থৈ গৈছে। অতি অমায়িক আৰু নম্ৰ স্বভাৱৰ সৰবৰহী ব্যক্তিজনৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে।

## দেউৰী স্বায়ত্ত পৰিষদত মাজুলী, জোনাই আৰু বৰদেউৰী সমষ্টি মহিলাৰ বাবে সংৰক্ষণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ জুন ঃ** দেউৰী স্বায়ত্তশাসিত পৰিষদৰ তিনিটা সমষ্টি মহিলা প্ৰাৰ্থীৰ বাবে সংৰক্ষণ কৰিবলৈ অসম চৰকাৰলৈ আহ্বান জনাইছে। প্ৰেছ বাৰ্তাৰ জৰিয়তে দেউৰী জনজাতীয় বিভিন্ন জাতীয় সংগঠনে এই কথা প্ৰকাশ কৰিছে। আগন্তুক দেউৰী পৰিষদৰ নিৰ্বাচনত এই সংৰক্ষণ কাৰ্যকৰী কৰিব লাগে বুলিও চৰকাৰৰ ওচৰত দৃষ্টি পাত কৰিছে। উল্লেখ্য যে অসম চৰকাৰে দেউৰী স্বায়ত্ব শাসিত পৰিষদৰ সমষ্টিৰ সংখ্যা ২২ টালৈ বৃদ্ধি কৰি ইতিমধ্যে বিভাগীয় জাননী জাৰি কৰিছে। এই জাননীৰ ভিত্তিতে ৯ নং মাজুলী সমষ্টি, ১২ নং জোনাই সমষ্টি আৰু ১৫ নং বৰদেউৰী সমষ্টি তিনিটা মহিলাৰ বাবে সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতি আহবান জনাইছে দেউৰী জনজাতি ষষ্ঠ অনুসূচী দাবী সমিতিয়ে। এই সংৰক্ষণৰ ব্যৱস্থা আগন্তুক নিৰ্বাচনত কাৰ্যকৰী কৰিব লাগে বুলি অহবান জনাইছে সদৌ মাজুলী মহকুমাৰ দেউৰী ছাত্ৰ সন্থাৰ সভাপতি ভাগ্যবান দেউৰী, দাবী সমিতিৰ সহকাৰী সম্পাদক ধনীৰাম দেউৰীয়ে।

**ৰহাত আনন্দৰ জোৱাৰ**

## ৰহাৰ ঋত্বিক আৰু ফুলগুৰিৰ দেৱাশিষে দখল কৰিলে উচ্চ মাধ্যমিক বিজ্ঞান শাখাৰ চতুৰ্থ আৰু নৱম স্থান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৭ জুন ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত বিজ্ঞান শাখাত ৰহাৰ ঋত্বিক কুমাৰ সুতে চতুৰ্থ স্থান দখল কৰাৰ লগতে ফুলগুৰি পূৰ শালমৰাৰ দেৱাশিষ শৰ্মাই নৱম স্থান দখল কৰে। দুয়োগৰাকী নগাঁৰৰ কনচেপ্ট জুনিয়ৰ কলেজৰ ছাত্ৰ। ঋত্বিক কুমাৰ সুতে ২০২০ বৰ্ষত ৰহাৰ প্ৰাঞ্জল একাডেমিৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত দশম স্থান লাভ কৰিছিল। ঋত্বিক ৰহা নগৰৰ ১ নং ৱাৰ্ডৰ দীপক কুমাৰ সুত আৰু ৰিনু বৰাৰ পুত্ৰ। ঋত্বিকৰ মাতৃ ৰহা মহাবিদ্যালয় অধ্যাপিকা হোৱাৰ বিপৰীতে পিতৃ দীপক সুত গৰাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰিষয় শিক্ষক। ইফালে নৱম স্থান প্ৰাপ্ত ফুলগুৰি ৰ পুৰ শালমৰাৰ দেৱাশিষ শৰ্মাৰ পিতৃ অৰূপ শৰ্মা এজন ক্ষুদ্ৰ ব্যৱসায়ী আৰু মাতৃ ববীতা মেধী শৰ্মা শালমৰা পঞ্চায়ত সভানেত্ৰী। দেৱাশিষৰ লক্ষ্য এজন চিকিৎসক হোৱাৰ বুলি জানিবলৈ দিয়ে। দুয়োজন ছাত্ৰৰ এনে সফলতাত বানৰ মাজতো এক আনন্দৰ জোৱাৰ বৈছে। উল্লেখ্য যে ঋত্বিকৰ ঘৰৰ পৰা কালিহে বানপানী ওলাই গৈছে, পথত আজিও পানী আছে।



*উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত কনচেপ্ট ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ পৰা তৃতীয় স্থান দখল কৰা সুৰজিৎ সূত্ৰধৰ*

## পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৭ জুন ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত প্ৰথমবাৰৰ বাবে অৱতীৰ্ণ হোৱা পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। মুঠ ১৮ জন পৰীক্ষাৰ্থীৰ ভিতৰত ১৭জন উত্তীৰ্ন হোৱাৰ বিপৰীতে এগৰাকী ছাত্ৰীৰ নাম ফলাফল তালিকাত অনুপস্থিত দেখুৱাৰ হেতুকে উত্তীৰ্ণৰ হাৰ হ'ল ৯৪%। অনুপস্থিত বুলি অহা ছাত্ৰীগৰাকীৰ ফলাফল সন্দৰ্ভত মহাবিদ্যালয় কৰ্তৃপক্ষই শিক্ষা সংসদৰ লগত যোগাযোগ কৰিছে আৰু সোনকালেই ভাল ফলাফল অহাৰ সম্ভাৱনা আছে। উল্লেখনীয় যে চাৰিজনে লেটাৰ নম্বৰ সহ প্ৰথম বিভাগত উত্তীৰ্ন হোৱাৰ লগতে ৰিতু মৰানে ৮৭.২% নম্বৰেৰে মহাবিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক আজি অভিনন্দন জনায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰৰ শুভেচ্ছামূলক বক্তব্যৰে আৰম্ভ হোৱা অনুষ্ঠানটোত স্থানীয় সমাজকৰ্মী ললিত মৰাণ, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ অভিভাৱক সদস্য চেনীধৰ বৰা আৰু হেৰম্বৰ মৰাণকে ধৰি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে। মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাসকলৰ হৈ ড° দ্বীপেন বসুমতাৰী, ইলা ডেকা, ড° চেতন চন্দ্ৰ দাস, আজিজুৰ ৰহমান আৰু সঞ্জীৱ কলিতাই প্ৰেৰণাদায়ক বক্তব্য ৰাখে। মহাবিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰা ছাত্ৰজনক মহাবিদ্যালয়ৰ ফালৰ পৰা উচ্চ শিক্ষাৰ সম্পূৰ্ণ খৰচ প্ৰদানৰ কথা ঘোষণা কৰা হয়। লগতে মহাবিদ্যালয়ৰ পৰা ভৱিষ্যতে স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও বিভিন্ন পুৰস্কাৰ শিক্ষকসকলে ঘোষণা কৰে। প্ৰায় দুশ ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটোত কৃতি ছাত্ৰ-ছাত্ৰীসকলেও তেওঁলোকৰ অনুভৱ ব্যক্ত কৰে। অভিনন্দন অনুষ্ঠানটোৰ আঁত ধৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক পঞ্চানন হাজৰিকাই। ইফালে কাকপথাৰ উচ্চত্তৰ মাধ্যমিক বিদ্যালয়ৰ পৰাও ৯২.৭৭ শতাং উত্তীৰ্ণৰে সফলতা কঢ়িয়াই অনাত অঞ্চলটোত আনন্দৰ বন্যা বৈছে। বিদ্যালয়খনৰ পৰা মুঠ ১৬৬ গৰাকী পৰিক্ষাৰ্থীৰ ভিতৰত ১৫৪ গৰাকীয়ে উত্তীৰ্ণ হৈছে। ইয়াৰে ৬ গৰাকী ষ্টাৰ, ৬১ গৰাকী লেটাৰ মাৰ্ক, ২৩ গৰাকী প্ৰথম, ৮৫ গৰাকী দ্বিতীয় আৰু ৪৬ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ এই সফলতাক সকলোৱে প্ৰশংসা কৰিছে।

## দুটা বিষয়ত সৰ্বোচ্চ নম্বৰেৰে নলবাৰীলৈ সুনাম গায়িকা জেচিকা ৰাজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৭ জুন ঃ** আজি ঘোষিত অসম উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাৰ ফলাফলত ৰাজ্যৰ ভিতৰত দুটা বিষয় ক্ৰমে বৰগীত আৰু হিন্দুস্থানী ভোকেল বিষয়ত সৰ্বোচ্চ নম্বৰেৰে নলবাৰীলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছেনলবাৰী শংকৰদেৱ একাডেমীৰ ছাত্ৰী তথা সু-গায়িকা জেচিকা ৰাজে। নলবাৰীৰ মালিকুছি নিবাসী 'পোষ্টেল ডায়েৰী'ৰ জনপ্ৰিয় লেখক তথা কেন্দ্ৰীয় চৰকাৰৰ ডাক বিভাগৰ বিষয়া অজিত ৰাজবংশী আৰু হিমাদ্ৰী দাসৰ কন্যা জেচিকাই ইংৰাজীত ৯১, অসমীয়াত ৭৬, বৰগীতত ৯১, ৰাজনীতি বিজ্ঞানত ৭৫ আৰু হিন্দুস্থানী ভোকেলত ৯৩ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। মেধাৱী ছাত্ৰী গৰাকীয়ে ৮৫.০২ শতাংশ নম্বৰ লাভ কৰে।

**উদণ্ড যুৱকৰ তাণ্ডৱ**

## লণ্ড ভণ্ড হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্যালয়

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৭ জুন ঃ** ঐতিহ্যময় হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কালিমা হানি এদল উদণ্ড যুৱকে লণ্ড ভণ্ড কৰিলে অধ্যক্ষৰ কাৰ্যালয়। কালি সন্ধিয়াত এদল যুৱকে শিল ইটা দলিয়াই অধ্যক্ষৰ কাৰ্যালয়ৰ ক্ষতিগ্ৰস্ত কৰে। স্থানীয় এদল যুৱকে নিতৌ অবৈধভাবে বিদ্যালয় চৌহদত প্ৰবেশ কৰি ভলীবল খেলিছিল। অধ্যক্ষ জাইদুল ইছলাম মোল্লাই এনে কাৰ্যত বাধা দিয়াত কেইবাবাৰো টেলিফোনত ভাবুকি খাবলগা হৈছিল। যাৰ ফলত এনে ঘটনা সংঘটিত হয় বুলি সন্দেহ কৰিছে সচেতন মহলে। আজি এই ঘটনা সম্পৰ্কে ফকিৰগঞ্জ আৰক্ষী থানাত এখন এজেহাৰ দাখিল কৰিছে অধ্যক্ষ গৰাকীয়ে।

# বাইহাটা চাৰিআলিৰ ৰামানুজন একাডেমীৰ প্ৰথমস্থান প্ৰাপ্ত সাধনাৰ দেৱীৰ প্ৰশাসনিক বিষয়া হোৱাৰ মন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ২৭ জুন ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পিছতেই আজি কামৰূপ জিলাৰ সমগ্ৰ বাইহাটা চাৰিআলি অঞ্চলত আনন্দোল্লাস-উৎসাহৰে অভাৱনীয় এক উছৱ মুখৰ পৰিবেশৰ সৃষ্টি হয়। কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ ৰামানুজন একাডেমীৰ পৰা ২০২২ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাৰ পৰীক্ষাত অৱতীৰ্ণ হৈ সাধনা দেৱীয়ে ইংৰাজীত ৯৯, অসমীয়াত ১০০, ৰাজনীতি বিজ্ঞানত ৯৩, ভূগোল বিজ্ঞানত ৯৯, নৃতত্ত্ব ৯৬ আৰু সংস্কৃতত ৯২ নম্বৰৰে সৰ্বমুঠ ৪৮৭ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে শীৰ্ষস্থান লাভ কৰাৰ খবৰ বিয়পি পৰাৰ বাইহাটা চাৰিআলিত আৱতৰীয়া দিপাৱলীৰ সৃষ্টি হয়। নলবাৰী জিলাৰ নলবাৰী থানাৰ বৰমূৰীকোণা গাঁও নিৱাসী কাশীনাথ পুণ্যাশ্ৰম চতুষ্পাঠী সংস্কৃত টোলৰ শিক্ষক অজিত শৰ্মা অজিত শৰ্মা আৰু গৃহিনী মৰমী দেৱীৰ কন্যা সাধনাই এই ফলাফলত গভীৰ সন্তুষ্টি প্ৰকাশ কৰি ইয়াৰে ৰামানুজন একাডেমীৰ স্বত্বাধিকাৰী মৃদুল শৰ্মাৰ লগতে শিক্ষানুষ্ঠান খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা সমূহ ষ্টাফ আনকি হোষ্টেল ৱাৰ্ডেন পূৰ্ণিমা দেৱীৰ বিশেষ মৰম-আলপৈচানৰ লগতে নিজৰ পিতৃ-মাতৃ, আত্মীয়-কুটুম্ব, সকলো শুভাকাংক্ষীৰ দিহা-পৰামৰ্শৰ আদিৰো শলাগলৈ আকাশ চুবলৈ থকা মনৰ কথাও অকপটচিত্তে ব্যক্ত কৰি অসমখনক 'মা' জ্ঞান কৰি ভৱিষ্যতে অসামৰিক সেৱাৰ বাবে নিমজ্জিত হোৱাৰ মনত পুহি ৰখাৰ কথাও প্ৰকাশ কৰে। এগৰাকী প্ৰশাসনিক সেৱাৰ বিষয়া হোৱাৰ লক্ষ্যৰে পৰৱৰ্তী পৰ্যায়ত যিকোনো এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব বুলি সাধনাই আজি সাংবাদিকৰ সন্মুখত ব্যক্ত কৰে। লগতে কটন বিশ্ববিদ্যালয়ো পছন্দত যে আছে সেয়াও ছাত্ৰী গৰাকীয়ে জনায়। অৱশ্যে সাধনাই আহৰণ কৰা শিক্ষা, প্ৰচলিত কেতবোৰ সমস্যাৰ আদিৰ ভিত্তিতো তেওঁ দিশটোক বাছি লোৱাৰ কথা জনায় ।আৰু এই লক্ষ্যত উপনীত হ'লে শিক্ষাৰ দিশত সৰ্বাধিক মনোনিবেশ কৰাৰ আশা ৰখাৰ বিষয়ে অৱগত কৰে ।গান গোৱা, সাহিত্য চৰ্চা কৰা পেৰেডী বনোৱা আদিৰ প্ৰতিও বিশেষ ৰাপ থকা ছাত্ৰী সাধনাই পৰীক্ষাৰ শেষ দিনটোলৈ হোষ্টেলত থাকি অধ্যয়ণ কৰি বিশেষভাৱে লাভৱান হোৱাৰ বিষয়ে জনাই কয় যে বাছনি পৰীক্ষাৰ পিছত প্ৰতিদিনে পুৱাই আটাইবোৰ কাম-কাজৰে ৰুটিন বনাই দৈনিক ১১/১২ ঘণ্টাকৈ অধ্যয়ণ কৰিছিল। এই সময়ত নিজৰ পিতৃ-মাতৃৰ অভাৱ একাডেমীয়ে পূৰণ কৰিছিল বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি লগতে সাধনাই কয়-বৰ্তমান বাইহাটা চাৰিআলিত শিক্ষাকলৈ এটি বিৰাট জাগৰণৰ সৃষ্টি হৈছে । বৰ্তমানৰ প্ৰতিযোগিতাৰ জগতত এই জাগৰণ ধনাত্মক দিশত হোৱাটো কামনা কৰো। ইয়াৰ লগতে ভাগ্যৰ ওপৰত সামান্যতমো বিশ্বাস নথকাৰ বিষয়ে অৱগত কৰি আত্মবিশ্বাস, সাধনা আৰু প্ৰৱল ইচ্ছাশক্তিক অগ্ৰাধিকাৰ দি ইয়াক সফলতাৰ প্ৰধান মাপকাঠী হিচাপে গ্ৰহণ কৰিবলৈ অনুজসকলৰ প্ৰতি এক বাৰ্তা দিয়ে। সাধনাই প্ৰসংগক্ৰমে কয়-কেতিয়াবা এনেকুৱাও হয়,সময় নষ্ট কৰিও বহুত শিকা যায়। সেই নষ্ট হোৱা সময়খিনিৰ পৰা আহৰণ কৰিব পৰা আত্মঅনুশোচনা-আত্মজ্ঞান জীৱনৰ বাবে বহুত ডাঙৰ সম্পদ হৈ পৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভ নকৰাত সময় নষ্ট কৰাৰ বিষয়ে অনুশোচনা হৈছিল। বহুতে কৈছিল যে ভাগ্যৰ বাবে সেইবাৰ মই স্থান নাপালো বুলি বহুতে সান্ত্বনা দিছিল। কিন্তু মই জীৱনত এবাৰো ভৰা নাছিলো যে ভাগ্যৰ বাবে স্থান নোপোৱৰ কথা। উল্লেখ্য সাধনাই সামান্য ব্যৱধানৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভ কৰা নাছিল।

# দৰিদ্ৰতাৰ প্ৰাচীৰ ভাঙি নৱম স্থানেৰে উজলিল বৰ়মপুৰৰ চন্দন

## কঠীয়াতলীবাসীও উৎফুল্ল প্ৰত্যুষ প্ৰতীমক লৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰ়মপুৰ, ২৭ জুন ঃ** সাফল্যৰ পথত দৰিদ্ৰতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে, সেয়া প্ৰতিপন্ন কৰি নিজৰ মেধাশক্তিৰে জিলিকি উঠিল নগাঁও জিলাৰ বৰ়মপুৰ মাজপোটনিৰ চন্দন বৰা। আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বাণিজ্য শাখাত ৰাজ্যৰ ভিতৰতে নৱম স্থান অৰ্জনেৰে সমগ্ৰ নগাঁৰৰ লগতে বৰ়মপুৰলৈ গৌৰৱ কঢ়িয়াই আনিলে নগাঁৰৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান গীতাঞ্জলি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ চন্দন বৰাই । মেধাৱী ছাত্ৰ চন্দন বৰাৰ সাফল্যৰ খবৰে স্বাভাৱিকতে আজি গীতাঞ্জলি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ লগতে নিজ অঞ্চলতো আনন্দৰ জোৱাৰ আনিছে। ছাত্ৰজনে ইংৰাজীত ৮৩, অসমীয়াত ৯২, হিচাপবিদ্যাত ৯৩, ব্যৱসায়িক অধ্যয়নত ৯৪ আৰু বাণিজ্যিক গণিত আৰু পৰিসংখ্যাত ৯৯ নম্বৰ লাভেৰে সৰ্বমুঠ লাভ কৰিছে ৪৬১ নম্বৰ। উল্লেখ্য যে বৰ়মপুৰৰ এটি অতি ভিতৰুৱা অঞ্চলৰ নিবাসী তথা পিতৃ হৰেন বৰা আৰু মাতৃ নমিতা বৰাৰ জ্যেষ্ঠপুত্ৰ হ'ল চন্দন বৰা। পিতৃ হৰেন বৰা কৰ্মসূত্ৰে হায়দৰাবাদৰ তেলেংগানাত থাকে। বহিঃৰাজ্যৰ এটা ব্যক্তিগত কোম্পানীত চিকিউৰিটী গাৰ্ড হিচাপে কৰ্মৰত হৰেন বৰাই অতি কষ্টৰে পুত্ৰক পঢ়াইছিল। পুত্ৰৰ এই সাফল্যৰ খবৰত স্বাভাৱিকতে আনন্দিত হৈ পৰিছে পিতৃ হৰেন বৰা। চন্দনৰ এই সাফল্যত শিক্ষানুষ্ঠানখনো যথেষ্ট উৎসাহিত হৈ পৰিছে। অধ্যয়নৰ ক্ষেত্ৰত কোনো ধৰা-বন্ধা সূচী নাছিল চন্দনৰ। আচলতে মই 'Quality of time'ৰ ওপৰত গুৰুত্ব দিয়া নাছিলোঁ ,'Quantity of time' ৰ ওপৰতহে গুৰুত্ব দিছিলো বুলি চন্দনে নিজৰ অনুভৱ ব্যক্ত কৰিলে সাংবাদিকৰ আগত। আৰ্থিকভাৱে মই ইমান সচ্ছল নহ'লেও মই নিজৰ লক্ষ্য স্থিৰ কৰি সাফল্য অৰ্জন কৰিছো।পঢ়াৰ সমান্তৰালকৈ ছবি আঁকাত ব্যস্ত থাকিও ভাল পায় বুলি চন্দনে জানিবলৈ দিয়ে। ভৱিষ্যতে এজন চাটাৰ্ড একাউণ্টেণ্ট হোৱাৰ সপোন পুহি ৰখা ছাত্ৰজনে আজি শিক্ষানুষ্ঠানৰ চৌহদত প্ৰৱেশ কৰাৰ লগে লগে হৰ্ষোধ্বনিৰে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে অভিনন্দন জ্ঞাপন কৰাৰ লগতে বিদ্যালয়ৰ ফালৰ পৰা তেওঁক লৈ এক শোভাযাত্ৰাও উলিওৱা হয়। ইফালে পঞ্চম স্থান অধিকাৰ কৰি গৌৰৱ কঢ়িয়াই আনিলে কঠীয়াতলীৰ প্ৰত্যুষ প্ৰতীম বৰাই। নগাঁৰৰ কনচেপ্ট কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ তথা কঠীয়াতলীৰ প্ৰত্যুষ প্ৰতীম বৰাই কলা শাখাত ৫ম স্থান লাভ কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। সৰ্বমুঠ ৪৮০ নম্বৰ লাভ কৰি কৃতিত্ব অৰ্জন কৰা ছাত্ৰজন কঠীয়াতলী শংকৰদেৱ বিদ্যা নিকেতনৰ আচাৰ্য ৰবীন্দ্ৰ বৰা আৰু বীনা বৰাৰ একমাত্ৰ সন্তান। প্ৰত্যুষ প্ৰতীম বৰাৰ এই সফলতাত সমগ্ৰ অঞ্চলবাসী উৎফুল্ল হৈ পৰিছে। পৰৱৰ্তী সময়ত গভীৰ অধ্যয়নৰ দ্বাৰা এজন প্ৰশাসনিক বিষয়া হোৱাৰ আশা পোষণ কৰিছে প্ৰত্যুষ প্ৰতীমে।

## উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ১০০ শতাংশ উত্তীৰ্ণৰে উজলিল চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত মৰিগাঁও জিলাৰ চৰকাৰী শিক্ষানুষ্ঠান চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ১০০ শতাংশ উত্তীণৰে সুনাম কঢ়িয়াবলৈ সক্ষম হয়। এইবাৰ চৰাইবাহে উচ্চতৰ মাধ্যমিক বিদ্যালয় খনৰ পৰা ১৭৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ১৩ গৰাকী ছাত্ৰছাত্ৰীয়ে ষ্টাৰ্ট নম্বৰ সহ ৭৫ গৰাকীয়ে প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে ৭৫ গৰাকী দ্বিতীয় বিভাগত আৰু ২৬ গৰাকী তৃতীয় বিভাগত উত্তীণ হৈ সৰ্বমুঠ ৯৮.৮৮ নম্বৰৰে উজলিবলৈ সক্ষম হয় বিদ্যালয় খন। উল্লেখ যে ৰাজ্যত কিছু বছৰৰ পৰা চৰকাৰী বিদ্যালয় পৰিবৰ্তে ব্যক্তিগত খণ্ডৰ কনিষ্ঠ মহাবিদ্যালয় সমূহৰ ফলাফল উল্লেখনীয়। তাৰ মাজতে এই ২০২২ বৰ্ষত চৰানবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফলে চৰাইবাহী ৰাইজক সন্তুষ্টি প্ৰদান কৰিছে। আৰু বিদ্যালয়খনৰ অধ্যক্ষাৰ লগতে শিক্ষক শিক্ষয়িত্ৰী সকলক শলাগ লৈছে চৰাইবাহী ৰাইজে।

## বাক্সাৰ সাউদৰভিঠাৰ প্ৰজ্ঞা জ্যোতি একাডেমীৰ এশ শতাংশ উত্তীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাত বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত সাউদৰভিঠাস্থিত প্ৰজ্ঞা জ্যোতি একাডেমী ২৫ গৰাকীয়ে পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হোৱাত এশ শতাংশই উত্তীৰ্ণ হয়। ২৫ গৰাকী পৰীক্ষাৰ্থীৰ ২৫ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱাৰ লগতে ২৫ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ ভিতৰত বিদ্যালয়খনৰ পৰিক্ষাৰ্থী কৰ্ম মছহাৰীয়ে ৮২'৮ক্ম শতাংশ নম্বৰেৰে চেন্টাৰৰ ভিতৰত প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। উল্লেখ্য যে ২০২০ বৰ্ষত প্ৰতিষ্ঠা লাভ কৰা প্ৰজ্ঞা জ্যোতি একাডেমীৰ ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমবাৰৰ বাবে উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

Ministry of Culture

**সাংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ কেন্দ্ৰ (চিচিআৰটি)**
সাংস্কৃতিক মন্ত্ৰালয়, ভাৰত চৰকাৰ
১৫- ক, খণ্ড-৭, দ্বাৰকা, নতুন দিল্লী-১১০০৭৫

**জুনিয়ৰ আৰু ছিনিয়ৰ ফেল'শ্বিপ আঁচনি সাংস্কৃতিক ক্ষেত্ৰত বিশেষ পাৰদৰ্শী ব্যক্তিসকলৰ কাৰণে**

অনলাইন আবেদনপত্ৰ আহ্বান কৰা হৈছে চিচিআৰটিৰ দ্বাৰা, সাংস্কৃতিক মন্ত্ৰালয়, ভাৰত চৰকাৰী, যাতে জুনিয়ৰ আৰু ছিনিয়ৰ ফেল'শ্বিপ আঁচনি কাৰ্যকৰী কৰিব পাৰি গৱেষণামূলক প্ৰকল্প ৰূপায়ণৰ জৰিয়তে প্ৰদৰ্শনমূলক, সাহিত্য, প্লাষ্টিক আৰ্ট আৰু সংস্কৃতিৰ নতুন দিশৰ বিষয়ে।

আবেদনপত্ৰ আহ্বান কৰা হৈছে ২০২০-২১ আৰু ২০২১-২২ বৰ্ষৰ বাবে অহা **২৮ জুন, ২০২২** তাৰিখৰ পৰা। এই আঁচনিৰ অধীনত ২০০ জুনিয়ৰ আৰু অন্য ২০০ ছিনিয়ৰ ফেল'শ্বিপ প্ৰদান কৰা হ'ব প্ৰতিটো বৰ্ষৰ কাৰণে। আঁচনিৰ সবিশেষ, আবেদনকাৰীৰ পৰামৰ্শাৱলী, অৰ্হতা, চৰ্ত/অন্যান্য আৱশ্যকীয় দিশ সম্পৰ্কে, আবেদন পত্ৰৰ আৰ্হি আদি উপলব্ধ আছে তলত উল্লেখ কৰা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয় আৰু চিচিআৰটিৰ ৱেবছাইটত।

www.indiaculture.nic.in
www.ccrtindia.gov.in

আবেদন জমা দিয়াৰ শেষ তাৰিখ হ'ল **২৭ আগষ্ট, ২০২২**।
কেৱল অনলাইন আবেদনহে গ্ৰহণ কৰা হ'ব
davp 09127/12/0003/2223

## ধুবুৰীৰ বিদ্যাসাগৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত বিজ্ঞান শাখাত এশ শতাংশ উত্তীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২৭ জুন ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলে ধুবুৰীৰ বিদ্যাসাগৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মাজত উৎফুল্ল কৰি তোলা পৰিলক্ষিত হৈছে। ধুবুৰীৰ বিদ্যাসাগৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত বিজ্ঞান শাখাত মুঠ ১৪৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈছিল যদিও ইয়াৰ ভিতৰত ১৩০ গৰাকী প্ৰথম বিভাগত, ১৬ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ষ্টাৰমাৰ্ক ২৩ গৰাকী আৰু ডিষ্টিনচন তিনি গৰাকী পোৱাৰ বিপৰীতে ইছমাত নাজিফাই সৰ্বোচ্চ ৯০ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয় লৈ সুনাম কৰিয়াই আনে। আনফালে বিদ্যাসাগৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুলত কলা শাখাত সৰ্বমুঠ ৪৫ গৰাকীকৈ ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল যদিও তাৰ ভিতৰত প্ৰথম বিভাগত ১৬ গৰাকী দ্বিতীয় বিভাগত ৭ গৰাকী তৃতীয় বিভাগত ২১ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়। ইয়াৰে ৪ গৰাকী ষ্টাৰমাৰ্ক আৰু ৪ গৰাকীয়ে ডিষ্টিনচন লাভ কৰি দুয়োখন শাখাত ১০০ শতাংশ উতীৰ্ণ হোৱাৰ বিপৰীতে দীপৰয়ে ৯২.৬ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয় বুলি স্কুল কৰ্তৃপক্ষই সাংবাদিকক জানিবলৈ দিয়ে।

## এশ শতাংশ উত্তীৰ্ণৰে উজলিল বৰ়মপুৰৰ কৰৈয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰ়মপুৰ, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি বৰ়মপুৰ সমষ্টিৰ অন্তৰ্গত কৰৈয়নী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এশ শতাংশ শিক্ষাৰ্থীয়েই উত্তীৰ্ণ হৈ বিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। শিক্ষানুষ্ঠানখনৰ অধ্যক্ষা ৰিন্তু দাস গোস্বামীয়ে জনোৱা মতে এইবাৰ মুঠ ৮ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈ আটায়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। ইয়াৰে নিতাশ্ৰী বৰা নামৰ এগৰাকী শিক্ষাৰ্থীয়ে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰাকে ধৰি প্ৰথম বিভাগত ৬ গৰাকী আৰু দ্বিতীয় বিভাগত ২ গৰাকী উত্তীৰ্ণ হৈছে। ইফালে সমষ্টিটোৰ আনকেইখন শিক্ষানুষ্ঠানৰ সামগ্ৰিক ফলাফল বিশেষ সন্তোষজনক নহ'লেও বৰ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফল কিছু উন্নত হৈছে।শিক্ষানুষ্ঠানখনৰ পৰা এইবাৰ মুঠ ৯০ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হয় আৰু ইয়াৰে বিজ্ঞান শাখাৰ ৩ গৰাকীৰ আটায়ে অৰ্থাৎ এশ শতাংশই উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। আনহাতে শিক্ষানুষ্ঠানখনৰ পৰা কলা শাখাত অৱতীৰ্ণ হোৱা ৮৭ গৰাকীৰ ভিতৰত ৭৮ গৰাকীয়েই অৰ্থাৎ ৮৯.৬৫ শতাংশ উত্তীৰ্ণ হৈছে বুলি অধ্যক্ষ নলিনী বৰাই জনাইছে।

## দেশসেৱাৰ বাবে প্ৰশাসনিক বিষয়া হোৱাৰ মন কলাত ষষ্ঠ স্থানপ্ৰাপক ৰ'জী ৰৌচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ২৭ জুন ঃ** অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাৰ পৰীক্ষাত বাইহাটা চাৰিআলিৰ গেটৱে একাডেমীৰ ছাত্ৰী ৰ'জি ৰৌচনে ৰাজ্যখনৰে ভিতৰত ষষ্ঠস্থান লাভ কৰি অঞ্চলটোলৈ গৌৰৱ আৰু আনন্দৰ জোৱাৰ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ছাত্ৰী গৰাকীয়ে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ সৰ্বমুঠ ৪৭৮ নম্বৰ লাভ কৰি এই সফলতা অৰ্জন কৰে। জিলাখনৰ ডিমু নিকট জাপিয়া নিৱাসী জাপিয়া মিলন হাইস্কুলৰ বিজ্ঞান বিষয়ৰ শিক্ষক ৰহিম আলী আৰু গৃহিনী ৰীণা বেগমৰ কন্যা ৰ'জিয়ে ইংৰাজী বিষয়ত ৯৩, অসমীয়া বিষয়ত ৯৭, ভূগোল বিজ্ঞানত ৯৩, অৰ্থনীতি বিষয়ত ৯৮ আৰু তৰ্কশাস্ত্ৰত ৯৭ নম্বৰ লাভ কৰে। কামৰূপ জিলাৰ বাইহাটা চাৰিআলি নিকট কৰৰা গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৰ'জিয়ে এই সফলতাৰ বাবে ভগৱান-আল্লাৰ ওপৰত থকা বিশ্বাস, পিতৃ-মাতৃৰ উপদেশ, একাডেমী শিক্ষাগুৰুৰ লগতে নিজৰ কষ্ট, চেষ্টা, শুভাকাংক্ষী সকলৰ আশীৰ্বাদকে কৃতিত্ব দিব বিচাৰে। বাছনি পৰীক্ষাৰ পিছত ঘৰত থাকি নিতৌ ১০/১২ ঘণ্টাকৈ অধ্যয়ণ কৰাৰ বিষয়ে আজি সাংবাদিকক অৱগত কৰে। শিক্ষাগুৰুসকলে বন্ধুত্বসুলভ মানসিকতাৰে শিক্ষাদান কৰা প্ৰকিয়াটোৱেও ৰ'জিক বহুলাংশে উপকৃত কৰা কথাও ব্যক্ত কৰো সমাজ আৰু দেশক সেৱা কৰাৰ বাবে এগৰাকী সু-প্ৰশাসনিক বিষয়া হোৱা লক্ষ্য স্থিৰ কৰি লোৱাৰ বিষয়েও প্ৰকাশ কৰে। গল্প-উপন্যাস পঢ়ি, টিভি, চিনেমা চাই ভালপোৱা ৰ'জিয়ে নৱপ্ৰজন্মক নিজৰ সপোন পূৰণ কৰাৰ বাবেও ভগৱান-আল্লাৰ ওপৰত বিশ্বাস ৰাখি সদায় সৎপথত থাকি নিজৰ কাম কৰি যাবলৈ উপদেশ দিয়ে। বাইহাটা চাৰিআলিত পোৱা প্ৰতিযোগিতাৰ পৰিবেশেও তেওঁক যথেস্থ উদ্বুদ্ধ কৰি তোলাৰ বিষয়ে অৱগত কৰি ৰ'জিয়ে ৰাজ্যৰ শিক্ষা ব্যৱস্থাত চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানত ভাল শিক্ষক নিয়োগৰ পোষকতা কৰে।



*উচ্চতৰ মাধ্যমিকৰ কলা শাখাত ফৰকাটিং ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ পৰা নৱম স্থান দখল কৰা ৰছনা গগৈ*

No. SMEJ/JMCH/1498/2014/PM/2022/2850

**Short Tender Notice**

Sealed bid (single bid system) affixing court fee stamp of Rs. 8.25/- (rupees eight and paisa twenty five) only are invited from the Individual/firms/organization etc. for disposal of Unserviceable/Obsolete/Broken/Scrap Items lying at the Jorhat Medical College & Hospital Campus, Jorhat - Assam as per following schedule:

| Date and Time from sale/download of Bid document | Date and Time of Pre-Bid Meeting | Date and Time of Start of Bid Submission | Date and Time of End of Bid Submission | Date and Time of Opening of Bid |
|---|---|---|---|---|
| 11.00 A.M of 28/06/2022 | 12.00 P.M of 02/07/2022 | 12.00 P.M of 04/07/2022 | 12.00 P.M of 19/07/2022 | 1.00 P.M of 19/07/2022 |

**Instructions for tendering:**
1. Complete TENDER DOCUMENT sale/download through the official website: www. jorhat medicalcol1ege.in.
2. All intending bidders are requested to submit their tender document in the DROP BOX to be available at O/o. Principal cum Chief Superintendent, JMC&H, Jorhat as per schedule, failing which the tenders will be rejected.
3. The institute reserves the right to reject any/all applications without assigning any reason whatsoever.

Principal cum Chief Superintendent,
Jorhat Medical College & Hospital, Jorhat

**Janasanyog/C/5396/22**

## প্ৰথম পৃষ্ঠাৰ পৰা—

## প্ৰথম আৰু অষ্টম স্থানেৰে

বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰৰ পৰা মুঠ ৪৯১ নম্বৰ লাভ কৰি প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। ধৃতিৰাজ বাস্তৱ কলিতাই ২০২০ চনৰ হাইস্কুল হাইস্কুল শিক্ষান্ত পৰীক্ষাতো প্ৰথম স্থান দখল কৰিছিল। ক'ভিড পৰিস্থিতিৰ বাবে অধ্যয়নত ক্ষতি হোৱাৰ সময়তে কিন্তু ধৃতিৰাজ বাস্তৱ কলিতাক ক'ভিডেও সহায় কৰিছিল স্থান লাভ কৰাত। পঢ়া-শুনাৰ লগতে গীত-মাত চৰ্চা কৰা ধৃতিৰাজ বাস্তৱ কলিতা এগৰাকী সু- গায়ক। জুবিন গাৰ্গৰ গীত গাই ভালপোৱা ধৃতিৰাজ বাস্তৱ কলিতাই আজিৰ শুভ দিনটোত গালে প্ৰিয় শিল্পীগৰাকীৰ গীত। ফলাফল লাভ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ধৃতিৰাজে কয় যে তেওঁ প্ৰথমে এজন ভাল মানুহ হ'ব বিচাৰে, যাতে মৃত্যুৰ পাছত সকলোৱে তেওঁক মনত ৰাখে। তেওঁ কয় যে ১০জনৰ যাতে মই উপকাৰ সাধন কৰিব পাৰো তেনে কাম কৰিব বিচাৰোঁ। ধৃতিৰাজে নিজৰ সপোনৰ কথাত কয় যে তেওঁ ইতিমধ্যেই KVPY (কিশোৰ বিজ্ঞানী প্ৰোতসাহন যোজনা)ত সৰ্বভাৰতীয় ৰেংকিঙত স্থান লাভ কৰি জলপানিও লাভ কৰিছে। লগতে কয় যে তেওঁৰ লক্ষ্য ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছাইন্স এডুকেচন এণ্ড ৰিচাৰ্ছত নামভৰ্তি কৰি তাত তেওঁৰ বি এছ চি কৰাৰ মন। উল্লেখ্য, KVPY পৰীক্ষাত উত্তীৰ্ণ হ'লে ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছাইন্স এডুকেচন এণ্ড ৰিচাৰ্ছত কিছু সহজ হয়। এই প্ৰতিষ্ঠানটো বিশ্বৰ ভিতৰতে এটা নাম থকা প্ৰতিষ্ঠান। ইফালে ৮ম স্থান লাভ কৰিবলৈ সক্ষম হোৱা দীক্ষিতা চহৰীয়াই দিপীলাৰ এন আৰ ডি এছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী। পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰৰ পৰা উত্তীৰ্ণ হোৱা দীক্ষিতাই মুঠ ৪৭৫ নম্বৰ লাভ কৰি অষ্টম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। অষ্টম স্থান লাভ কৰা দীক্ষিতা চহৰীয়াৰ ভৱিষ্যতে প্ৰশাসনিক বিষয়াৰ হোৱা মন বুলি আমাৰ প্ৰতিনিধিক জানিবলৈ দিয়াৰ লগতে নিতৌ ৯-১০ ঘণ্টাকৈ অধ্যয়ন কৰিছিল বুলি অৱগত কৰে। স্থানপ্ৰাপ্ত দুগৰাকীৰ সফলতাত দৰং জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতি, দৰং জিলা গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ, ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী, মীন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, আছুৰ কেন্দ্ৰীয় বিত্তীয় সম্পাদক খনিন্দ্ৰ ৰাজবংশী, সদস্য নিৰঞ্জন শইকীয়া, মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি মদন চন্দ্ৰ বৰুৱা, সম্পাদক লক্ষীনন্দন কলিতাৰ লগতে সদস্যসকল, অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মা, সাহিত্য সভাৰ সম্পাদক যাদৱ শৰ্মা, দৰঙৰ জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাস, সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সম্পাদক সুশীল সূত্ৰধাৰ, দৰং আছুৰ সভাপতি পৰাগ চহৰীয়া, পথৰু সমন্বয় গোষ্ঠী, দৰং জিলা বিহু সুৰক্ষা সমিতিৰ বিষয়ববীয়াসকলৰ লগতে দৰঙৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে, বিশিষ্ট ব্যক্তিসকলে তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ অভিনন্দন জ্ঞাপন কৰে।

**বিজ্ঞান শাখাত প্ৰথম স্থানেৰে উজলিল দৰঙৰ ধৃতিৰাজ বাস্তৱ কলিতা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত প্ৰথম স্থানেৰে উজলিল ছিপাঝাৰ ট্ৰিনিটি জুনিয়ৰ ছাইন্স কলেজৰ ছাত্ৰ ধৃতিৰাজ বাস্তৱ কলিতা। ধৃতিৰাজে ইংৰাজীত ৯৫, ঐচ্ছিক ইংৰাজীত ৯৭, ৰসায়ন বিজ্ঞানত ৯৯, পদাৰ্থ বিজ্ঞানত ১০০, জীৱ বিজ্ঞানত ৯৯, অংকত ১০০সহ মুঠ ৪৯১ নম্বৰ লাভ কৰে। বেংগালুৰুৰ 'Indian Institute of Science'ৰ দ্বাৰা অনুষ্ঠিত 'KVPY fellowship-2021'ৰ সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত 820 Rank পাই উত্তীৰ্ণ হোৱা ধৃতিৰাজে ২০২০ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাতো বৰমপুৰ জাতীয় বিদ্যালয়ৰ পৰা প্ৰথম স্থান লাভ কৰিছিল। দেওমৰনৈৰ সমীপৰ বানেইকুছি গাঁও নিৱাসী তথা বৰমপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শাৰীৰিক নিৰ্দেশক নৱ কুমাৰ কলিতা আৰু টুলুমণি কলিতাৰ সুযোগ্য সন্তান ধৃতিৰাজৰ এই ধাৰাবাহিক সফলতাই গৌৰৱান্বিত কৰিছে সমগ্ৰ দৰংবাসীক। তেখেতৰ বানেইকুছিস্থিত বাসভৱনত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ইতিমধ্যে ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, নামখলা চ'ক ব্যৱসায়ী সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দৰং জিলা সমিতি, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ প্ৰতিনিধি প্ৰমুখ্যে বিভিন্ন দল-সংগঠন, বৃহত্তৰ অঞ্চলটোৰ শুভাকাংক্ষীসকলে ধৃতিৰাজক শুভেচ্ছা জ্ঞাপন কৰিছে।





## বাণিজ্যত চতুৰ্থ আৰু ষষ্ঠ

কৰিছে ৪৭৩ নম্বৰ। প্ৰিয়াক্ষীয়ে ক্ৰমে ইংৰাজীত ৯৭ নম্বৰ, বিকল্প ইংৰাজীত ৯৬ নম্বৰ, হিচাপ বিদ্যা বিষয়ত ৯৪ নম্বৰ, বিত্ত বিষয়ত ৯৬ নম্বৰ আৰু ব্যৱসায় অধ্যয়ন বিষয়ত ৮৩ নম্বৰ লাভ কৰিছে। পৰীক্ষাৰ্থীগৰাকীৰ সৰ্বমুঠ নম্বৰৰ শতাংশ হ'ল ৯৪.৭। সেইদৰে কৃষ্ণাইৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় 'ষ্টেপছ্ একাডেমী'ৰ বাণিজ্য শাখাৰ ছাত্ৰ মৃণাল ৰয়ে মুঠ ৫০০ নম্বৰৰ ভিতৰত লাভ কৰিছে ৪৬৮ নম্বৰ। মৃণালে ক্ৰমে ইংৰাজীত ৯২ নম্বৰ, আধুনিক অসমীয়া বিষয়ত ৯৮ নম্বৰ, অৰ্থনীতি বিষয়ত ৯৪ নম্বৰ, ব্যৱসায় অধ্যয়ন বিষয়ত ৯২ নম্বৰ, বিত্ত বিষয়ত ৯২ নম্বৰ আৰু হিচাপ বিদ্যা বিষয়ত ৭৭ নম্বৰ লাভ কৰিছে। শতাংশৰ হিচাপত মৃণাল ৰয়ে পাইছে ৯৩.৬ শতাংশ। দুয়োগৰাকী পৰীক্ষাৰ্থীয়ে পৃথিৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰৰ পৰীক্ষাৰ্থী আছিল। ৰাজ্যখনৰ ভিতৰত চতুৰ্থ স্থান দখল কৰি পৃথিৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়কে ধৰি সমগ্ৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰী প্ৰিয়াক্ষী ঘোষৰ পঢ়া-শুনাৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট সময়সূচী নাছিল। ভৱিষ্যতে এগৰাকী চাৰ্টাৰ্ড একাউনটেণ্ট হোৱাৰ মন মেলা ছাত্ৰীগৰাকীয়ে যেতিয়াই সময় পাইছিল তেতিয়াই পঢ়া টেবুলত বহিছিল। আজৰি সময়ত ছবি আঁকি ভাল পোৱা প্ৰিয়াক্ষীক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ উপৰি এগৰাকী ঘৰুৱা শিক্ষকে পঢ়া-শুনাৰ তদাৰক কৰিছিল। প্ৰিয়াক্ষীৰ পিতৃ সুধানিধি ঘোষ এগৰাকী পাইকাৰী ঔষধ ব্যৱসায়ী। আৰু মাতৃ ৰাখী ঘোষ গৃহিণী। উল্লেখ্য যে, শেহতীয়াকৈ ফলাফল হৈ যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ চূড়ান্ত ফলাফলত ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহে প্ৰদৰ্শন কৰিছে শোচনীয় ফলাফল। এই লৈ চৰকাৰী বিদ্যালয়সমূহে তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে। এনে সময়তে গোৱালপাৰা চহৰৰ পৃথিৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ বাণিজ্য শাখাত ৰাজ্যৰ ভিতৰতে চৰকাৰী বিদ্যালয়খনত অধ্যয়ন কৰা প্ৰিয়াক্ষীয়ে চতুৰ্থ স্থান লাভ কৰাত চৰকাৰী বিদ্যালয়খনত এক উছৱমুখৰ পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হৈছে। চৰকাৰী বিদ্যালয়ত পঢ়িও ভাল ফলাফল লাভ কৰিব পাৰি বুলি প্ৰিয়াক্ষী ঘোষে সংবাদ মাধ্যমত মন্তব্য কৰি কয়- 'মোক ছাৰ-বাইদেউসকলে পঢ়া-শুনাত যথেষ্ট সহায় কৰিছে। মোৰ সফলতাৰ আঁৰত ছাৰ-বাইদেউসকলৰ লগতে মোৰ মা-দেউতা আৰু বন্ধু-বান্ধৱীসকলে বহুত সহায় কৰিছে। মই সকলোৰে ওচৰত চিৰ কৃতজ্ঞ। মই আগলৈ এইখন চহৰতে পঢ়িম'। ইপিনে নতুনকৈ স্থাপিত কৃষ্ণাইৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় 'ষ্টেপছ্ একাডেমী'ৰ প্ৰথটো বেট্চতে বাণিজ্য শাখাত মৃণাল ৰয়ে ষষ্ঠ স্থান দখল কৰাত বিদ্যালয়খনত আনন্দৰ বন্যাৰ সৃষ্টি হৈছে। ছাত্ৰ-ছাত্ৰীসকলে বেনাৰ-প'ষ্টাৰলৈ বিভিন্ন শ্ল-'গানেৰে সমগ্ৰ জিলাখনতে বাহনেৰে ৰেলী কৰি বিজয় উল্লাস কৰা পৰিলক্ষিত হৈছে। জানিব পৰা মতে মৃণাল ৰয়ে কোনো ঘৰুৱা টিউচন লোৱা নাছিল। মৃণাল ৰয় পদ্মলোচন ৰয় আৰু অনিমা ৰয়ৰ সন্তান।

## প্ৰাকৃতিক দুৰ্যোগৰ মাজতো

সম্পূৰ্ণ নোহোৱাৰ বাবে প্ৰায় ত্ৰিশ শতাংশ হ্ৰাস কৰা হৈছিল চিলেবাছৰ পাঠ্যক্ৰম। এনেকৈয়ে বিভিন্ন বাধা আৰু বিঘিনিৰ মাজেৰে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল অৱশেষত সন্তোষজনক হিচাপে পৰিগণিত হ'ল। উল্লেখ্য যে এইবাৰ বিজ্ঞান শাখাত ৯২.১৯ শতাংশ উত্তীৰ্ণ হৈছে। একেদৰে বাণিজ্য শাখাত ৮৭.২৭ শতাংশ আৰু কলা শাখাত উত্তীৰ্ণৰ হাৰ হ'ল ৮৩.৪৮ শতাংশ। মুঠ ২,১৫,০২২ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল চূড়ান্ত পৰীক্ষাত। বিজ্ঞান শাখাত প্ৰথম দহটা স্থানৰ শীৰ্ষত আছে দৰং জিলাৰ দেওমৰণৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ধৃতিৰাজ বাস্তৱ কলিতা। মুঠ ৫০০ নম্বৰৰ ভিতৰত ধৃতিৰাজে লাভ কৰিছে ৪৯১ নম্বৰ। উল্লেখ্য যে ২০২০ বৰ্ষৰ দশম শ্ৰেণীৰ পৰীক্ষাতো তেওঁ শীৰ্ষস্থান দখল কৰিছিল। কলা শাখাৰ প্ৰথম দহটা স্থানৰ শীৰ্ষত আছে দুজন প্ৰাৰ্থী। কামৰূপ গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সাধনা দেৱী আৰু তিনিচুকীয়া অ'মৈন কলেজৰ চেৰী গোহাঁয়ে যৌথভাৱে লাভ কৰিছে শীৰ্ষস্থান। মুঠ ৫০০ নম্বৰৰ ভিতৰত প্ৰথম স্থান লাভ কৰা প্ৰাৰ্থী গুৰৰাকীয়ে ৪৮৭ নম্বৰকৈ আহৰণ কৰিবলৈ সক্ষম হৈছে। আনহাতে বাণিজ্য শাখাৰ প্ৰথম দহটা স্থানৰ শীৰ্ষত আছে কাছাৰ জিলাৰ বিবেকানন্দ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সাগৰ আগৰৱাল। মুঠ ৪৮২ নম্বৰ লাভ কৰিছে মেধাৱী ছাত্ৰজনে। উল্লেখ্য যে এইবাৰ কলা শাখাত অৱতীৰ্ণ হৈছিল ১,৫৬,১০৭ গৰাকী পৰীক্ষাৰ্থী। ইয়াৰে প্ৰথম বিভাগ লাভ কৰিছে ২৯,৪৮৭ জনে। দ্বিতীয় বিভাগ লাভ কৰিছে ৫২,৯৪৪ জনে। আনহাতে তৃতীয় বিভাগ লাভ কৰিছে ৪৭,৮৯৩ জনে। এনেকৈয়ে কলা শাখাত উত্তীৰ্ণ হৈছে ১,৩০,৩২৪ গৰাকী। বাণিজ্য শাখাত অৱতীৰ্ণ পৰীক্ষাৰ্থীৰ সংখ্যা আছিল ১৫,১৯৯ গৰাকী। ইয়াৰে ৫০১৮ জনে প্ৰথম বিভাগ, ৫৮১৬ জনে দ্বিতীয় বিভাগ আৰু ৩০৬০ জনে তৃতীয় বিভাগসহ মুঠ উত্তীৰ্ণৰ সংখ্যা হ'ল ১৩,২৬৪ জন। একেদৰে বিজ্ঞান শাখাত অৱতীৰ্ণ হৈছিল ৩৩,৫৩৪ জন। ইয়াৰে প্ৰথম বিভাগত ২০,১৭১ জন; দ্বিতীয় বিভাগত ৯,৮৩৩ জন আৰু তৃতীয় বিভাগত ৯১১ জনসহ মুঠ উত্তীৰ্ণৰ সংখ্যা হ'ল ৩০,৯১৫ জন। এনেকৈয়ে তিনিওটা শাখাৰ চূড়ান্ত ফলাফল সোমবাৰে প্ৰকাশ কৰা হ'ল। ২০২১ বৰ্ষত ক'ভিড প্ৰট'কলৰ বাবে আনুষ্ঠানিক পৰীক্ষা অনুষ্ঠিত কৰা হোৱা নাছিল। বিকল্প মাধ্যমেৰে মূল্যাংকন কৰি শিক্ষাৰ্থীসকলৰ ফলাফল ঘোষণা কৰা হৈছিল। সেই অনুসৰি বিগত বৰ্ষত বিজ্ঞান শাখাত ৯৯.০৬ শতাংশ উত্তীৰ্ণ হৈছিল। আনহাতে বিগত বৰ্ষত কলা শাখাত ৯৮.৯৩ শতাংশ আৰু বাণিজ্য শাখাত ৯৯.৫৭ শতাংশ উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছিল।

## নলবাৰীত দুগৰাকী ছাত্ৰীৰ স্থান

স্থান লাভ কৰিব বুলি নিশ্চিত আছিল বুলিও কয়। নিয়মীয়াকৈ অধ্যয়ন কৰিলে সফলতা আহিবই বুলি তেওঁ মন্তব্য কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত সাত নম্বৰৰ বাবে স্থান লাভৰ পৰা বঞ্চিত মেধাৱী ছাত্ৰীগৰাকীয়ে সম্প্ৰতি কটন বিশ্ববিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিষয়ত মেজৰ লৈ অধ্যয়ন কৰিব বুলি কয়। ভৱিষ্যতে এগৰাকী সু-নাগৰিক হোৱাৰ লগতে অধ্যাপক হোৱাৰ মন পুহি ৰখা বুলিও কয় বিদিশাই। আনহাতে, চতুৰ্থ স্থান লাভ কৰিব বুলি ভবা নাছিল যদিও এটা স্থান পাব বুলি আশা কৰিছিল বুলি মন্তব্য কৰে প্ৰিয়ংকা বৈশ্যই। এই সফলতাৰ বাবে অত্যন্ত সুখ অনুভৱ কৰা বুলি তেওঁ মন্তব্য কৰে। পঢ়াৰ ক্ষেত্ৰত তেনে কোনো নিৰ্দিষ্ট সময়সূচী নাছিল বুলি উল্লেখ কৰি কৃতী ছাত্ৰীগৰাকীয়ে যেতিয়া সময় পাইছিল তেতিয়াই পঢ়িছিল বুলিও কয়। আনহাতে, ঘৰুৱা শিক্ষক নাছিল বুলি উল্লেখ কৰে মেধাৱী ছাত্ৰীগৰাকীয়ে। জীৱনত মাজে-সময়ে হতাশা আহিছিল যদিও সকলোৱে পঢ়াৰ ক্ষেত্ৰত যথেষ্ট উৎসাহ যোগাইছিল বুলিও তেওঁ ব্যক্ত কৰে। পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব লাগে বুলি কয় চতুৰ্থ স্থান দখল কৰা প্ৰিয়ংকাই। সমাজৰ উন্নতি কৰাৰ মন আছে বাবেই ভৱিষ্যতে এগৰাকী দক্ষ প্ৰশাসনিক বিষয়া হোৱাৰ মন পুহি ৰখা বুলি কৃতী ছাত্ৰীগৰাকীয়ে জানিবলৈ দিছে। নলবাৰীৰ জানিগোগ নিৱাসী তথা পুব বাঁহজানী গোপালথান বালিকা বিদ্যা মন্দিৰ স্কুলৰ সহকাৰী শিক্ষক ধৰ্ম বৈশ্য আৰু অঞ্জলি বৈশ্যৰ কন্যা প্ৰিয়ংকাই ইংৰাজীত ৯৭, অসমীয়াত ৯৯, অৰ্থনীতিত ৯৮, সমাজতত্বত ৮৮, তৰ্কশাস্ত্ৰত ৯৯ আৰু শিক্ষা বিষয়ত ৮৩ নম্বৰসহ মুঠ ৪৮১ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি কটন বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ত মেজৰ লৈ অধ্যয়ন কৰিব বুলি কয় কৃতী ছাত্ৰীগৰাকীয়ে। আনহাতে, অইন জিলাত অধ্যয়ন কৰিলেও এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ল নলবাৰীৰ দুগৰাকী কৃতী শিক্ষাৰ্থী। নলবাৰী জিলাৰ বৰমুৰিকোণা নিৱাসী অজিত শৰ্মা আৰু মৰমী দেৱীৰ জ্যেষ্ঠ কন্যা সাধনা দেৱীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ্থীৰ কলা শাখাত প্ৰথমস্থান দখল কৰে। বাইহাটা চাৰিআলিৰ ৰামানুজন একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মুঠ ৪৮৭ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰত প্ৰথম স্থান দখল কৰিছে সাধনা দেৱীয়ে। আনহাতে, নলবাৰী সন্ধাৰ বিশাল বিকাশ বৈশ্যই বৰপেটাৰ আনন্দৰাম বৰুৱা একাডেমীৰ পৰা পৰীক্ষাত উত্তীৰ্ণ হৈ ৰাজ্যৰ ভিতৰত সপ্তম স্থান দখল কৰে। ছাত্ৰগৰাকীয়ে মুঠ ৪৭৭ নম্বৰ লাভ কৰি নলবাৰী জিলালৈ সুনাম কঢ়িয়াই আনে।

## কলা শাখাত এজনৰ বিপৰীতে

কলা শাখাত ৰাজ্যৰ ভিতৰত দশম স্থান লাভ কৰিছে। ছাত্ৰীগৰাকীয়ে লাভ কৰিছে ৪৭৩ নম্বৰ। শিৱসাগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা পঞ্চম স্থান লাভ কৰা প্ৰথম আগৰৱালাই তেওঁৰ সফলতাৰ বাবে দৈনিক অধ্যয়ন আৰু শিক্ষকৰ অৱিহণাক অগ্ৰাধিকাৰ দিয়ে। তেওঁ কয় যে একাগ্ৰতাৰে দৈনিক ছয়-সাত ঘণ্টা অধ্যয়নে যিকোনো পঢ়ুৱৈক কাংক্ষিত সফলতা প্ৰদান কৰিব পাৰে। এক নিৰ্দিষ্ট ৰুটিন অনুসৰি মনপুতি অধ্যয়ন কৰিলে সফলতা নিশ্চিত। সকলো দিশতে ম'বাইল বেয়া নহয় বুলি তেওঁ উল্লেখ কৰি কয় যে ম'বাইলৰ উপযুক্ত ব্যৱহাৰে পঢ়ুৱৈক সহায় কৰে। ভৱিষ্যতে এগৰাকী ছাৰ্টাৰ্ড একাউন্টেণ্ট হোৱাৰ আশা পুহি ৰখা প্ৰথমে এই দিশত মনোনিৱেশ কৰিব বুলি জানিবলৈ দিয়ে। সেইদৰে শিৱসাগৰ নগৰৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা বাণিজ্য শাখাত সপ্তম স্থান লাভ কৰা বন্দনা বলদেৱাই ৰাজস্থানৰ পৰা তেওঁৰ মনৰ ভাব ব্যক্ত কৰে। বৰ্তমান ৰাজস্থানত থকা বন্দনাই তেওঁৰ এই সফলতাৰ বাবে শিক্ষক, অভিভাৱকৰ লগতে বন্ধুমহলক ধন্যবাদ জ্ঞাপন কৰি কয় যে এক নিৰ্দিষ্ট সূচী অনুসৰি কৰা প্ৰণালীবদ্ধ অধ্যয়নে সকলোকে সফলতা প্ৰদান কৰিব পাৰে। শ্ৰেণী কোঠাৰ শিক্ষাৰ লগতে অনলাইন শিক্ষাও আজিৰ দিনত দৰকাৰী বুলি মেধাৱী ছাত্ৰীগৰাকীয়ে উল্লেখ কৰে। বাণিজ্য বিষয়ত উচ্চ শিক্ষা লাভৰ সপোন পুহি ৰখা বন্দনাই শিক্ষাৰ্থীসকলক নিৰ্দিষ্ট সূচী আৰু একাগ্ৰতাৰ মাজেৰে শৈক্ষিক জীৱন আগবঢ়াই নিবলৈ পৰামৰ্শ প্ৰদান কৰে। আনহাতে, অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ বিজয় ধ্বজা উৰুৱাই শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত দশম স্থান লাভ কৰা দেৱাশ্ৰুতি হাজৰিকাই শিক্ষা গ্ৰহণৰ বেলিকা মাধ্যম হেঙাৰ হ'ব নোৱাৰে বুলি উল্লেখ কৰে। তেওঁ কয় যে নিজৰ সময় আৰু সুবিধা অনুযায়ী অধ্যয়ন আগবঢ়াই নিয়া সকলো ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য। নিৰ্দিষ্ট ৰুটিন আৰু সময় অনুসৰণ নকৰি, যেতিয়াই মন যায় তেতিয়াই পঢ়াত বহা দেৱাশ্ৰুতিয়ে ভৱিষ্যতে নিজকে এজন প্ৰশাসনিক বিষয়াৰূপে গঢ় দিয়াৰ লক্ষ্য বান্ধি লৈছে। অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰা লাভ কৰা এই সফলতাক লৈ সততে জিলাখনত এক আনন্দৰ পৰিৱেশ সৃষ্টি হৈছে। কিন্তু দেৱাশ্ৰুতিয়ে মাধ্যম গুৰুত্বপূৰ্ণ নহয় বুলি উল্লেখ কৰি কয় যে একাগ্ৰতা আৰু নিষ্ঠাৰে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দৈনিক পাঠ আগবঢ়াই নিয়া উচিত। উল্লেখ্য যে আজি ঘোষণা কৰা ফলাফল অনুসৰি শিৱসাগৰ জিলাৰ কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ উত্তীৰ্ণৰ শতকৰা হাৰ ক্ৰমে ৮৯.৭৭,৯১.৭৪ আৰু ৯৭.৮৩ শতাংশ। বিজ্ঞান শাখাত শিৱসাগৰ জিলাই বাক্সা জিলাৰ পাছতে উত্তীৰ্ণৰ হাৰত ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছে। কলা শাখাত জিলাখনৰ পৰা ৪,৬৪১গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে উত্তীৰ্ণ হয় ৪,১৬৬গৰাকী। সেইদৰে বাণিজ্য শাখাত অৱতীৰ্ণ হোৱা ৩৩৯গৰাকীৰ ভিতৰত ৩১১গৰাকী উত্তীৰ্ণ হোৱাৰ বিপৰীতে বিজ্ঞান শাখাত ১,১৫৩ গৰাকী শিক্ষাৰ্থী উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ১,১২৮ গৰাকী উত্তীৰ্ণ হয়। কলা শাখাত মুঠ উত্তীৰ্ণৰ ভিতৰত ১,১৬২গৰাকীয়ে প্ৰথম বিভাগ, ১,৬৬৫গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ১,৩৩৯গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰিবলৈ সক্ষম হয়। সেইদৰে বাণিজ্য শাখাত মুঠ উত্তীৰ্ণৰ ১৪২গৰাকীয়ে প্ৰথম বিভাগ, ১০১ দ্বিতীয় আৰু ৬৮গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। আনহাতে, বিজ্ঞান শাখাত ৮৮৪গৰাকীয়ে প্ৰথম, ২৩৫গৰাকীয়ে দ্বিতীয় আৰু ৯গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়।

## ভৱিষ্যতে এগৰাকীৰ

ভিতৰত কলা শাখাত শংকৰদেৱ জুনিয়ৰ কলেজৰ অন্তৰ্গত শংকৰদেৱ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সুদীপ্তা দেৱনাথে তৃতীয় স্থান দখল কৰাৰ লগতে হোজাই আজমল কলেজৰ শ্বহীদ আহমেদ খণ্ডকাৰে ষষ্ঠ স্থান দখল কৰি হোজাইৰ শিক্ষা জগত আৰু হোজাইবাসীৰ বাবে সুনাম কঢ়িয়াই আনিছে। সুদীপ্তা দেৱনাথৰ এনে ফলাফলে শংকৰদেৱ জুনিয়ৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলৰ মাজতো এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়। কলা বিভাগৰ পৰা মুঠ ৪৮৩ নম্বৰ লাভ কৰি তৃতীয় স্থানপ্ৰাপক সুদীপ্তা দেৱনাথে ভৱিষ্যতে এগৰাকী অসামৰিক বিষয়া হোৱাৰ লক্ষ্য বুলি জনোৱাৰ লগতে প্ৰতি দিনে ছয়-সাত ঘণ্টাকৈ পঢ়া-শুনা কৰাৰ লগতে কিতাপৰ সকলো পাঠৰ ভিতৰুৱা বিষয়সমূহ সকলো সময়তে ৰিভিচন কৰিছিল বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। সুদীপ্তা উত্তৰ গোলাঘাটিয়া বস্তিৰ স্বপন দেৱনাথ আৰু ৰীণা দেৱনাথৰ জীয়ৰী। আনহাতে, আজমল কলেজৰ ছাত্ৰ শ্বহীদ আহমেদ খণ্ডকাৰে মুঠ ৪৭৮ নম্বৰ লাভ কৰি কলা বিভাগত ষষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হয়। পিতৃ শাকিব আহমেদ খণ্ডকাৰ আৰু মাতৃ লতিফ খানম খণ্ডকাৰৰ পুত্ৰ শ্বহীদ আহমেদ আইন বিষয়ত অধ্যয়ন কৰি এজন আইনজ্ঞ হোৱাৰ মন বুলি মন্তব্য কৰে। ফলাফলৰ খবৰ পোৱা মাত্ৰকেই শিক্ষা প্ৰতিষ্ঠান দুখনত এক উৎসৱমুখৰ পৰিৱেশ দেখিবলৈ পোৱা যায়। দুয়োগৰাকীৰ সফলতাত উৎফুল্ল অঞ্চলবাসী, পিতৃ-মাতৃ তথা কলেজৰ শিক্ষাগুৰুসকল। আজিৰ ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলে কলা বিভাগত তৃতীয় আৰু ষষ্ঠ স্থান দখল কৰি সদীপ্তা দেৱনাথ আৰু শ্বহীদ আহমেদে হোজাইৰ সমাজ জীৱনত আৰু শিক্ষা জগতত যি গৌৰৱ কঢ়িয়াই আনিলে তাৰ বাবে হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ তথা অন্যান্য বিশিষ্ট ব্যক্তিসকলেও দুয়োগৰাকীক শুভেচ্ছা জনায়।

## ডিব্ৰুগড়ৰ চাৰি ছাত্ৰীৰ স্থান

চিৰিং গাঁৰৰ মূলা গাভৰু পথ নিবাসী তথা জলসম্পদ বিভাগৰ কৰ্মচাৰী গৌতম কৌশিক বৰুৱা আৰু গৃহিনী ৰঞ্জন শইকীয়া বৰুৱাৰ কন্যা অলংকৃতাই ২০২০ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাতো ৰাজ্যৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিছিল। আজৰি সময়ত কিতাপ পঢ়ি ভাল পোৱা অলংকৃতাৰ ভৱিষ্যৎ পৰিকল্পনা হৈছে এগৰাকী সু-চিকিৎসক হোৱাৰ। শিক্ষাগুৰুৰ পৰামৰ্শ অনুসৰি শিক্ষান্ত পৰীক্ষাৰ বাবে নিজকে প্ৰস্তুত কৰিছিল অলংকৃতাই। ইফালে অলংকৃতাৰ এই কৃতিত্বত উৎফুল্ল হৈ পৰিছে বিদ্যালয়ৰ লগতে সমগ্ৰ অঞ্চলটো। বিজ্ঞান শাখাত পঞ্চম স্থান লাভ কৰা তিনিচুকীয়া মাকুমৰোডস্থিত সিদ্ধামৰ নিৱাসী তথা ব্যৱসায়ী পিতৃ চোহেইব আহমেদ আৰু গৃহিনী মাতৃ চৰনাম চোহেইবৰ কন্যা আয়মান চোহেবে নিটৰ কাৰণে প্ৰস্তুতি চলাই থকাৰ কথা প্ৰকাশ কৰিছে। কঠোৰ অধ্যয়নে শিক্ষাৰ্থী জীৱনক সফল কৰি তোলাত সহায় কৰে বুলি মন্তব্য আয়মানৰ। লক্ষ্য ভৱিষ্যতে চিকিৎসক হৈ দৰিদ্ৰজনৰ সেৱা কৰা। ডিব্ৰুগড়ৰ আমোলাপট্টীস্থিত ড° ৰাধাকৃষ্ণন স্কুল অৱ আৰ্টছ, কমাৰ্চ এণ্ড ছাইন্সৰ ছাত্ৰী অভিলাষা দত্তই বিজ্ঞান শাখাত ষষ্ঠ স্থান লাভ কৰিছে। লখিমপুৰ জিলাৰ কে বি ৰোডৰ জীয়ৰী অভিলাষাই ভৱিষ্যতে এগৰাকী সু-চিকিৎসক হোৱাৰ সপোন পুহি ৰখাৰ কথা প্ৰকাশ কৰিছে। ২০২০ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাতো অভিলাষাই সপ্তম স্থান দখল কৰিবলৈ সক্ষম হৈছিল। অভিলাষাৰ পিতৃ অলক কুমাৰ দত্ত হৈছে সহকাৰী পৰিসংখ্যা বিষয়া আৰু মাতৃ পল্লৱিকা দত্ত হৈছে এগৰাকী গৃহিনী। এইগৰাকী কৃতী ছাত্ৰীৰ কৃতিত্বত বিদ্যালয়খনত উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰে। ইফালে একেখন শিক্ষানুষ্ঠানৰে অন্তৰিক্ষা মজুমদাৰে বিজ্ঞানত দশম স্থান লাভ কৰিছে। চহৰখনৰ আমোলাপট্টীস্থিত তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূতত্ত্ব বিভাগৰ অধ্যাপক ড° দিলীপ মজুমদাৰ আৰু ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জ্যোতিমা ফুকনৰ কন্যা অন্তৰীক্ষাই চিকিৎসক অথবা অভিযন্তা হোৱাৰ ইচ্ছা প্ৰকাশ কৰিছে। ডিব্ৰুগড় জিলাখনত মুঠ ৮,৩৫৭গৰাকী ছাত্ৰ-ছাত্ৰীয়ে জিলাখনৰ পৰা কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। কলা শাখাৰ পৰা অৱতীৰ্ণ হোৱা ৫,৮০৬গৰাকীৰ ভিতৰত ১,২১১গৰাকীয়ে প্ৰথম বিভাগ লাভ কৰে, ১,৭৩৬ গৰাকীয়ে দ্বিতীয় বিভাগত স্থান লাভ কৰে আৰু ১,৮৬৭গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বাণিজ্য বিভাগত জিলাখনৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৯৫৯গৰাকীৰ ভিতৰত ৩২৯গৰাকীয়ে প্ৰথম বিভাগ, ২৯৭গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ১৯৩গৰাকীয়ে তৃতীয় বিভাগত স্থান লাভ কৰে। বিজ্ঞান বিভাগত জিলাখনে সৰ্বাধিক উত্তীৰ্ণৰ হাৰ ৯৩.৮৭ শতাংশ। বিজ্ঞান বিভাগত অৱতীৰ্ণ হোৱা ১,৫৯২গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মুঠ ১,৪৯৬জন ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হয়; প্ৰথম বিভাগত ১,১৩৮, দ্বিতীয় বিভাগত ৩৩৪ আৰু তৃতীয় বিভাগত ২৪গৰাকী উত্তীৰ্ণ হৈছে।







# প্ৰথম দহৰ ভিতৰত স্থান লাভেৰে নগাঁৱলৈ গৌৰৱ কঢ়িয়ালে ১৪ কীৰ্তিমানে

স্কুলৰ। ইয়াৰ ভিতৰত ৰামানুজন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ৭জন আৰু কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ৫জন ছাত্ৰ-ছাত্ৰীয়ে স্থান লাভ কৰিছে। কলা শাখাত ৰামানুজন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ পৰা এজন ছাত্ৰই তৃতীয় স্থান লাভ কৰে। ইয়াৰ বিপৰীতে কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ পৰা আন এজন ছাত্ৰই বিজ্ঞান শাখাত তৃতীয় স্থান লাভ কৰে।

**বিজ্ঞান শাখাত তৃতীয় স্থান সুৰজিতৰ ঃ** নগাঁও চহৰৰ কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ছাত্ৰ সুৰজিৎ সূত্ৰধৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত তৃতীয় স্থান লাভ কৰিছে। তেওঁ ইংৰাজীত ৯৭, বিকল্প ইংৰাজীত ৯৬, পৰিসংখ্যা বিজ্ঞানত ৯৭, ৰসায়ন বিজ্ঞানত ৯৭, অংকত ৯৯ আৰু জীৱ বিজ্ঞানত ৯৪ নম্বৰসহ মুঠ ৪৮৬ নম্বৰ লাভ কৰিছে। নগাঁও চহৰৰ লক্ষ্মীনগৰ নিৱাসী ব্যৱসায়ী শংকৰ সূত্ৰধৰ আৰু শিক্ষয়িত্ৰী সুমিত্ৰা পালৰ পুত্ৰ সুৰজিতে তেজপুৰ বিশ্ববিদ্যালয়ত অংক গুৰু বিষয় হিচাপে লৈ অধ্যয়ন কৰিব। তেওঁ দৈনিক ১০ ঘণ্টাকৈ পঢ়িছিল যদিও ফলাফল আশা কৰা নাছিল। ফলাফলৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষকসকলৰ অনুপ্ৰেৰণাক কৃতিত্ব প্ৰদান কৰে। ছবি আঁকি আৰু কিতাপ পঢ়ি ভালপোৱা সুৰজিতে ভৱেন্দ্ৰ নাথ শইকীয়াৰ গল্প পঢ়ি ভাল পায়। তেওঁ ৰসায়ন বিজ্ঞান আৰু অংকৰ টিউচন লৈছিল।

**বিজ্ঞানত চতুৰ্থ স্থান ঋত্বিক কুমাৰ সূতৰ ঃ** নগাঁৱৰ কনচেপ্ট কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ ঋত্বিক কুমাৰ সুতে বিজ্ঞান শাখাত চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ ইংৰাজীত ৯৭, বিকল্প ইংৰাজীত ৯৭, পদাৰ্থ বিজ্ঞানত ৯৮, ৰসায়ন বিজ্ঞানত ৯২ আৰু জীৱ বিজ্ঞানত ৯৮ আৰু অংকত ৭০ নম্বৰসহ মুঠ ৪৮২ নম্বৰ লাভ কৰিছে। নগাঁও জিলাৰ ৰহাৰ দীপক কুমাৰ সুত আৰু ৰেণু বৰাৰ পুত্ৰ ঋত্বিকে ভৱিষ্যতে এজন চিকিৎসক হোৱাৰ আশা মনত পুহি ৰাখিছে। ঋত্বিকৰ পিতৃ এজন বিষয় শিক্ষক হোৱাৰ বিপৰীতে মাতৃ ৰহা মহাবিদ্যালয়ৰ অধ্যাপিকা। ঋত্বিকৰ পঢ়াৰ কোনো নিৰ্ধাৰিত সময় নাছিল। সফলতাৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষকক কৃতিত্ব দিয়া ঋত্বিকৰ আদৰ্শ ব্যক্তি হৈছে প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালাম। ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞানত তেওঁ টিউচন লৈছিল। ঋত্বিকে হাইস্কুল শিক্ষান্ত পৰীক্ষাতো দশম স্থান লাভ কৰিছিল। তেওঁ ক্ৰিকেট, বেডমিণ্টন, কাবাদী খেলি ভাল পায়।

**বিজ্ঞানত চতুৰ্থ স্থান ৰামানুজনৰ এলড্ৰিন নাথৰ ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিছে নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ এলড্ৰিন নাথে। এলড্ৰিনে ইংৰাজীত ৯১, অসমীয়াত ৯৬, জীৱ বিজ্ঞানত ৯৮, ৰসায়ন বিজ্ঞান-৯৮, অংকত ৯৯, পদাৰ্থ বিজ্ঞানত ৯৭ নম্বৰসহ মুঠ ৪৮২ নম্বৰ লাভ কৰিছে। মৰিগাঁও জিলাৰ চৰাইবাহীৰ শিক্ষক মিণ্টু কুমাৰ নাথ আৰু মৃণালিনী দেৱীৰ পুত্ৰ এলড্ৰিনে প্ৰথম দহটাৰ ভিতৰত স্থান লাভ কৰিব বুলি ভাবিছিল যদিও চতুৰ্থ স্থান পাব বুলি আশা কৰা নাছিল। ছাত্ৰজনে আই আই টিত নামভৰ্তিৰ বাবে প্ৰস্তুতি চলাই আছে। তেওঁ ভৱিষ্যতে ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰ হ'ব বিচাৰে। বিগত সময়ত মহামাৰী কৰ'নাৰ বাবে তেওঁৰ পঢ়াত বাধাৰ সৃষ্টি হৈছিল। ছাত্ৰজনৰ পঢ়াৰ কোনো নিৰ্ধাৰিত সময় নাছিল। পঢ়াৰ উপৰি তেওঁ সংগীতৰ লগত জড়িত। তেওঁ প্ৰয়োজনতহে ম'বাইল ব্যৱহাৰ কৰে। ম'বাইলত ব্যস্ত থকা নাছিল। ছাত্ৰজনৰ মতে পঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ কোনো খোকোজা থাকিব নালাগে।

**বিজ্ঞান শাখাত ৰোহন শইকীয়াৰ পঞ্চম স্থান ঃ** নগাঁও চহৰৰ কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ ছাত্ৰ ৰোহন শইকীয়াই বিজ্ঞান শাখাত পঞ্চম স্থান লাভ কৰিছে। নগাঁৱৰ শেনছোৱাৰ বাসিন্দা প্ৰয়াত ভূপেন শইকীয়া আৰু কণিকা দেৱীৰ পুত্ৰ ৰোহন শইকীয়াই ইংৰাজীত ৯৭, বিকল্প ইংৰাজীত ৯৬, পদাৰ্থ বিজ্ঞানত ৯৯, ৰসায়ন বিজ্ঞানত ৯৬ আৰু জীৱ বিজ্ঞানত ৯৩, অংকত ৬১ নম্বৰসহ মুঠ ৪৮১ নম্বৰ লাভ কৰিছে। ৰোহনে জনোৱা মতে তেওঁ ভৱিষ্যতে এজন চিকিৎসক হ'ব। তেওঁ আশা কৰা মতেই ফল লাভ কৰিছে। ক্ৰিকেট, কাবাদী আৰু বেডমিণ্টন খেলি ভালপোৱা ৰোহনে ডিটেক্টিভ উপন্যাস পঢ়ি ভাল পায়। তেওঁৰ ফলাফলৰ বাবে দেউতাকৰ আশীৰ্বাদ, মাকৰ প্ৰেৰণা আৰু শিক্ষকসকলৰ প্ৰেৰণা মূল শক্তি বুলি উল্লেখ কৰে। দৈনিক ৩-৯ ঘণ্টাকৈ অধ্যয়ন কৰা ৰোহনে ৰসায়ন আৰু জীৱ বিজ্ঞানৰ টিউচন লৈছিল।

**বিজ্ঞান শাখাত সপ্তম স্থানত ৰামানুজনৰ বৈভৱ সোণোৱাল ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰত সপ্তম স্থান লাভ কৰিছে নগাঁৱৰ ৰামানুজন ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ বৈভৱ সোণোৱালে। বৈভৱে ইংৰাজীত ৮৭, অসমীয়াত ৯২, অংকত ১০০, পদাৰ্থ বিজ্ঞানত ৯৮, পৰিসংখ্যা বিজ্ঞানত ১০০, ৰসায়ন বিজ্ঞানত ৯৭ নম্বৰসহ মুঠ ৪৭৭ নম্বৰ লাভ কৰিছে। গুৱাহাটী মহনগৰীৰ কাহিলিপাৰা জনকপুৰ নিৱাসী অভিযন্তা নীলোৎপল দাস আৰু আৰতি বৰদলৈ দাসৰ পুত্ৰ বৈভৱ নিজৰ ফলাফলক লৈ অত্যন্ত সুখী। তেওঁ ৰাজ্যৰ ভিতৰত স্থান লাভ কৰিব বুলি আশা কৰিছিল। ছাত্ৰজনে কোনো টাইম-টেবুল মতে পঢ়া নাছিল যদিও দৈনিক ১০-১২ ঘণ্টাকৈ পঢ়িছিল। সফলতাৰ বাবে নিজৰ পিতৃ-মাতৃ, আইতাক, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি কৃতজ্ঞ ছাত্ৰজন। ছাত্ৰজনৰ মতে জীৱনত শীৰ্ষ দহৰ ভিতৰত স্থান লাভ কৰাটোৱে সকলো নহয়। কোনো লাইনত পঢ়াৰ ক্ষেত্ৰত 'এনট্ৰেন্স'ৰ ওপৰত গুৰুত্ব দিব লাগে। অসমৰ ছাত্ৰ-ছাত্ৰী মেধা হোৱা সত্বেও বহু ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। বৈভৱৰ ভৱিষ্যৎ লক্ষ্য এজন অভিযন্তা হোৱা।

**বিজ্ঞান শাখাত নৱম স্থান লাভৰে উজলিল দেৱাশিস শৰ্মা ঃ** নগাঁৱৰ কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ ছাত্ৰ দেৱাশিস শৰ্মাই আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত নৱম স্থান লাভ কৰিছে। তেওঁ ইংৰাজীত ৯৮, বিকল্প ইংৰাজীত ৯৬, পদাৰ্থ বিজ্ঞানত ৯৬, ৰসায়ন বিজ্ঞানত ৯৩, জীৱ বিজ্ঞানত ৯২ আৰু অংকত ৫০ নম্বৰসহ মুঠ ৪৭৫ নম্বৰ লাভ কৰিছে। নগাঁও জিলাৰ ফুলগুৰি পূব শালমৰাৰ বাসিন্দা দেৱাশিসৰ পিতৃ অৰূপ শৰ্মা এজন ব্যৱসায়ী। মাতৃ ববিতা মেধি শৰ্মা শালমৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী। তেওঁ যেতিয়াই মন যায় তেতিয়াই অধ্যয়ন কৰিছিল। ফুটবল খেলি ভালপোৱা দেৱাশিসে নগাঁৱত পি জিত থাকি অধ্যয়ন কৰিছিল। ভৱিষ্যতে এজন চিকিৎসক হোৱাৰ মন দেৱাশিসৰ।

**বিজ্ঞানত নৱম স্থান ৰামানুজনৰ বিকিৰণ নাথৰ ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰত নৱম স্থান লাভ কৰিছে নগাঁৱৰ ৰামানুজন ছেকেণ্ডৰী স্কুলৰ ছাত্ৰ বিকিৰণ নাথে। তেওঁ ইংৰাজীত ৮৮, অসমীয়াত ৯৭, পদাৰ্থ বিজ্ঞানত ৯৬, ৰসায়ন বিজ্ঞানত ৯৬, অংকত ৯৮, জীৱ বিজ্ঞানত ৯৪ নম্বৰসহ মুঠ ৪৭৫ নম্বৰ লাভ কৰিছে। মঙলদৈৰ মিলনপুৰ নিৱাসী শিক্ষক অজয় কুমাৰ নাথ আৰু শিক্ষয়িত্ৰী ৰঞ্জু ৰাণী নাথৰ পুত্ৰ বিকিৰণে ভাল ফলাফল হ'ব বুলি আশা কৰিছিল যদিও শীৰ্ষ দহৰ ভিতৰত স্থান পাব বুলি আশা কৰা নাছিল। বিকিৰণে নিয়মীয়াকৈ পঢ়িছিল যদিও কোনো ৰুটিন মতে পঢ়া নাছিল। ছাত্ৰজনে নিজৰ সফলতাৰ কৃতিত্ব অধ্যক্ষ, শিক্ষক - শিক্ষয়িত্ৰী, পিতৃ - মাতৃ, পৰিয়ালক দিব বিচাৰে। ভৱিষ্যতে চিকিৎসক হোৱাৰ লক্ষ্যৰে চিকিৎসা বিজ্ঞানত নামভৰ্তি কৰিব বিকিৰণে। বাহিৰা কিতাপ পঢ়ি, ছবি আঁকি ভাল পোৱা ছাত্ৰজনৰ প্ৰিয় লেখক অনুৰাধা শৰ্মা পূজাৰী। বিকিৰণৰ মতে ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ভাল অৰ্থত ব্যৱহাৰ কৰিব লাগে।

**বিজ্ঞানত নৱম স্থান ৰামানুজনৰ প্ৰীতম সৰকাৰৰ ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰত নৱম স্থান লাভ কৰিছে নগাঁৱৰ ৰামানুজন ছেকেণ্ডেৰী স্কুলৰ ছাত্ৰ প্ৰীতম সৰকাৰে। প্ৰীতমে ইংৰাজীত ৮৯, বিকল্প ইংৰাজীত ৯২, পদাৰ্থ বিজ্ঞানত ৯৬, ৰসায়ন বিজ্ঞানত ৯৯, অংকত ৯৯ আৰু জীৱ বিজ্ঞানত ৯৬ নম্বৰসহ মুঠ ৪৭৫ নম্বৰ লাভ কৰিছে। গোৱালপাৰা জিলাৰ কৃষ্ণাই নিৱাসী ব্যৱসায়ী স্বপন সৰকাৰ আৰু গৃহিনী অনিমা সৰকাৰৰ পুত্ৰ প্ৰীতম নিজৰ ফলাফলক লৈ সুখী। আশা কৰা ধৰণেৰে ছাত্ৰজনে ফলাফল লাভ কৰিছে। সফলতাৰ বাবে ছাত্ৰজনে দৈনিক ১০-১২ ঘণ্টাকৈ পঢ়িছিল। ছাত্ৰজনৰ ভৱিষ্যৎ লক্ষ্য চিকিৎসক হোৱা। আজৰি সময়ত ছাত্ৰজনে বিজ্ঞানভিত্তিক কিতাপ, ভি ডি অ' চাই, ক্ৰিকেট খেলি ভাল পায়। প্ৰীতমৰ মতে— ছাত্ৰ-ছাত্ৰীয়ে ম'বাইলৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰিব পাৰিলে ভাল। ম'বাইলৰ অপব্যৱহাৰ হ'লে ছাত্ৰ-ছাত্ৰীৰ ক্ষতি হ'ব পাৰে। ছাত্ৰজনে কয়- অসমত পঢ়াৰ পৰিৱেশ পূৰ্বৰ তুলনাত ভাল হৈছে যদিও অঞ্চল বিশেষে বহু সমস্যা আছে।

**কলা শাখাত তৃতীয় নগাঁৱৰ ৰামানুজনৰ নিলয় কুৰ্মী ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত ৰাজ্যৰ ভিতৰত তৃতীয় স্থান লাভ কৰিছে নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ছাত্ৰ নিলয় কুৰ্মীয়ে। ছাত্ৰজনে ইংৰাজীত ৯৪, বিকল্প ইংৰাজীত ৯৮, বুৰঞ্জীত ৯৭, সমাজতত্ত্বত ৯৫, ৰাজনীতি বিজ্ঞানত ৯৯ আৰু ভূগোলত ৯৪ নম্বৰসহ মুঠ ৪৮৩ নম্বৰ লাভ কৰিছে। ছাত্ৰজনৰ ঘৰ বিশ্বনাথ চাৰিআলিত। নিলয়ৰ পিতৃ নৱজ্যোতি কুৰ্মী এগৰাকী ফাৰ্মাচিষ্ট, মাতৃ ৰুমী কুৰ্মী এগৰাকী গৃহিনী। নিলয়ে কয়, সফলতাৰ পিছত দৌৰা নাছিলো। সফলতাৰ সম্পৰ্কত ছাত্ৰজনে কয়- জ্ঞানৰ অন্বেষণত আগবাঢ়ি গৈছিলো। যিখিনি সময় পঢ়িছিলো ভালদৰে পঢ়িছিলো। সফলতাৰ বাবে নিলয় ভগৱান, পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি কৃতজ্ঞ। ছাত্ৰজনৰ মতে - সফলতাৰ বাবে যিখিনি পঢ়া হয় তাক খৰচি মাৰি পঢ়িব লাগে। বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত নম্বৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। নিলয়ে ইংৰাজীত মেজৰ লৈ পঢ়িব। ভৱিষ্যতে সাংবাদিকতাৰ পাঠ্যক্ৰম কৰাৰ লক্ষ্য আছে ছাত্ৰজনৰ। বাহিৰা কিতাপ পঢ়ি ভালপোৱা ছাত্ৰজনৰ প্ৰিয় লেখক- জে কে ৰাউলিং আৰু জাহ্নৱী বৰুৱা।

**কলা শাখাত পঞ্চম স্থান প্ৰত্যুষ প্ৰতিম বৰাৰ ঃ** নগাঁও চহৰৰ কনচেপ্ট ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ প্ৰত্যুষ প্ৰতিম বৰাই আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত পঞ্চম স্থান লাভ কৰিছে। প্ৰত্যুষৰ ঘৰ নগাঁও জিলাৰ কঠীয়াতলীৰ লুংপুঙত। প্ৰত্যুষ প্ৰতিমৰ পিতৃ ৰবীন্দ্ৰনাথ বৰা এজন শিক্ষক আৰু মাতৃ বীণা বৰা শিক্ষয়িত্ৰী। তেওঁ ইংৰাজীত ৯৬, বিকল্প ইংৰাজীত ৯৯, বুৰঞ্জীত ৯০, ভুগোলত ৯৭, ৰাজনীতি বিজ্ঞানত ৯৮ আৰু দৰ্শন শাস্ত্ৰত ৮৩ নম্বৰসহ মুঠ ৪৮০ নম্বৰ লাভ কৰিছে। ভৱিষ্যতে এজন প্ৰশাসনিক বিষয়া হোৱাৰ মন। প্ৰত্যুষে স্থান লাভ কৰিব বুলি আশা কৰিছিল। কিতাপ পঢ়ি ভাল পোৱা প্ৰত্যুষৰ প্ৰিয় লেখক লক্ষ্মীনাথ বেজবৰুৱা, ড° ভবেন্দ্ৰনাথ শইকীয়া আৰু হোমেন বৰগোহাঞি। তেওঁৰ পঢ়াৰ কোনো নিৰ্ধাৰিত সময় নাছিল। তেওঁ কয় যে অসমত প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ বাবে চৰকাৰী পৃষ্ঠপোষকতাত ক'চিং চেণ্টাৰ আৰম্ভ হ'লে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব।

**কলাত ষষ্ঠ ৰামানুজনৰ উপাসনা শইকীয়া ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত কলা শাখাত ৰাজ্যৰ ভিতৰত ষষ্ঠ স্থান লাভ কৰিছে নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ছাত্ৰী উপাসনা শইকীয়াই। ছাত্ৰীগৰাকীয়ে ইংৰাজীত ৯১, বিকল্প ইংৰাজীত ৯২, ভুগোলত ৯৮, পৰিসংখ্যা বিজ্ঞানত ৯৮, অৰ্থনীতিত ৯৯, অংকত ৭০ নম্বৰসহ মুঠ ৪৭৮ নম্বৰ লাভ কৰিছে। নগাঁও চহৰৰ আমোলাপট্টী নিৱাসী ব্যৱসায়ী আনন্দ শইকীয়া আৰু সমাজ কল্যাণ বিভাগৰ ছুপাৰভাইজাৰ জ্যোতিকা হাজৰিকাৰ কন্যা উপাসনাই ৰাজ্যৰ ভিতৰত প্ৰথম দহৰ ভিতৰত স্থান লাভ কৰিব বুলি ভবা নাছিল। পৰীক্ষাৰ আগত এমাহ ধৰি ক'ভিডত আক্ৰান্ত হৈ আছিল ছাত্ৰীগৰাকী। ছাত্ৰীগৰাকীয়ে কয়— ৰামানুজনৰ অধ্যক্ষ দিলীপ বৰা ছাৰৰ অনুপ্ৰেৰণাতহে তেওঁ এনে ফলাফল লাভ কৰিছে। ছাত্ৰীগৰাকীয়ে অৰ্থনীতিত মেজৰ লৈ পঢ়ি ভৱিষ্যতে অৰ্থনৈতিক ক্ষেত্ৰত গৱেষণা কৰিব বিচাৰে। ছাত্ৰীগৰাকীৰ কোনো টিউচন নাছিল। দৈনিক ১৩ ঘণ্টাকৈ পঢ়িছিল ছাত্ৰীগৰাকীয়ে। ছাত্ৰীগৰাকীয়ে নিজৰ সাফল্যৰ কৃতিত্ব পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীক দিব বিচাৰে। আজৰি সময়ত নৃত্য কৰি, গান গাই, ছবি আঁকি, কিতাপ পঢ়ি ভালপোৱা ছাত্ৰী গৰাকীৰ প্ৰিয় গ্ৰন্থ- অসীমত যাৰ হেৰাল সীমা। ৰীতা চৌধুৰীৰ কিতাপ পঢ়ি তেওঁ ভাল পায়। ছাত্ৰীগৰাকীৰ মতে সদায় অলপ অলপ পঢ়ি গ'লে পৰীক্ষাৰ সময়ত হেঁচা কমি যায়। ম'বাইলৰ ব্যৱহাৰৰ সম্পৰ্কত ছাত্ৰীগৰাকীয়ে কয়— ম'বাইলৰ ব্যৱহাৰ ভাল হ'লে ভাল ফলো পাব পাৰি।

**কলাত দশম স্থান লাভ কৰা মেঘনা বৰাৰ লক্ষ্য প্ৰশাসনিক বিষয়া হোৱা ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত কলা শাখাত ৰাজ্যৰ ভিতৰত দশম স্থান লাভ কৰিছে নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী মেঘনা বৰাই। ছাত্ৰীগৰাকীয়ে ইংৰাজীত ৮৫, অসমীয়াত ৯২, ৰাজনীতি বিজ্ঞানত ৯৭, শিক্ষাত ৯৯, দৰ্শন শাস্ত্ৰত ১০০ আৰু ভুগোলত ৯২ নম্বৰসহ মুঠ ৪৭৩ নম্বৰ লাভ কৰিছে। মৰিগাঁও জিলাৰ কপাহেৰা নিৱাসী অৱসৰপ্ৰাপ্ত কৰ্মচাৰী দীপক কুমাৰ বৰা আৰু শিক্ষয়িত্ৰী বুলবুল বৰদলৈৰ কন্যা মেঘনা বৰাই শীৰ্ষ দহৰ ভিতৰত স্থান লাভ কৰিব বুলি পঢ়া নাছিল। কোনো নিৰ্দিষ্ট হিচাপত দৈনিক পঢ়া নাছিল যদিও যিমান পাৰে সিমান পঢ়িছিল। আজৰি সময়ত ছবি আঁকি ভালপোৱা ছাত্ৰীগৰাকীয়ে সাংস্কৃতিক অনুষ্ঠান আদিত অংশগ্ৰহণ কৰি ভাল পায়। নিজৰ সফলতাৰ কৃতিত্ব ৰামানুজনৰ অধ্যক্ষ, পিতৃ-মাতৃ, পৰিয়াল, শিক্ষক, সহায় কৰা সকলোকে দিব বিচাৰে ছাত্ৰীগৰাকীয়ে। বাহিৰা কিতাপ পঢ়ি ভাল পোৱা ছাত্ৰীগৰাকীৰ প্ৰিয় সাহিত্যিক মামণি ৰয়ছম গোস্বামী। মেঘনাৰ ভৱিষ্যৎ লক্ষ্য প্ৰশাসনিক বিষয়া হোৱাৰ।

**বাণিজ্য শাখাত নৱম স্থান চন্দন বৰাৰ ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ বাণিজ্য শাখাত নগাঁৱৰ গীতাঞ্জলি কনিষ্ঠ মহাবিদ্যালয়ৰ চন্দন বৰাই নৱম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। চন্দনে ইংৰাজীত ৮৩, অসমীয়াত ৯২, একাউণ্টেচীত ৯৩, বিজিনেছ ষ্টাডীত ৯৪, বিজিনেচ মেথেমেটিকছ এণ্ড ষ্টেটিটিকছত ৯৯ আৰু ফাইনেন্সত ৮৬ নম্বৰসহ সৰ্বমুঠ ৪৬১ নম্বৰ লাভ কৰিছে। নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ উৰিয়াগাঁও পুতনিৰ চন্দন বৰাই প্ৰমাণ কৰিলে যে দৰিদ্ৰতা কেতিয়াও মেধাৰ ক্ষেত্ৰত বাধা হ'ব নোৱাৰে। চন্দনৰ পিতৃ হৰেন বৰাই হায়দৰাবাদৰ এটা প্ৰতিষ্ঠানত ছিকিউৰিটী গাৰ্ডৰ কাম কৰে। তেওঁৰ মাতৃ নমিতা বৰা গৃহিনী। দৰিদ্ৰতাৰ বাবে অতি কষ্টৰ মাজেৰে পঢ়া-শুনা কৰি উজলি উঠা চন্দনৰ সাফল্যক লৈ পিতৃ-মাতৃ অত্যন্ত সুখী। সাংবাদিকৰ আগত চন্দনে কোৱা মতে তেওঁৰ চাৰ্টাৰ্ড একাউন্টেট হোৱাৰ মন। পঢ়াৰ তেওঁৰ কোনো নিৰ্দিষ্ট সময় নাই। চন্দনে তেওঁৰ সফলতাৰ সিংহভাগ কৃতিত্বৰ দাবীদাৰ তেওঁৰ পিতৃ-মাতৃ বুলি মন্তব্য কৰে। লক্ষ্য সু-নিৰ্দিষ্ট হ'লে ভাল ফল লাভ কৰিব পাৰি বুলি মন্তব্য কৰে কীৰ্তিমান ছাত্ৰজনে। দৰিদ্ৰতাৰ মাজতো উজলি উঠা মেধা ছাত্ৰজনৰ অনাগত সময়ৰ শিক্ষাৰ বাবে আৰ্থিক সহায়ৰ প্ৰয়োজন। এইক্ষেত্ৰত সহায় কৰিবৰ বাবে হিতৈষী লোকসকলক সকলোৱে আহ্বান জনাইছে।

**বাণিজ্য শাখাত অষ্টম স্থানেৰে উজলিল ছিমৰাণ চুৰাণা ঃ** নগাঁৱৰ ভাৰতী বিদ্যাপীঠ কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰী ছিমৰাণ চুৰাণাই আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বাণিজ্য শাখাত অষ্টম স্থান লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ ইংৰাজীত ৯৮, বিকল্প ইংৰাজীত ৯৩, একাউণ্টেচীত ৯৯, বিজিনেছ ষ্টাডীত ৯১, অৰ্থনীতি বিজ্ঞানত ৯৩ আৰু বিজিনেছ মেথেমেটিকছ এণ্ড ষ্টেটিক্ষ্টিছত ৭০ নম্বৰসহ মুঠ ৪৬৫ নম্বৰ লাভ কৰিছে। ছিমৰাণৰ পিতৃ চুৰেন্দ্ৰ চুৰাণা এজন সফল ব্যৱসায়ী। তেওঁৰ মাতৃ চন্দা চুৰাণা গৃহিনী। নগাঁও চহৰৰ ধিং পথৰ বাসিন্দা চিমৰাণে ভৱিষ্যতে কলিকতাত বি কম অধ্যয়ন কৰি এগৰাকী কোম্পানী সচিব হ'ব বিচাৰে বুলি সংবাদ মাধ্যমক কয়। তেওঁ কয় যে অষ্টম স্থান লাভ কৰিব বুলি ভবা নাছিল। অৱশ্যে স্থান লাভ কৰাত ভাল লাগিছে। দৈনিক ১০-১১ ঘণ্টাকৈ পঢ়িছিল। অসমত পঢ়াৰ পৰিৱেশ আছে বুলি মন্তব্য কৰা চিমৰাণে ভৱিষ্যৎ প্ৰজন্মক ভালদৰে অধ্যয়ন কৰিবলৈ পৰামৰ্শ দিয়ে।


# অগ্নিপথ আঁচনি ঃ ৩ দিনত বায়ু সেনাৰ বাবে ৫৬,৯৬০ আৱেদন



**নতুন দিল্লী, ২৭ জুন ঃ** দেশত বিতৰ্ক আৰু প্ৰতিবাদৰ মাজতে অগ্নিপথ আঁচনিৰ জৰিয়তে নিযুক্তিৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়া আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰে যোৱা ১৪ জুনত কেবিনেট বৈঠকৰ জৰিয়তে স্থলসেনা, বায়ুসেনা আৰু নৌসেনাৰ নিযুক্তিৰ বাবে অগ্নিপথ নামেৰে নতুন আঁচনিখন গ্ৰহণ কৰিছিল। এই আঁচনি ৰূপায়ণৰ বাবে চৰকাৰ সাজু হোৱাৰ সময়তে বিভিন্ন মহলত প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ হৈছিল। বিহাৰ, উত্তৰ প্ৰদেশত আদিত প্ৰতিবাদৰ নামত ৰে'ল বিভাগৰ বিস্তৰ ক্ষতি কৰা হ'ল। তথাপি এই আঁচনিৰ ৰূপায়ণ কৰিবলৈ বদ্ধপৰিকৰ হৈ আছে কেন্দ্ৰীয় চৰকাৰ। তাৰ অংশ হিচাপে অগ্নিপথ প্ৰকল্পৰ বাবে যোৱা শুকুৰবাৰে পঞ্জীয়ন আৰম্ভ হৈছিল। দেওবাৰৰ ভিতৰত, অৰ্থাৎ তিনিদিনৰ ভিতৰত প্ৰকল্পটোৰ বাবে ভাৰতীয় বায়ু সেনা কাৰ্যালয়ত ৫৬,৯৬০ খন আবেদন দাখিল হৈছে। বায়ু সেনাৰ ফালৰ পৰা টুইট কৰি কৈছে: "৫৬,৯৬০ ! অগ্নিপথ নিযুক্তি প্ৰক্ৰিয়াত ভৱিষ্যতৰ অগ্নিবীৰৰ পৰা ইমানবোৰ আবেদন পোৱা গৈছে। কেন্দ্ৰীয় চৰকাৰে যোৱা ১৪ জুনত অগ্নিপথ প্ৰকল্পৰ ঘোষণা কৰিছিল। ইয়াত কোৱা হৈছিল যে ১৭-২১ বছৰীয়া যুৱক-যুৱতীসকলক চাৰি বছৰৰ বাবে সেনাবাহিনীত নিযুক্তি দিয়া হ'ব। চাৰি বছৰৰ পিছত তেওঁলোকৰ ২৫ শতাংশ স্থায়ীভাৱে সেনাত অন্তৰ্ভুক্ত কৰা হ'ব। এই ঘোষণাত, প্ৰতিবাদ আৰম্ভ হোৱাৰ লগে লগে কেন্দ্ৰই বয়সৰ উৰ্ধসীমা ২১ৰ পৰা ২৩ লৈ বৃদ্ধি কৰে। কিন্তু তাত কোনো লাভ নহ'ল।তিনি-চাৰিদিন ধৰি অগ্নিপথ প্ৰকল্পক লৈ দেশৰ বিভিন্ন প্ৰান্তত অগ্নিগৰ্ভ পৰিস্থিতিৰ সৃষ্টি হৈছিল। এখনৰ পিছত আনখন ৰাজ্য, চহৰত প্ৰতিবাদে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। পথবোৰ অৱৰোধ কৰা হৈছিল আৰু ব্যক্তিগত ৰাজহুৱা সম্পত্তিত অগ্নি সংযোগ কৰা হৈছিল। আনকি ৰে'লো জ্বলাই দিয়া হৈছিল।এতিয়া প্ৰতিবাদ বন্ধ হৈছে আৰু বহুতেই অগ্নিপথ প্ৰকল্পত বায়ু সেনাত প্ৰৱেশ কৰিবলৈ ইচ্ছুক হোৱা দেখা গৈছে।

# বিৰোধীৰ প্ৰাৰ্থী যশৱন্ত সিন্‌হাৰ মনোনয়ন দাখিল

## দ্ৰৌপদী মুৰ্মুৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু



**নতুন দিল্লী, ২৭ জুন ঃ** আগন্তুক ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে বিৰোধী অধিকাংশ ৰাজনৈতিক দলৰ মনোনীত প্ৰাৰ্থী তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী যশৱন্ত সিনহাই সোমবাৰে নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত উপস্থিত আছিল কেবাজনো বিৰোধী দলৰ নেতা। এইসকলৰ ভিতৰত কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধী, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেখ যাদৱ অন্যতম। ৰাজ্যসভাৰ সচিবপ্ৰধান পি চি মোদীৰ হাতত মনোয়ন পত্ৰৰ চাৰিটা প্ৰত্যায়িত প্ৰতিলিপি দাখিল কৰিছে। উল্লেখ্য যে চলিত ৰাষ্ট্ৰপতি নিৰ্বাচনত নিৰ্বাচন আয়োগে ৰাজ্যসভাৰ সচিবপ্ৰধান পি চি মোদীক নিযুক্ত কৰিছে নিৰ্বাচনী বিষয়া হিচাবে। বিৰোধী দলৰ প্ৰাৰ্থীগৰাকীৰ সৈতে এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰ, ডি এম কেৰ প্ৰতিনিধি এ ৰাজা, নেচনেল কনফাৰেন্সৰ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ফাৰুক আব্দুল্লা আদিও উপস্থিত আছিল। উল্লেখ্য যে এন ডি এ মৰ্চাৰ প্ৰাৰ্থী তথা ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল দ্ৰৌপদী মুৰ্মুৱে যোৱা সপ্তাহত মনোনয়নপত্ৰ দাখিল কৰিছিল। বিৰোধীৰ প্ৰাৰ্থীগৰাকীৰ সৈতে তেলেংগানা ৰাষ্ট্ৰীয় সমিতিৰ সভাপতি তথা তেলেংগানা ৰাজ্যৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাও উপস্থিত থকা নাছিল। তথাপি তেওঁ যশৱন্ত সিনহাক সমৰ্থন কৰিব বুলি ঘোষণা কৰিছে। আনহাতে বহুজন সমাজপাৰ্টীয়ে এন ডি এ মৰ্চাৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক সমৰ্থন কৰিব বুলি অৱগত কৰিছে। একেদৰে এন ডি এ আৰু ইউ পি মৰ্চাৰ পৰা দূৰত্ব বজাই ৰখা উৰিষ্যাৰ শাসকীয় বিজু জনতা দলে এন ডি এ মৰ্চাৰ প্ৰাৰ্থীক সমৰ্থন কৰিব বুলি ইতিপূৰ্বে ঘোষণা কৰিছে। কিয়নো নিজৰ দলীয় সদস্য নহ'লেও দ্ৰৌপদী মুৰ্মু উৰিষ্যাৰ নাগৰিক। অৱশ্যে দিল্লী আৰু পঞ্জাৱত চৰকাৰ গঠন কৰা আম আদমী পাৰ্টীয়ে বৰ্তমানলৈকে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কাৰণে কোন পক্ষত থাকিব সেয়া স্পষ্ট কৰা নাই। পূৰ্বে মমতা বেনাৰ্জীয়ে আমন্ত্ৰণ জনোৱাৰ সময়ত বিৰোধীৰ প্ৰাৰ্থীগৰাকী নিশ্চিত হোৱাৰ পিছতহে নিজৰ সিদ্ধান্ত অৱগত কৰিব বুলি ব্যক্ত কৰিছিল। কিন্তু যোৱা এসপ্তাহে বিৰোধীৰ প্ৰাৰ্থী যশৱন্ত সিনহাৰ নাম চূড়ান্ত হোৱাৰ পিছতো বৰ্তমানলৈকে আম আদমীৰ প্ৰতিক্ৰিয়া ৰাজহুৱা কৰা দেখা নাই।

# পাঁচ বিদ্ৰোহী মন্ত্ৰীৰ দপ্তৰ কৰ্তন

## মহাৰাষ্ট্ৰত বিসম্বাদী বগাইছে ডালে ডালে, উদ্ধৱ থাকৰে বগাইছে পাতে পাতে

**মুম্বাই, ২৭ জুন ঃ** মহাৰাষ্ট্ৰত একনাথ সিন্দেৰ নেতৃত্বত চলি থকা বিসম্বাদী কাৰ্যকলাপ কঠোৰ হাতেৰে দমন কৰিবলৈ সাজু হৈছে শিৱসেনাৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে। ইতিমধ্যে চৰকাৰ ভাঙিবলৈ নিজ ৰাজ্যৰ পৰা আহি প্ৰথমে গুজৰাট আৰু পিছত গুৱাহাটীত বাহৰ পাতি থকা বিসম্বাদী মন্ত্ৰী-বিধায়কসকলৰ বিৰুদ্ধে গৃহ সমষ্টিত দলীয় সমৰ্থকৰ প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। তেওঁলোকক শীঘ্ৰে সমষ্টিলৈ প্ৰত্যাৱৰ্তন কৰি উন্নয়নৰ কাম-কাজত জড়িত হ'বলৈ সমৰ্থকসকলে দাবী জনাইছে। ইফালে মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই সোমবাৰে পাঁচ বিদ্ৰোহী মন্ত্ৰীৰ দপ্তৰসমূহ কৰ্তন কৰিছে। বিগত দহ দিন ধৰি এই বিভাগসমূহত অচলাৱস্থাই বিৰাজ কৰা বুলি মুখ্যমন্ত্ৰীয়ে আঙুলিয়াই দিছে। গতিকে ৰাইজৰ কাম-কাজ বাধাগ্ৰস্ত নহ'বৰ বাবে একনাথ সিন্দে আৰু অন্য চাৰিজন মন্ত্ৰীৰ বিভাগসমূহ কৰ্তন কৰি অন্য মন্ত্ৰীৰ হাতত অৰ্পণ কৰা দেখা গৈছে। আনহাতে, শেহতীয়াকৈ বিদ্ৰোহী মন্ত্ৰী তালিকাত মুঠ ৮জন সন্নিৱিষ্ট হোৱা পৰিলক্ষিত হৈছে। গতিকে আটাইকেইজন মন্ত্ৰীৰ বিভাগসমূহ মহাৰাষ্ট্ৰত কৰ্মৰত হৈ থকা আন আন মন্ত্ৰীৰ হাতত অৰ্পণ কৰিবলৈ সোমবাৰে চৰকাৰী জাননী প্ৰকাশ পাইছে। ইয়াকে লৈ বিদ্ৰোহী বিধায়কৰ লগতে মন্ত্ৰীসকলৰ পাখি কটা পৰ্ব অতি সুকলমে আৰম্ভ কৰা পৰিলক্ষিত হৈছে। শিৱসেনা দলত এতিয়া চাৰিজনহে কেবিনেট মন্ত্ৰী আছেগৈ। এইসকলৰ ভিতৰত মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে, আতি থাকৰে, অনিল পৰৱ আৰু সুভাষ দেশাই। ইয়াৰে আদিত্য থাকৰেৰ বাহিৰে অন্য তিনিজন বিধান পৰিষদৰ সদস্য। তিনিদলীয় মহাবিকাশ আঘাৰী মৰ্চাত দহজন কেবিনেট মন্ত্ৰী আছিল শিৱসেন দলৰ পৰা। ইয়াৰ উপৰি চাৰিজন ৰাজ্যিক মন্ত্ৰী অন্তৰ্ভুক্ত আছিল। বৰ্তমানলৈকে একনাথ সিন্ধেসহ ৯জন মন্ত্ৰীয়ে নিজ ৰাজ্যৰ বাহিৰত বাহৰ পাতি আছে। তেনেস্থলত চৰকাৰৰ কাম-কাজ স্থবিৰ হৈ পৰিছে। ইয়াৰ উপৰি সহযোগী এন চি পি দলৰ প্ৰাক্তন গৃহমন্ত্ৰী অনিল দেশমুখ আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী নবাব মল্লিক কাৰাৰুদ্ধ হৈ আছে। তেনেস্থলত নজন মন্ত্ৰীৰ বিদ্ৰোহে মূলতঃ মহাৰাষ্ট্ৰ চৰকাৰৰ মন্ত্ৰীসভাখন দুৰ্বল কৰি তোলা দেখা গৈছে। এই বিদ্ৰোহী মন্ত্ৰীসকলৰ আটাইকেইজন চৰকাৰৰ নেতৃত্ব দিয়া শিৱসেনা



দলৰ হোৱা বাবে চৰকাৰৰ পৰিচালনাৰ ক্ষেত্ৰত অধিক জটিলতাৰ সন্মুখীন হোৱা বুলিব পাৰি। ইয়াৰ উপৰি ১৬ জন শিৱসেনা বিধায়কৰ দলীয় স্বীকৃতি খাৰিজৰ বাবে বিধানসভাৰ উপাধ্যক্ষৰ ওচৰত দলটোৱে দাবী জনাইছে। বৰ্তমান মহাৰাষ্ট্ৰ বিধানসভাত অধ্যক্ষৰ পদটো খালী হৈ আছে। উপাধ্যক্ষই ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে বিধানসভাৰ সকলোবোৰ কাম-কাজ পৰিচালনা কৰিব লগা হৈছে। গতিকে ১৬ বিধায়কে দলীয় হুইপ অমান্য কৰি শিৱসেনাৰ দ্বাৰা আহ্বান জনোৱা বিধায়িনী বৈঠকত উপস্থিত নথকাৰ বাবে তেওঁলোকৰ পদ খাৰিজৰ আবেদন জনোৱা হৈছে।

# যুৱ স্বাৰ্থৰ বিপৰীতমুখী হ'ল অগ্নিপথ আঁচনি

## মেঘালয়ৰ ৰাজ্যপাল সত্যপাল মল্লিকৰ অভিমত

**শ্বিলং, ২৭ জুন ঃ** মেঘালয়ৰ ৰাজ্যপাল সত্যপাল মল্লিকে দেশজুৰি বিতৰ্ক হোৱা অগ্নিপথ আঁচনিৰ বিৰুদ্ধে নিজৰ অভিমত প্ৰকাশ কৰিছে। তেওঁ কয় যে দেশৰ যুৱ প্ৰজন্মই যি বিচাৰে তাৰ বিপৰীতমুখী আঁচনি হ'ল অগ্নিপথ। গতিকে তেওঁলোকৰ আশা, আকাংখ্যা আৰু সপোনবোৰ চূড়মাৰ কৰিব অগ্নিপথ আঁচনিয়ে। ভৱিষ্যতৰ জোৱানসকলে ছমাহ প্ৰশিক্ষণ ল'ব লাগিব। অন্য ছমাহ তেওঁলোকে ছুটি উপভোগ কৰিব পাৰিব। তেওঁলোকে মাত্ৰ তিনি বছৰহে কৰ্মক্ষেত্ৰত থাকিব। চাকৰি সামৰি যেতিয়া ঘৰলৈ ঘূৰি আহিব, তেওঁলোকৰ বহুতেই বিবাহৰ বাবে কোনো কন্যাৰ পৰা প্ৰস্তাৱ লাভ নকৰিব। কিয়নো চাকৰি ত্যাগ কৰাৰ পিছত কোনেও বিবাহৰ বাবে নিবনুৱা জোৱানক পছন্দ নকৰে। ৰাজ্যপাল গৰাকীয়ে লগতে কয় যে নতুন প্ৰজন্মৰ লোকসকলক অগ্নিপথ আঁচনিয়ে চূড়ান্তভাৱে প্ৰৱঞ্চনা কৰিব। উল্লেখ্য যে দেশৰ প্ৰধানমন্ত্ৰীয়ে এই আঁচনি অচিৰেই প্ৰত্যাহাৰ কৰা উচিত বুলি মেঘালয়ৰ ৰাজ্যপালে আহ্বান জনাইছে। দেশত কৃষক বিদ্ৰোহ হৈ থকাৰ সময়তে এইজন ৰাজ্যপালে কৃষকৰ পক্ষত থিয় দিছিল আৰু কৃষকৰ দাবী অনুসৰি বিতৰ্কিত আইন তিনিখন প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাইছিল।



*সামৰণি পৰিল গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শ্ৰীশ্ৰীকামাখ্যা দেৱী মন্দিৰৰ অম্বুবাচী মেলা, যোৱা ২২ জুনৰ প্ৰবৃত্তি আৰু ২৬ জুনৰ নিবৃত্তিৰ পিছত দেৱীৰ আশীৰ্বাদ লৈ ঘৰমুখী হৈছে দেশ-বিদেশৰ ভক্ত আৰু সুধীগণ*

## জটিল হৈ পৰিছে মহাৰাষ্ট্ৰৰ সংকট


# উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ সিন্দে শিবিৰ

**নতুন দিল্লী, ২৭ জুন ঃ** অধিক জটিল হৈ পৰিছে মহাৰাষ্ট্ৰৰ ৰাজনৈতিক সংকট। এপিনে, শাৰদ পাৱাৰে উদ্ধৱ ঠাকৰেৰ কাষত থিয় হোৱাৰ বাৰ্তা দিছে। আনহাতে, বিদ্ৰোহী শিৱসেনাৰ নেতা একনাথ সিন্দে উদ্ধৱ ঠাকৰেৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আৱেদন দাখিল কৰিছে। উদ্ধৱ ঠাকৰেই বিদ্ৰোহৰ পিছত সিন্দে আৰু ৰাজ্যখনৰ ১৫জন বিধায়কক বিধায়ক পদ খাৰিজ কৰিবলৈ পদক্ষেপ লৈছে। সিন্দে আৰু অন্যান্য বিধায়কসকলে ইয়াৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আৱেদন কৰিছে। অৱশ্যে, তেওঁলোকে উচ্চতম ন্যায়ালয়ত দাবী তুলিছে যে উপাধ্যক্ষৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গৃহীত নোহোৱালৈকে ১৫জন বিধায়ক আৰু একনাথ সিন্দেৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাযাব। তদুপৰি, বিদ্ৰোহী শিবিৰে অজয় চৌধুৰীক বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচনক আদালতত প্ৰত্যাহ্বান জনাইছে। আজি উচ্চতম ন্যায়ালয়ত এই আৱেদনৰ শুনানি হ'ব। উল্লেখ্য যে উক্ত ১৫ জন বিধায়কৰ বেছি ভাগেই মন্ত্ৰী। দলৰ এক জৰুৰী বৈঠকত হুইপ জাৰী কৰি তেওঁলোকক উপস্থিত থাকিবলৈ কোৱা হৈছিল। কিন্তু তেওঁলোক অহা নাছিল। তদুপৰি উদ্ধৱ শিবিৰে দাবী কৰিছে যে এমএলচি নিৰ্বাচনত এই ১৫জন বিধায়কে ক্ৰছ-ভোট দিছিল। উদ্ধৱ শিবিৰে সিন্দেকে ধৰি সেই বিধায়কসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়িছে।



উদ্ধৱ শিবিৰৰ সূত্ৰ অনুসৰি, উদ্ধৱে ৰাজ্যৰ মন্ত্ৰী একনাথ সিন্দে, গুলাব ৰাও পাটিল আৰু দাদা ভুচৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আগবাঢ়িছে। তদুপৰি, এই তালিকাত মন্ত্ৰী আব্দুছ ছাত্তাৰ আৰু শম্ভুৰাজ দেশাইৰো নাম আছে। ইপিনে, ৰাজ্যৰ মন্ত্ৰী উদয় সাৱন্তে দেওবাৰে আবেলি বিদ্ৰোহী শিবিৰত যোগদান কৰে। এতিয়া বিদ্ৰোহী শিবিৰে দাবী কৰিছে যে তেওঁলোকৰ হাতত দুই-তৃতীয়াংশ বিধায়কৰ সমৰ্থন আছে। গতিকে অতি সহজে তেওঁলোকে বিধায়ক পদ খাৰিজৰ আইন আওকাণ কৰি উদ্ধৱৰ বিৰুদ্ধে ব্যৱস্থা ল'ব পাৰে।

# ৰাজনৈতিক জীৱনৰ প্ৰথমটো প্ৰত্যক্ষ নিৰ্বাচনতে বিজয়ী ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ডাঃ মাণিক সাহা



**আগৰতলা, ২৭ জুন ঃ** ইয়াৰ আগতে তেওঁ বিধানসভা বা লোকসভাৰ কোনো নিৰ্বাচনতে প্ৰত্যক্ষভাৱে অৱতীৰ্ণ হোৱা নাছিল।ত্ৰিপুৰাত উপ-নিৰ্বাচনত মানিক সাহা জয়ী হৈছে। মুখ্যমন্ত্ৰী মানিক সাহাই ১৮,৮৭০ টা ভোট লাভ কৰিছে। ত্ৰিপুৰাৰ চাৰিটা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ফলাফল দেওবাৰে ঘোষণা কৰা হয়। ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহাই প্ৰথমবাৰৰ বাবে নিৰ্বাচনত জয়ী হৈছে। বৰদোৱালী সমষ্টিৰ পৰা জয়লাভ কৰি মানিক সাহা এতিয়া মুখ্যমন্ত্ৰীৰ আসনত বাহাল থকাটো নিশ্চিত হ'ল।তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী, দুবাৰৰ কংগ্ৰেছ বিধায়ক আশীষ সাহাই ১০,৯৩০ টা ভোট লাভ কৰিছে। ৰাজ্যসভাৰ সাংসদ মানিক সাহাক যোৱা মে' মাহত তদানীন্তন মুখ্যমন্ত্ৰী বিপ্ল দেৱৰ আকস্মিক পদত্যাগৰ পিছত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে নিযুক্ত কৰা হৈছিল। মুখ্যমন্ত্ৰী হিচাপে বাহাল থাকিবলৈ তেওঁ এই উপ-নিৰ্বাচনত জয়ী হোৱাটো প্ৰয়োজনীয় আছিল।বিধানসভালৈ নিৰ্বাচিত হোৱাৰ পিছত, তেওঁ এতিয়া নিয়ম অনুসৰি সাংসদ পদৰ পৰা পদত্যাগ কৰিব। সাহাই ২০১৬ চনত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰাৰ আগতে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য আছিল। তেওঁ ২০২০ চনত ভাৰতীয় জনতা পাৰ্টিৰ ত্ৰিপুৰা গোটৰ সভাপতি হৈছিল। ২০২২ চনৰ এপ্ৰিল মাহত সাহা ৰাজ্যসভাৰ সাংসদ হিচাপে নিৰ্বাচিত হয়।ৰাজ্য খনৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱে ১৪ মে'ৰ বিয়লি পদত্যাগ কৰাৰ পিছতে উক্ত দন্ত চিকিৎসকগৰাকীক ৰাজ্য খনৰ নতুন মুখ্যমন্ত্ৰী হিচাবে বাচনি কৰা হৈছিল।তেওঁ হৈছে দন্ত চিকিৎসক তথা ৰাজনীতিক ডাঃ মানিক সাহা।১৯৫৩ চনৰ ৮ জানুৱাৰীত আগৰতলাত জন্ম গ্ৰহণ কৰা সাহাক আজি সৰ্বসম্মতিক্ৰমে ত্ৰিপুৰাৰ নতুন মুখ্যমন্ত্ৰী হিচাবে নিৰ্বাচন কৰা হয়। ৬৯ বছৰীয়া ডাঃ মানিক সাহাই ২০১৬ চনত বিজেপিত যোগদান কৰিছিল।ইয়াৰ পূৰ্বে তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সৈতে জৰিত আছিল।পত্নী স্বপ্না সাহাৰ সৈতে ডাঃ মানিক সাহাৰ আছে দুগৰাকী কন্যা সন্তান।উল্লেখ্য মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱে পদত্যাগ কৰাৰ পিছতে ৰাজ্যসভাৰ সাংসদ ডাঃ মানিক সাহাক বিজেপি বিধায়িনী দলৰ নতুন নেতা হিচাপে নিৰ্বাচিত কৰা হৈছিল। বিধায়িনী দলে তেওঁক নতুন নেতা হিচাবে নিৰ্বাচিত কৰাৰ লগতে নতুন মুখ্যমন্ত্ৰী হিচাবেও নিৰ্বাচিত কৰিছিল।এনে সিদ্ধান্ত সন্দৰ্ভত সাহাই কৈছিল যে তেওঁ মুখ্যমন্ত্ৰীৰ পদত থাকিও দলৰ কৰ্মকৰ্তা হৈয়েই থাকিব।

# পশ্চিমবংগ বিধানসভাৰ ৰাজহুৱা হিচাব সমিতিৰ অধ্যক্ষ পদ এৰিলে মুকুল ৰয়ে

**কলকাতা, ২৭ জুন ঃ** বিজেপিৰ পৰা তৃণমূল কংগ্ৰেছত যোগ দিয়া প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী মুকুল ৰয়ৰ এক সিদ্ধান্তক লৈ পশ্চিমবংগৰ ৰাজনৈতিক মহলত পুনৰ উৎকণ্ঠাৰ সৃষ্টি হৈছে। সোমবাৰে মুকুল ৰয়ে লিখিত পত্ৰৰ জৰিয়তে বিধানসভাৰ ৰাজহুৱা হিচাব কমিটি চমুকৈ পি এ চিৰ অধ্যক্ষ পদ ত্যাগ কৰা বুলি বিধানসভাৰ অধ্যক্ষ বিমান বেনাৰ্জীক দাখিল কৰিছে। উল্লেখ্য যে মেইলৰ জৰিয়তে তেওঁ পদত্যাগপত্ৰ প্ৰেৰণ কৰিছে। বিজেপিৰ বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত বিধানসভাৰ এই গুৰুত্বপূৰ্ণ বিষয়বাব লাভ কৰিছিল মুকুল ৰয়ে। কিন্তু যোৱা ছমাহৰ পূৰ্বে বিজেপি ত্যাগ কৰি তেওঁ তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। পশ্চিমবংগ বিধানসভাৰ বৰ্ষাকালীন অধিৱেশন যোৱা শুকুৰবাৰে শেষ হৈছে। অধ্যক্ষ বিমান বেনাৰ্জীয়ে বিধানসভাৰ ৪১ খন সমিতিৰ কাৰ্যকাল এবছৰৰ বাবে বৃদ্ধি কৰিছে। গতিকে মুকুল ৰয়ৰ নেতৃত্বাধীন পি এ চি সমিতিৰ কাৰ্যকালো এবছৰলৈ বাঢ়িল। কিন্তু মুকুল ৰয়ে কিয় কাৰ্যকাল বৃদ্ধিৰ পিছতো এই পদ ত্যাগ কৰিছে তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। ২০২১ চনৰ নিৰ্বাচনত মুকুল ৰয়ে বিজেপিৰ টিকট লৈ কৃষ্ণনগৰ উত্তৰ বিধানসভা সমষ্টিৰ পৰা জয়লাভ কৰিছিল। প্ৰথম অৱস্থাত তেওঁ তৃণমূল কংগ্ৰেছৰ প্ৰতিষ্ঠাপক নেতা আছিল। মমতা বেনাৰ্জীয়ে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী ত্যাগ কৰি পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত মুকুল ৰয়ক কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী বদত নিযুক্তি দিয়াইছিল। কিন্তু ৰাজ্যখনত সাৰদা আৰু ৰোজভেলী আদি কেবাটাও ছীটফান্দৰ কেলেংকাৰীত মুকুল ৰয় সাঙোৰ খাই পৰিছিল। তৃণমূল কংগ্ৰেছৰ দলীয় পদবীত থাকি এনেধৰণৰ ছীটফান্দৰ সৈতে জড়িত হ'বলৈ বাধ্য হৈছিল বুলি তেওঁ এসময়ত স্বীকাৰোক্তি দিছিল। ইফালে ২০২১ বৰ্ষৰ বিধানসভাৰ নিৰ্বাচনত বহু চেষ্টা কৰিও বিজেপি সফল নহ'ল। তেতিয়াৰ পৰাই পশ্চিমবংগৰ একাংশ বিজেপি নেতাক একাষৰীয়া কৰিছিল দিল্লীৰ গেৰুৱা দলে। ফলত মুকুল ৰয়ে গেৰুৱা



শিবিৰ ত্যাগ কৰি পুনৰ তৃণমূল কংগ্ৰেছলৈ ঘূৰি আহিল। তেতিয়াৰ পৰাই বিজেপিয়ে মুকুল ৰয়ৰ পদত্যাগ দাবী কৰি আহিছিল। বিজেপিয়ে পি এ চি সমিতিৰ পৰা মুকুল ৰয়ক অপসাৰণ কৰি বিধায়ক অশোক লাহিড়ীক নিযুক্তি দিবলৈ দাবী জনাইছিল। ইফালে বিধানসভাৰ বিৰোধী দলপতি শুভেন্দু অধিকাৰীয়ে মুকুল ৰয়ৰ বিধায়ক পদ খাৰিজ কৰিবলৈ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ ওচৰত দাবী জনাইছিল। কিন্তু মুখ্যমন্ত্ৰীয়ে এই দাবী অগ্ৰাহ্য কৰে। আনহাতে বিগত বৰ্ষত বিজেপিৰ এজন বিধায়ক অম্বিকা ৰয়ে পি এচ সমিতিৰ অধ্যক্ষ পদৰ পৰা মুকুল ৰয়ক অপসাৰণ কৰিবলৈ কলকাতা উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল।

# নৃশংস ! চলন্ত গাড়ীত মাতৃসহ ৬বছৰীয়া শিশুক দলবদ্ধ ধৰ্ষণ

**ৰুৰ্কি ২৭ জুন ঃ** দেশত এতিয়া মহিলাৰ ওপৰত হোৱা অপৰাধ বা ধৰ্ষণৰ দৰে নৃশংস অত্যাচাৰ তেনেই সাধাৰণ ঘটনাৰ দৰে হৈ পৰিছে। গতানুগতিক যেন হৈ পৰিছে শিশু ধৰ্ষণৰ দৰে মানৱ সমাজক ভূলুন্ঠিত কৰা নাৰকীয় ঘটনাও। দেশৰ বিভিন্ন প্ৰান্তত নিতৌ সংঘটিত হৈছে এনে নৃশংস ঘটনা। এইবাৰ উত্তৰাখণ্ডত সংঘটিত হৈছে শিশুক দলবদ্ধ ধৰ্ষণৰ দৰে নাৰকীয় কাণ্ড। উত্তৰাখণ্ড আৰক্ষীয়ে দেওবাৰে জানিবলৈ দিয়া অনুসৰি ৰাজ্যখনৰ হৰিদ্বাৰৰ ৰুৰকীত এগৰাকী মহিলা আৰু তেওঁৰ ছয় বছৰীয়া কন্যা সন্তানক লিফ্‌ট দিয়াৰ চলেৰে এজন ব্যক্তিয়ে তেওঁৰ বন্ধুবৰ্গৰ সৈতে চলন্ত গাড়ীতে দলবদ্ধ ধৰ্ষণ কৰে। আৰক্ষীৰ ভাষ্য অনুসৰি মহিলাগৰাকীয়ে তেওঁৰ ছয় বছৰীয়া সন্তানটিৰ সৈতে নিশা মুছলমানসকলৰ ধৰ্মীয় স্থান পিৰান কালিয়াৰৰ পৰা ঘৰ অভিমুখে গৈ আছিল। মাজবাটতে এওঁক চনু নামৰ এজন ব্যক্তিয়ে নিজৰ গাড়ীত ঘৰত নমাই দিয়াৰ প্ৰস্তাৱ দিয়ে।চনুৰ প্ৰস্তাৱৰ সঁহাৰি দি মহিলাগৰাকী তেওঁৰ গাড়ীত বহে। আৰক্ষী অধীক্ষক প্ৰমেন্দ্ৰ ডোভালে জানিবলৈ দিয়া মতে চনু নামৰ এই মানুহজনৰ কিছু বন্ধু পূৰ্বৰে পৰা গাড়ীখনত আছিল।অভিযোগ অনুসৰি মহিলাগৰাকী গাড়ীত উঠাৰ পিছতে চনু আৰু গাড়ীত থকা অন্য লোকসকল চলন্ত মহিলাগৰাকী আৰু তেওঁৰ সন্তানটিৰ ওপৰত জপিয়াই পৰে আৰু উপৰ্যুপৰি ধৰ্ষণ কৰে। ধৰ্ষণৰ পিছতে মাতৃ-সন্তানক এটা খালৰ ওচৰত গাড়ীৰ পৰা পেলাই থৈ যায় বুলি অভিযোগ উঠিছে। এনে নৃশংস অত্যাচাৰৰ সন্মুখীন হোৱাৰ পাছত শাৰীৰিক মানসিকভাৱে অৱশ হৈ পৰা মহিলাগৰাকীয়ে কোনোমতে খোজকাঢ়িয়ে মাজনিশা এখন আৰক্ষী চকীত উপস্থিত হয় আৰু আৰক্ষীক এই ঘটনাৰ বিষয়ে অৱগত কৰে।আৰক্ষীয়ে প্ৰকাশ কৰা মতে মহিলাগৰাকীয়ে গাড়ীখনত কিমান জন লোক আছিল সেয়া সঠিকভাৱে ক'ব নোৱাৰিলে যদিও গাড়ীখন চনু নামৰ লোকজনৰ আৰু তেওঁৱেই গাড়ীখন চলাই নিছিল বুলি দাবী কৰিছে।আৰক্ষীয়ে ওচৰত উপস্থিত হোৱাৰ পিছতে মাতৃ -কন্যা দুয়োকে ৰুৰকী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু স্বাস্থ্য পৰীক্ষা পিছত তেওঁলোক ধৰ্ষণ বলি হোৱাটো নিশ্চিত হয় বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।ইতিমধ্যে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰিছে। অভিযুক্ত ব্যক্তিকেইজনৰ সন্ধানত আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে কোনো এজন অভিযুক্তকে বিচাৰি উলিয়াবলৈ সক্ষম হোৱা নাই।

# বিয়াৰ আঢ়ৈ মাহৰ ভিতৰতে অন্তঃসত্ত্বা আলিয়া ভাট

## ছ'চিয়েল মিডিয়াত ৰণবীৰ-আলিয়াৰ সংসাৰৰ নতুন খবৰ ভাইৰেল

**মুম্বাই, ২৭ জুন ঃ** মাতৃ হ'ব আলিয়া ভাট ! সোমবাৰে ৰাতিপুৱাই ইনষ্টাগ্ৰামত শুভ সংবাদটো শ্বেয়াৰ কৰিলে ৰণবীৰ পত্নীয়ে। বৰ্তমান অভিনেত্ৰীগৰাকীলৈ আহিছে শুভেচ্ছাৰ জোৱাৰ।আলিয়াই সোমবাৰে ৰাতিপুৱা ইনষ্টাগ্ৰামত দুখন ফটো শ্বেয়াৰ কৰিছিল। ইয়াৰে এখনত আলিয়াক এখন ব্যক্তিগত চিকিৎসালয় বা ডায়েগ্নষ্টিক চেন্টাৰৰ বিছনাত শুই থকা দেখা গৈছে। অভিনেত্ৰীগৰাকী আল্ট্ৰা চোনোগ্ৰাফীৰ বাবেই যে গৈছে সেয়া স্পষ্ট হৈছে। কিয়নো বিছনাখনৰ সন্মুখত থকা স্ক্ৰীণৰ ওপৰত এটা ৰঙা হৃদযন্ত্ৰৰ ইমোজি আছে।দ্বিতীয় ছবিখনে এটা সুখী পৰিয়ালৰ ইংগিত দিয়ে। ফটোখনত, সিংহী এটাক সিংহৰ গালত মূৰটো থৈ থিয় হৈ থকা দেখা গৈছে। আৰু সৰু পোৱালিটোৱে তাৰ মাক পিতৃ-মাতৃলৈ চাই আছে। অৱশ্যে, আলিয়াই ছবিখনৰ কেপশ্বনতে সকলো ফাদিল কৰি দিছে। কাৰণ, তাত তেওঁ লিখিছে, "আমাৰ সন্তান...সোনকালেই আহি আছে। "ইয়াত কোনো সন্দেহ নাই যে আলিয়া আৰু ৰণবীৰৰ পৰিয়ালত সদস্য বৃদ্ধি হ'বলৈ গৈ আছে। কিয়নো, তেওঁৰ গৃহিনীয়ে নিজেই দুইৰ পৰা তিনি হোৱাৰ ভাল খবৰটো দিছে। তেতিয়াৰে পৰা শুভেচ্ছাৰে ভৰি পৰিছে। কিছুমানে জীৱনৰ এই বিশেষ গুৰুত্বপূৰ্ণ সময়ত সাৱধান হ'বলৈও পৰামৰ্শ দিছে।কেটৰিনাৰ সৈতে বিচ্ছেদ হোৱাৰ কেইদিনমান পিছত, আলিয়াৰ সৈতে ৰণবীৰৰ প্ৰেমৰ সম্পৰ্ক বাতৰি বিয়পিছিল। আলিয়া আৰু ৰণবীৰে কেতিয়াও তেওঁলোকৰ সম্পৰ্ক অস্বীকাৰ কৰা নাই।ৰণবীৰ কাপুৰ আৰু আলিয়া ভাটে যোৱা ১৪ এপ্ৰিলত তেওঁলোকৰ জীৱনৰ নতুন অধ্যায় আৰম্ভ কৰিছিল। বলীউডৰ তাৰকা দম্পতীয়ে বিবাহপাশত আৱদ্ধ হৈছিল। দুয়োৱে ৰণবীৰৰ 'বাস্তু' বাসগৃহত একেলগে জীৱন-যাপনৰ অংগীকাৰ লৈছিল। পৰিয়াল আৰু নিকট আত্মীয়ৰ উপস্থিতিত বিয়াখন জাকজমকতাৰে সম্পন্ন হৈছিল। সংসাৰ আৰম্ভ হোৱাৰ আঢ়ৈ মাহৰ ভিতৰত আলিয়া গৰ্ভৱতী। এটাৰ পিছত আন এটা ভাল খবৰে এতিয়া বি-টাউনত আনন্দৰ জোৱাৰ তুলিছে।











# বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগ ঃ ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠা প্ৰতিভাৱান চাইক্লিষ্ট চয়নিকা গগৈক গৃহ জিলাত উষ্ম অভিনন্দন

## এছিয়ান চাইক্লিং চেম্পিয়নশ্বিপত আঁজুৰি আনিলে ব্ৰঞ্জৰ পদক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৭ জুন ঃ** চাইক্লিঙৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠা বিশ্বনাথ জিলাৰ গৌৰৱ, প্ৰতিভাশালী চাইক্লিষ্ট চয়নিকা গগৈক আজি গৃহ জিলাত উষ্ম অভিনন্দন জ্ঞাপন কৰা হয়। বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত বিশ্বনাথ জিলাৰ ষ্টেডিয়ামত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত বিশ্বনাথ জিলাৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনা চয়নিকা গগৈক আজি বিশ্বনাথ জিলা প্ৰশাসন, বিধায়কদ্বয় প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা, বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ লগতে ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানে শৰাই, গামোচা, অভিনন্দন-পত্ৰ আদিৰে এনে বিৰল সাফল্যৰ বাবে উষ্ম অভিনন্দন জনাই শুভেচ্ছাৰে ওপচাই দিয়ে। বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক তথা জিলা ক্ৰীড়া সন্থাৰ সভাপতি প্ৰমোদ বৰঠাকুৰ, গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰা, বিশ্বনাথৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, আৰক্ষী অধীক্ষক নবীন সিং, অতিৰিক্ত উপায়ুক্তদ্বয় লিজা তালুকদাৰ, বিশ্বজিৎ শইকীয়া, সহকাৰী আয়ুক্ত অনন্যা লহকৰ, জিলা ক্ৰীড়া বিষয়া, শোণিতপুৰ ফণীন্দ্ৰ কুমাৰ মুদৈ, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি অপূৰ্ব দাস, সম্পাদক ৰাতুল শইকীয়া প্ৰমুখ্যে বিষয়ববীয়া তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ভালেসংখ্যক ক্ৰীড়ানুৰাগী ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই বিশেষ অভিনন্দন অনুষ্ঠান। কৃতী চাইক্লিষ্ট চয়নিকা গগৈক বিশ্বনাথ চাৰিআলি ষ্টেডিয়ামলৈ প্ৰথমে ঢোলে-দগৰে আদৰি অনা হয় আৰু জিলা প্ৰশাসনৰ হৈ উপায়ুক্ত, ক্ৰীড়া বিষয়া তথা কাৰ্যালয়ৰ কৰ্মচাৰী গোট, শাৰীৰিক শিক্ষা নিৰ্দেশক সন্থা, জিলা ক্ৰীড়া সন্থা, বিশ্বনাথ আৰু গহপুৰৰ বিধায়কদ্বয়, আৰক্ষী অধীক্ষক, বিশ্বনাথ চাৰিআলি পৌৰ সভা, জ্যেষ্ঠ নাগৰিক সন্থা, চেম্বাৰ্ছ অৱ কমাৰ্চ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, উদ্দীপ্ত চ'ৰা, বিশ্বনাথৰ মৎস্যজীৱী সমিতি আদিয়ে অভিনন্দন জ্ঞাপন কৰে। এই অনুষ্ঠানতে বিশ্বনাথ জিলাৰ গৌৰৱ চাইক্লিষ্ট চয়নিকা গগৈৰ প্ৰশিক্ষক জীৱন বৰা আৰু পিতৃ-মাতৃ ক্ৰমে কৃষক মৃদুল গগৈ আৰু পবিত্ৰা গগৈকো বিপুল সম্বৰ্ধনা জনোৱা হয়। বিদ্যুৎ শৰ্মাই আঁত ধৰা অনুষ্ঠানত নাতি-দীৰ্ঘ ভাষণত চয়নিকা গগৈক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি বিধায়কদ্বয় প্ৰমোদ বৰঠাকুৰ আৰু উৎপল বৰা, উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই কৃতী খেলুৱৈগৰাকীৰ এনে কৃতিত্বই ক্ৰীড়ানুৰাগী জিলাখনৰ যুৱক-যুৱতীসকলক অফুৰন্ত প্ৰেৰণা যোগাব বুলি মন্তব্য কৰে। খেলুৱৈ চয়নিকায়ো সম্বৰ্ধনাৰ প্ৰত্যুত্তৰত তেওঁৰ কৃতকাৰ্যতাত অঁৰিৰ সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। চয়নিকাক গহপুৰৰ বিধায়ক উৎপল বৰাই পঞ্চাশ হাজাৰ টকা আৰু বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে দহ হাজাৰ টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ কথা অনুষ্ঠানটিত ঘোষণা কৰাৰ লগতে জিলাখনত সুপ্ত ক্ৰীড়া প্ৰতিভাৰ বিকশিত কৰাৰ স্বাৰ্থত বিশ্বনাথ চাৰিআলিৰ ষ্টেডিয়ামক অত্যাধুনিক ৰূপ দিয়াৰ পৰিকল্পনাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবে পঞ্চাশ কোটি টকাৰ অনুমোদন হোৱা বুলি সভাত উপায়ুক্তই প্ৰকাশ কৰে আৰু সেই কাম অচিৰেই আৰম্ভ হ'ব বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে, ১৮ জুনৰ পৰা ২২ জুনলৈ নতুন দিল্লীত অনুষ্ঠিত হোৱা ৪১সংখ্যক ছিনিয়ৰ আৰু ২৮সংখ্যক জুনিয়ৰ এছিয়ান চাইক্লিং চেম্পিয়নশ্বিপত চাৰি কিলোমিটাৰ টীম পাৰছুইট ইভেণ্ট (Team Pursuit Event) আৰু দহ কিলোমিটাৰ স্ক্ৰেচ ৰেচত (Scratch Race) ভাৰতৰ হৈ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ব্ৰঞ্জৰ পদক লাভ কৰি গৌৰৱৰ অধিকাৰী হৈছে অসমৰ প্ৰতিভাশালী চাইক্লিষ্ট চয়নিকা গগৈয়ে। বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ অন্তৰ্গত ভুৰিয়া বড়িগাঁও নিবাসী, কৃষক মৃদুল গগৈ আৰু পবিত্ৰা গগৈৰ সুযোগ্য সন্তান চয়নিকা গগৈৰ এনে কৃতিত্বত কেৱল জন্মভূমিৰ বাইজেই নহয়, বৰঞ্চ সমগ্ৰ বিশ্বনাথ জিলাবাসীয়েই গৌৰৱ অনুভৱ কৰিছে। প্ৰতিভাধৰ চাইক্লিষ্টগৰাকীয়ে ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন চাইক্লিং প্ৰতিযোগিতাত একাধিক সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক আঁজুৰি আনিবলৈ সক্ষম হৈছে। প্ৰণিধানযোগ্য যে, ক্ৰীড়াৰ সমান্তৰালকৈ শৈক্ষিক দিশতো আগুৱাই থকা চাইক্লিষ্টগৰাকীয়ে পঞ্জাবৰ গুৰু নানক দেৱ বিশ্ববিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছে।

# দশম স্থানেৰে বঙাইগাঁও জিলালৈ সুনাম কঢ়িয়াই আনিলে অনন্যা সূত্ৰধৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (ইংৰাজী মাধ্যম) ছাত্ৰী অনন্যা সূত্ৰধৰে কলা শাখাত ৰাজ্যখনৰ ভিতৰত দশম স্থান দখল কৰি বঙাইগাঁৱৰ লগতে সমগ্ৰ জিলাখনলৈ সুনাম কঢ়িয়াই আনিছে। বঙাইগাঁও চহৰৰ ভাকাৰিভিটাৰ ফাৰ্নিচাৰৰ ব্যৱসায়ী চন্দন সুত্ৰধৰ আৰু কণিকা সূত্ৰধৰৰ কন্যা অনন্যা সূত্ৰধৰে ঘোষিত ফলাফল অনুসৰি আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ মুঠ ৪৭৩ নম্বৰ লাভ কৰি ৰাজ্যখনৰ ভিতৰত দশম স্থান দখল কৰে। কৃতী ছাত্ৰীগৰাকীয়ে ইংৰাজী বিষয়ত (৯৩), বিকল্প ইংৰাজীত (৯০), তৰ্ক বিজ্ঞান আৰু দৰ্শনত (৯৯), ৰাজনীতি বিজ্ঞানত (৯৯), স্বদেশ অধ্যয়নত (৯২) আৰু শিক্ষাত (৮৯) নম্বৰসহ আটাইকেইটা বিষয়তে লেটাৰ মাৰ্ক অৰ্জন কৰি শতকৰা ৯৪.৬ শতাংশ নম্বৰেৰে এই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। কৃতী ছাত্ৰী অনন্যাই পাঠ্যপুথি অধ্যয়ন কৰি নিজে নোটছ বনাই পঢ়ি অহাৰ সমান্তৰালভাৱে বিদ্যালয়ৰ শিক্ষাগুৰুসকলেও ছাত্ৰীগৰাকীক যথেষ্ট সহায় কৰাৰ কথা সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। পঢ়াৰ কোনো নিৰ্দিষ্ট সময় নাছিল বুলি কৈ যেতিয়াই সময় পায় তেতিয়াই পঢ়া-শুনা কৰিছিল বুলি কয়। ছাত্ৰীগৰাকীয়ে পাঠ্যপুথিৰ উপৰি আৰ্হি প্ৰশ্নোত্তৰ কাকতৰ সহায় লৈছিল। উল্লেখ্য যে একান্তভাৱে পঢ়িলে জীৱনত সফল হ'ব পাৰি বুলিও অনন্যাই প্ৰকাশ কৰে। নিজৰ ফলাফলত সন্তুষ্ট অনন্যাৰ কৃতিত্বৰ নেপথ্যত পিতৃ-মাতৃ তথা বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অনুপ্ৰেৰণা আৰু আশীৰ্বাদ অন্তৰ্নিহিত থকাৰ কথাও ব্যক্ত কৰে । ভৱিষ্যতে এগৰাকী প্ৰশাসনিক বিষয়া হোৱাৰ আশা মনত পুহি ৰখা অনন্যাই নিজৰ উচ্চ শিক্ষা গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ত গ্ৰহণ কৰাৰ কথাও ব্যক্ত কৰে। ইপিনে পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছত বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বিদ্যালয়খনৰ স্থানপ্ৰাপ্ত অনন্যাক শিক্ষানুষ্ঠানৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলে উষ্ম আদৰণি জনায়। উল্লেখ্য যে বিদ্যালয়খনৰ পৰা এইবাৰ কলা শাখাত মুঠ ৪০গৰাকী আৰু বিজ্ঞান শাখাত ৩৮গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু আটাইকেইগৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। ভালেইগৰাকী ছাত্ৰ- ছাত্ৰীয়ে ষ্টাৰ, ডিষ্টিংচন আৰু লেটাৰ মাৰ্ক লাভ কৰিছে।

# ধৰ্মীয় অনুভূতিত আঘাতৰ অভিযোগ, অল্ট নিউজৰ সাংবাদিক মহম্মদ জুবেইৰক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ জুন ঃ** ছ'চিয়েল মিডিয়াৰ তথ্য পৰীক্ষা কৰা ৱেবছাইট অল্ট নিউজৰ অন্যতম প্ৰতিষ্ঠাপক সাংবাদিক মহম্মদ জুবেইৰক আজি দিল্লী আৰক্ষীয়ে ধৰ্মীয় আৱেগত আঘাত কৰা আৰু শত্ৰুতা বৃদ্ধি কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। অল্ট নিউজৰ সহ-প্ৰতিষ্ঠাপক প্ৰতীক সিন্হাই কয় যে মহম্মদ জুবেইৰক এটা বেলেগ গোচৰত সোধা-পোছাৰ বাবে দিল্লীলৈ মাতি অনা হৈছিল। কিন্তু শেষত তেওঁক গ্ৰেপ্তাৰ কৰা হয়। তেওঁক কোনো গ্ৰেপ্তাৰৰ জাননী দিয়া হোৱা নাছিল বুলিও সিন্হাই অভিযোগ কৰে। টুইটত সিন্হাই কয়, 'বাৰে বাৰে অনুৰোধ কৰাৰ পিছতো আমাক কোনো এজাহাৰৰ প্ৰতিলিপি দিয়া হোৱা নাই।' আৰক্ষীয়ে অৱশ্যে কৈছে যে জুবেইৰে থানাত পঞ্জীয়ন কৰা এটা গোচৰৰ তদন্ত সন্দৰ্ভত থানাত উপস্থিত হৈছিল। তেওঁক আৰক্ষীয়ে সোধা-পোছা কৰি আছে আৰু কাইলৈ তেওঁক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱা হ'ব। কংগ্ৰেছ নেতা শশী থাৰুৰে তেওঁৰ গ্ৰেপ্তাৰক 'সত্যৰ ওপৰত আক্ৰমণ' বুলি অভিহিত কৰিছে আৰু তেওঁৰ মুক্তিৰ দাবী উত্থাপন কৰিছে। ২০১৭ চনত এক অলাভজনক প্ৰতিষ্ঠান হিচাপে প্ৰতিষ্ঠা হোৱা অল্টনিউজ হৈছে বিশ্বৰ আটাইতকৈ এক পৰিচিত তথ্য পৰীক্ষণ কৰা মিডিয়া। প্ৰতিষ্ঠানটোৰ প্ৰতিষ্ঠাপকসকলে বছৰ বছৰ ধৰি সোঁপন্থী গোটবোৰৰ দ্বাৰা অনলাইন ট্ৰলিং আৰু আৰক্ষীৰ হাৰাশাস্তিৰ সন্মুখীন হৈ অহাৰ অভিযোগ উঠি আহিছে। মহম্মদ জুবেইৰৰ বিৰুদ্ধে শেহতীয়াকৈ এটা গোচৰ এমাহ আগতে উত্তৰ প্ৰদেশৰ সীতাপুৰ জিলাত ৰুজু কৰা হৈছিল। সেই অভিযোগৰ ভিত্তিতে তেওঁক দিল্লীত গ্ৰেপ্তাৰ কৰা বুলি ধাৰণা কৰা হৈছে। আইনজীৱী প্ৰশান্ত ভূষণে তেওঁৰ গ্ৰেপ্তাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়— 'যিসকলে ঘৃণামূলক ভাষণ দিছে তেওঁলোকক লৈয়েই এই চৰকাৰ চলি আছে।'

# লাহৰীঘাটৰ গেৰুৱাত বাঢ়নী পানীত পৰি ছাত্ৰীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৭ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্ভুক্ত গেৰুৱাত বাঢ়নী পানীত পৰি ছাত্ৰীৰ মৃত্যু। মৃত ছাত্ৰীগৰাকী সোমনাথ কোঁৱৰৰ কন্যা ৰুণমণি কোঁৱৰ (৭)। ৰুণমণি পশ্চিম গেৰুৱা প্ৰাথমিক বিদ্যালয়ৰ ২য় শ্ৰেণীৰ ছাত্ৰী। ঘৰৰ নিচেই কাষতে থকা পথাৰৰ দ পানীত পৰি মৃত্যু হোৱা ৰুণমণিৰ মৃতদেহ অঞ্চলৰ লোকে উদ্ধাৰ কৰে। ভূৰাগাঁও আৰক্ষীয়ে ৰুণমণিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।



# কলা বিভাগত দশম স্থান দখলেৰে শলগুৰিৰ নাম উজলালে দেৱীস্তুতি হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৭ জুন ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী দেৱীস্তুতি হাজৰিকাই কলা শাখাত ৰাজ্যৰ ভিতৰতে ৯৪.৬ শতাংশ নম্বৰেৰে দশম স্থান লাভ কৰি শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। জিলাখনৰ ভিতৰতে চৰকাৰী বিদ্যালয়ৰ পৰা কলা বিভাগত স্থানপ্ৰাপ্ত একমাত্ৰ ছাত্ৰী দেৱীস্তুতি যোগী জতকীয়া ৰাজহ গাওঁ অন্তৰ্গত, নাথ গাওঁ নিবাসী তথা আইদেউবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধানশিক্ষক পৰাণজ্যোতি হাজৰিকা আৰু মালবিকা হাজৰিকাৰ জ্যেষ্ঠা কন্যা। ঘৰুৱা টিউচন অবিহনে সাধাৰণভাৱে পঢ়া-শুনা কৰা মেধাৱী ছাত্ৰী দেৱীস্তুতিয়ে দুবছৰ পূৰ্বে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাতো ডিষ্টিংচন নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। উল্লেখ্য যে, কেবাবাৰো স্থান লাভৰ পৰা বঞ্চিত হৈ অহাৰ মাজতে আজি ঘোষিত ফলাফলত শলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে প্ৰদৰ্শন কৰা সফলতাই বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে স্থানীয় ৰাইজক উৎফুল্লিত কৰি তোলে। ফলাফল ঘোষণাৰ পিছতে ছাত্ৰীগৰাকীক লৈ এটি শোভাযাত্ৰা বাহিৰ কৰাৰ লগতে বিদ্যালয়ৰ চৌহদত এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। ইফালে বিয়লি ছাত্ৰীগৰাকীৰ গৃহত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ নাজিৰা জিলা তথা জোকতলি আঞ্চলিক সমিতিৰ তৰফৰ পৰা এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। শাখাৰ সম্পাদক চন্দ্ৰকান্ত নাথে আঁত ধৰা চমু অনুষ্ঠানত গামোছা আৰু এটি স্মাৰক প্ৰদানৰ উপৰি শিৱসাগৰ জিলা সাহিত্য সভা, নাজিৰা কবি সন্মিলন, কালুগাঁও ৰাইটাৰ্ছ গীল্ড আৰু কালুগাঁও প্ৰেছ ক্লাবৰ হৈ হৰেন চন্দ্ৰ নাথে এটি গ্ৰন্থৰ টোপোলাৰে ছাত্ৰীগৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনাৰে অভিনন্দন জনায়। সন্ধিয়া নাথ গাওঁ নামঘৰত গাঁৱৰ যুৱকবৃন্দৰ উদ্যোগতো এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়।

# ডিমৌৰ ৩ নং উদয়পুৰত হত্যাকাণ্ড

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৭ জুন ঃ** ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত নিতাইপুখুৰী আৰক্ষী চকীৰ অধীনৰ তিনি নং উদয়পুৰত এক হত্যাকাণ্ড সংঘটিত হোৱাৰ অভিযোগ উঠিছে। নিজৰ স্বামীৰ হাততেই প্ৰাণ গ'ল পত্নীৰ। জানিব পৰা মতে তিনি নং উদয়পুৰৰ নিবাসী দিলীপ দাস নামৰ ব্যক্তিজনে পত্নী মমিনা বেগমক যোৱা নিশা এডাল ফলা খৰিৰে উপৰ্যুপৰি আক্ৰমণ কৰে। যাৰফলত মমিনা বেগম মজিয়াত ঢলি পৰে আৰু পৰিয়ালৰ লোকে লগে লগে ডিমৌ আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰি চিকিৎসা প্ৰদান কৰাই নিশায়ে ঘৰলৈ লৈ যায়। কিন্তু আজি পুৱা মহিলাগৰাকীয়ে মৃত্যুক আকোঁৱালি লয়। ঘটনাৰ খবৰ পাই ডিমৌ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ হত্যাকাণ্ডত অভিযুক্ত স্বামী দিলীপক দাসক কৰি ডিমৌ থানালৈ অনাৰ লগতে মমিনা বেগমৰ মৃতদেহ মৰণোত্তৰ কৰিবৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষী প্ৰাথমিক তদন্তত পাৰিবাৰিক কন্দলৰ বাবে এনে কাণ্ড সংঘটিত হ'বলৈ পালে বুলি ব্যক্ত কৰে।

# লিলি ৰাজবংশীৰ মৃত্যুত অসম প্ৰকাশন পৰিষদৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ জুন ঃ** অসম প্ৰকাশন পৰিষদৰ প্ৰাক্তন সদস্য, শিক্ষাবিদ তথা বিশিষ্ট সাহিত্যিক লিলি ৰাজবংশীৰ মৃত্যুত অসম প্ৰকাশন পৰিষদে গভীৰ শোক প্ৰকাশ কৰিছে। পৰিষদৰ সচিব প্ৰমোদ কলিতাই এক শোকবাৰ্তাত ৰাজবংশীৰ মৃত্যুত অসমে এগৰাকী শিক্ষাবিদ আৰু অসম প্ৰকাশনে পৰিষদে এগৰাকী শুভাকাংক্ষী হেৰুৱালে বুলি উল্লেখ কৰে। সচিবে প্ৰয়াত লিলি ৰাজবংশীৰ শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# শিৱসাগৰ জিলা সাহিত্য সভাৰ 'ত্ৰিপ্ৰসাদ' সোঁৱৰণী অনুষ্ঠান সম্পন্ন

### 'সাহিত্য সভা বাৰ্তা', আত্মকথা 'জীৱন আবেলিৰ অনুৰণন' ঃ স্মৰণিকা 'ত্ৰিপ্ৰসাদ' আৰু তিনিমহীয়া আলোচনী 'বাটকটিয়া' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ২৭ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু গীতিকবি পাৰ্বতিপ্ৰসাদৰ সোঁৱৰণত শিৱসাগৰ জিলা সাহিত্য সভাই ২৬ জুন তাৰিখে নাজিৰা নাট্য মন্দিৰত এটি বৰ্ণাঢ্য অনুষ্ঠান সম্পন্ন কৰে। এই উপলক্ষত শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈৰ সভাপতিত্বত সম্পাদক সন্তোষ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাখনি উদ্বোধন কৰে সাহিত্যিক ড° নিৰুপমা মহন্তই। সভাত নাট্যপীঠৰ অধ্যক্ষ প্ৰশান্ত শৰ্মাই 'অসমীয়া কথাছবিৰ যুগদ্ৰষ্টা জ্যোতিপ্ৰসাদ', জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক জীৱমণি নাথে 'পাৰ্বতিপ্ৰসাদৰ গীতি-সাহিত্যৰ বিষয়-বৈচিত্ৰ' আৰু সোণাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষা নিবেদিতা ফুকনে 'বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শন মূল্যায়নৰ প্ৰাসংগিকতা' বিষয়ক সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ৰূপকোঁৱৰৰ বৰজীয়ৰী জয়শ্ৰী আগৰৱালা চলিহা, সংগীত শিল্পী ৰজনীকান্ত বড়া আৰু বুদ্ধিন্দ্ৰনাথ ভট্টাচাৰ্যৰ উপৰি সংগীত নাটক অকাদেমীৰ নৱনিৰ্বাচিত সদস্য ড° অনিল শইকীয়াক জিলা সাহিত্য সভাই সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত গড়গাওঁ অঞ্চলৰ সু-লেখিকা অৰুণা চেতিয়া খাটনিয়াৰৰ 'জীৱন আবেলিৰ অনুৰণন', স্মৃতিগ্ৰন্থ 'ত্ৰিপ্ৰসাদ' আৰু তিনিমহীয়া আলোচনী 'বাটকটিয়া' উন্মোচন কৰে ড° অনিল শইকীয়াই আৰু হৰেন চন্দ্ৰ নাথ সম্পাদিত শিৱসাগৰ জিলা সাহিত্য সভা 'বাৰ্তাৰ' অষ্টম বৰ্ষ, প্ৰথম সংখ্যাটি উন্মোচন কৰে বিশিষ্ট কবি প্ৰেম গগৈয়ে। অনুষ্ঠানত কণ্ঠশিল্পী মৌচুমী সন্দিকৈৰ ৰাভা সংগীতৰ লগতে সংগীত শিক্ষাৰ্থীসকলৰ দ্বাৰা তিনিওগৰাকী বৰেণ্য শিল্পীৰ গীত-মাত, কবিতা আবৃত্তি আদি পৰিৱেশন কৰা হয়। ইয়াৰ পূৰ্বে পুৱা পতাকা উত্তোলন কৰে নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰুবুল হাতীকাকতীয়ে, ত্ৰিপ্ৰসাদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে বীৰেন ফুকন, দিলীপ দত্ত আৰু প্ৰবীণ হাজৰিকাই। চিত্ৰ-ভাস্কৰ্য প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে প্ৰমোদ তামুলীয়ে। অনুষ্ঠানত বহুসংখ্যক গণমান্য ব্যক্তি উপস্থিত থাকে।

# স্থান লাভেৰে যোৰহাটলৈ গৌৰৱ

*প্ৰথম পৃষ্ঠাৰ পৰা...* ফলাফলত প্ৰজ্ঞা একাডেমীৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ গৌৰাংগ ভূএগাই অষ্টম স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে একেখন শিক্ষানুষ্ঠানৰে কৃশান হাৰলালকা আৰু দেৱজ্ঞান বৰদলৈয়ে বিজ্ঞান শাখাত দশম স্থান দখল কৰিবলৈ সক্ষম হয়। যোৰহাটৰ বালিগাঁও ৰজাহাউলী নিৱাসী ব্যৱসায়ী সুৰেশ ভূএগা আৰু যোৰহাট লাহদৈগড় কেন্দ্ৰীয় ছিল্ক ব'ৰ্ডৰ কৰ্মচাৰী নীলিমা দত্ত ভূএগাৰ পুত্ৰ গৌৰাংগ ভূএগাই ইংৰাজীত ৯৬, ঐচ্ছিক ইংৰাজীত ৯৪, পদাৰ্থ বিজ্ঞানত ৯১, ৰসায়ন বিজ্ঞানত ৯৯, জীৱ বিজ্ঞানত ৯৬ আৰু অংকত ৯০ নম্বৰসহ মুঠ ৪৭৬ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে অষ্টম স্থান দখল কৰিবলৈ সক্ষম হয়। আজি ফলাফল লাভ কৰি যথেষ্ট উৎফুল্ল হৈ সাংবাদিকৰ আগত নিজৰ মনৰ অনুভৱ ব্যক্ত কৰি গৌৰাংগ ভূএগাই কয় যে, আজি ফলাফল ঘোষণাৰ পাছত ৰাজ্যৰ ভিতৰতে শীৰ্ষ দহজনৰ ভিতৰত স্থান লাভ কৰি অত্যন্ত সুখী অনুভৱ কৰিছো। উন্নত এটা ফলাফল আশা কৰিছিলোঁ যদিও স্থান পাম বুলি ভবা নাছিলো। আনহাতে, আজি যোৰহাট প্ৰজ্ঞা একাডেমীৰ পৰা এইবাৰ পৰীক্ষাত অৱতীৰ্ণ হৈ বিজ্ঞান শাখাত দশম স্থান লাভ কৰি যোৰহাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিলে যোৰহাট ৰয়েল ৰোড নিৱাসী কৃশান হাৰলালকাই। ব্যক্তিগত বিভাগত কৰ্মৰত পৱন হাৰলালকা আৰু গৃহিনী শোভা হাৰলালকাৰ পুত্ৰ কৃশান হাৰলালকাই মুঠ ৪৭৪ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। কৃশানে ইংৰাজীত ৯০, ঐচ্ছিক ইংৰাজীত ৯২, পদাৰ্থ বিজ্ঞানত ৯৯, জীৱ বিজ্ঞানত ৯৪, অংকত ৯৯ আৰু ৰসায়ন বিজ্ঞানত ৯৩ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, যোৰহাট প্ৰজ্ঞা একাডেমীৰে ছাত্ৰ দেৱজ্ঞান বৰদলৈয়ে আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ৰাজ্যৰ ভিতৰতে বিজ্ঞান শাখাত দশম স্থান লাভ কৰি যোৰহাট জিলালৈ গৌৰৱ কঢ়িয়াই আনে। যোৰহাটৰ পুলিবৰ নিৱাসী তথা বিশিষ্ট কবি উত্তম কুমাৰ বৰদলৈ আৰু যোৰহাট বাল্য ভৱনৰ অধ্যক্ষ জোনালী বৰা বৰদলৈৰ পুত্ৰ দেৱজ্ঞানে মুঠ ৪৭৪ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। দেৱজ্ঞানে ইংৰাজীত ৯৬, ঐচ্ছিক ইংৰাজীত ৯৪, পদাৰ্থ বিজ্ঞানত ৯৪, জীৱ বিজ্ঞানত ৯৭, অংকত ৯৩ আৰু ৰসায়ন বিজ্ঞানত ৯৩ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। আজি ফলাফল ঘোষণাৰ পাছত শীৰ্ষ দহজনৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈ উৎফুল্ল হৈ ছাত্ৰজনে নিজৰ মনৰ ভাব প্ৰকাশ কৰি কয় যে, স্থান লাভ কৰিম বুলি আশা কৰা নাছিলোঁ। কিন্তু স্থান লাভ কৰি যথেষ্ট সুখী অনুভৱ কৰিছো।

# বিশ্বনাথৰ অসম-অৰুণাচল সীমান্ত পাভৈ

*প্ৰথম পৃষ্ঠাৰ পৰা...* চিকিৎসক তথা বিশিষ্ট সমাজকৰ্মী ৰঞ্জন গগৈয়ে। বিশ্বনাথৰ এই পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে এখন ভাল বিদ্যালয়ত অধ্যয়ন কৰাৰ পৰা বঞ্চিত নহয়, তাৰ প্ৰচেষ্টাত অঞ্চলটোত চিকিৎসক ৰঞ্জন গগৈয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিলে পাভৈ ছিনিয়ৰ ছেকেণ্ডাৰী নামৰ এখন কনিষ্ঠ মহাবিদ্যালয়। প্ৰথম বৰ্ষ হিচাপে ৩৭গৰাকী অতি দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীলৈ আৰম্ভ কৰা কলা শাখাৰ কনিষ্ঠ মহাবিদ্যালয়খনৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে আজি সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হ'ল পাভৈ অঞ্চলত। আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফলে বিশ্বনাথৰ পাভৈ এই কনিষ্ঠ মহাবিদ্যালয়খনৰ কলা শাখাৰ ৩৭গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ লগতে এগৰাকী ছাত্ৰই ডিষ্টিংচন, তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ষ্টাৰ লাভ কৰিবলৈ সক্ষম হৈছে। বাকী ৯গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম স্থান, ১৪গৰাকী দ্বিতীয় আৰু ১৪গৰাকী ছাত্ৰ-ছাত্ৰীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হৈ সুনাম কঢ়িয়াই আনিলে পাভৈ অঞ্চললৈ। আনহাতে, এই কনিষ্ঠ মহাবিদ্যালয়ৰ ছাত্ৰ ৰাজীৱ হাঞ্চে আৰু ৰঞ্জন টেৰাঙৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া হোৱাৰ বাবে মহাবিদ্যালয়খনৰ স্বত্বাধিকাৰী তথা সু-চিকিৎসক ৰঞ্জন গগৈয়ে সম্পূৰ্ণ দুই দৰিদ্ৰ ছাত্ৰক বিনামূলীয়াকৈ অধ্যয়ন কৰাৰ সুবিধা প্ৰদান কৰিছিল আৰু এই দুগৰাকী ছাত্ৰই পাঁচটাকৈ বিষয়ত লেটাৰ মাৰ্কসহ উত্তীৰ্ণ হোৱাৰ বাবে উৎফুল্লিত হৈ পৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষ। যাৰ বাবে মহাবিদ্যালয়খনত আজি মহাবিদ্যালয় কৰ্তৃপক্ষই এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি এই কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে, বিশ্বনাথৰ সু-চিকিৎসক তথা মহাবিদ্যালয়ৰ স্বত্বাধিকাৰী ড° ৰঞ্জন গগৈয়ে মহাবিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ ৰাজীৱ হাঞ্চে আৰু ৰঞ্জন টেৰাঙৰ উচ্চ শিক্ষাৰ সম্পূৰ্ণ দায়িত্ব নিজাববীয়াকৈ গ্ৰহণ কৰিব বুলি ঘোষণা কৰে।

# ব্যতিক্ৰম মাচডোৰ উদ্যোগত ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে আন্তৰ্জাতিক দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ জুন ঃ** অসমৰ এক অগ্ৰণী সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান ব্যতিক্ৰম মাচডোৰ উদ্যোগত যোৱা ২৬ জুন তাৰিখে গুৱাহাটীৰ তাজ ভিভান্তাত ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহৰ বিৰুদ্ধে দিনযোৱা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিৱস উদযাপন কৰা হয়। কাৰ্য্যসূচীৰ লগত সংগতি ৰাখি নিৰ্বাচিত প্ৰায় ১০ গৰাকী ব্যক্তিৰ দ্বাৰা লাইভ পেইণ্টিং অনুষ্ঠান অনুষ্ঠিত কৰা হয়। লাইভ পেইণ্টিং কৰে গুৱাহাটী আৰ্টিষ্ট গিল্ড আৰু গভমেন্ট কলেজ অফ আৰ্ট এণ্ড ক্ৰাফট্‌ৰ সদস্য সকল ক্ৰমে ড° চন্দন নাগ চৌধুৰী, দীপান্বিতা ডেকা, ড° কৃপেশ ৰঞ্জন শৰ্মা, লক্ষ্যজীত বৰা, মৌচুমী বৰঠাকুৰ, পল্লবী শৰ্মা, প্ৰদীপ নাথ, সুৰঞ্জনা দত্ত, আৰু তুলিকা গোস্বামী, উপস্থিত থাকে সুদূৰ শিলচৰৰ চিত্ৰশিল্পী চন্দ্ৰিমা শ্যাম। বন্তি প্ৰজ্জলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত উপস্থিত থাকে সাংসদ ভুৱনেশ্বৰ কলিতা, চলচিত্ৰ নিৰ্মাতা আৰু সমাজ সেৱক শংকৰ লাল গোৱেংকা, গুৱাহাটীস্থিত বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত ড° শ্বাহ মহম্মদ তনভীৰ মনচুৰ, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া, বিশিষ্ট চিত্ৰশিল্পী ননী বৰপূজাৰী, নেমকেয়াৰ হস্পিতেলৰ পৰিচালন সঞ্চালক ড° হিতেশ বৰুৱা, ইজৰাইলৰ সন্মানীয় কনছুল, উত্তৰ-পূব ভাৰতৰ জয়শ্ৰী দাস বৰ্মা, প্ৰাগ নিউজৰ প্ৰধান সঞ্চালক ড° সঞ্জীৱ নাৰায়ণ, হোটেল ভিভান্টাৰ জেনেৰেল মেনেজাৰ জয়ন্ত দাস, প্ৰাক্তন প্ৰশাসনিক বিষয়া ৰাজভী হুছেইন, অভিনেতা ৰবি শৰ্মা, গুৱাহাটী আৰ্টিষ্ট গিল্ডৰ সাধাৰণ সম্পাদক কিশোৰ কুমাৰ দাস, জেষ্ঠ্য সাংবাদিক প্ৰণয় বৰদলৈ, বিশিষ্ট বক্তা সিদ্ধাৰ্থ প্ৰতীম দত্ত, সাংবাদিক তথা বাৰ্তালাপ একাডেমীৰ প্ৰতিষ্ঠাপক চক্ৰপাণি পৰাশৰ, আই.আই.এফ.এল.ফিনায়েঞ্চ, ফেন্সীবজাৰ শাখাৰ প্ৰবন্ধক পুষ্পক শৰ্মা বহুতো বিশিষ্ট ব্যক্তি। অনুষ্ঠানৰ প্ৰথমতে বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া দেৱে তেখেতৰ বক্তব্য দাঙি ধৰি ব্যতিক্ৰম মাচডোৰ সকলো কৰ্মকৰ্তাক শলাগ লোৱাৰ লগতে বিগত দিনৰ দৰে আগন্তুক দিনত সহায় সহযোগিতা আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। অনুষ্ঠানত আহিবলগীয়া ছবি 'গুৱাহাটী ডায়েৰীজ'ৰ অভিনেতা অভিনেত্ৰী সকল উপস্থিত থাকে লগতে 'গুৱাহাটী ডায়েৰীজ'ৰ প্ৰম' প্ৰদৰ্শন কৰা হয়। অভিনেত্ৰী বৰষাৰাণী বিষয়া, উৰ্মিলা মহন্তই খুব সুন্দৰ বক্তব্য দাঙি ধৰে। অনুষ্ঠানৰ মাজত আৰ্টেয়ী চক্ৰৱৰ্তীৰ নৃত্য, বন্দিতা কাশ্যপ, সঞ্চিতা মালাকাৰ, নয়নিকা হাজৰিকাৰ গীত পৰিৱেশনে অনুষ্ঠানটি অধিক জীপাল কৰি তোলে। বিশিষ্ট অভিনেতা ৰবি শৰ্মা, প্ৰণয় বৰদলৈ, ড° সঞ্জীৱ নাৰায়ণ আদি বহুজন ব্যক্তিয়ে ব্যতিক্ৰম গোষ্ঠীৰ যি ড্ৰাগছৰ বিৰুদ্ধে অভিযান সেই অভিযানৰ শলাগ লয় আৰু ব্যতিক্ৰম মাচডোৰ সভাপতি ড° সৌমেন ভাৰতীয়াক বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানৰ শেষত অংশগ্ৰহণ কৰা ১০ জন শিল্পী এখনিকৈ মানপত্ৰ প্ৰদান কৰা হয়। ব্যতিক্ৰম মাসডোৰ সভাপতি ড° সৌমেন ভাৰতীয়াই উক্ত অনুষ্ঠানৰ ওপৰত মন্তব্য দাঙি ধৰি কয় যে 'মুখ্যমন্ত্ৰীৰ ড্ৰাগছ মুক্ত অসম গঢ়াৰ যি পৰিকল্পনা, এই পৰিকল্পনাৰ সহযোগত ব্যতিক্ৰমে বিগত ২৩ দিন ধৰি এক অভিযান চলায় আছে আৰু ৬০ দিনত এই অভিযানৰ সফল সমাপ্তি ঘটিব, আৰু উক্ত অভিযানৰ লগত সংগতি ৰাখি আন্তৰ্জাতিক ড্ৰাগছ বিৰোধী দিৱস উদযাপন আৰু লাইভ পেইণ্টিং অনুষ্ঠান অনুষ্ঠিত কৰা হয়, আৰু ভৱিষ্যত দিনত সকলো লোকৰ সহায় সহযোগিতাৰ আহ্বান জনায়।'

# বাণিজ্য শাখাত দ্বিতীয় স্থান দখল কৰি

*প্ৰথম পৃষ্ঠাৰ পৰা...* এই সফলতাত স্বাভাৱিকতে উৎফুল্ল হৈ পৰিছে মানসৰ পৰিয়াল, শিক্ষাগুৰু, বন্ধু-বান্ধৱী তথা যোৰহাটবাসী ৰাইজ। যোৰহাট কেন্দুগুৰি নিৱাসী ব্যক্তিগত বিভাগৰ কৰ্মচাৰী মুকুল বৰঠাকুৰ আৰু গৃহিনী মালা বৰঠাকুৰৰ পুত্ৰ মানসে বাণিজ্য শাখাত সৰ্বমুঠ ৪৭৬ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে দ্বিতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। মানসে ইংৰাজীত ৯৭, ঐচ্ছিক ইংৰাজীত ৯৬, একাউণ্টেঞ্চিত ৯২, বিজিনেছ ষ্টাডিজত ৯২, অৰ্থনীতিত ৯৯ আৰু অংকত ৫৬ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ৰাজ্যৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰি যোৰহাট তথা নিজৰ কলেজখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈ উৎফুল্ল হৈ পৰা মানসে আজি সাংবাদিকৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰি কয় যে, আশা কৰাৰ দৰেই আজি ফল লাভ কৰিছোঁ। কিন্তু ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হ'ম বুলি আশা কৰা নাছিলোঁ। ইয়াৰ পাছত বি কম পঢ়ি এজন সুদক্ষ উদ্যোগী হোৱাৰ হেঁপাহ মনত পুহি ৰখা মানসে লগতে কয়, মোৰ অধ্যয়ন কৰাৰ কোনো নিৰ্দিষ্ট সময় নাছিল। কিন্তু এটা নিৰ্দিষ্ট পৰিকল্পনা হাতত লৈ অধ্যয়ন কৰিছিলোঁ। যাতে দৈনিক ১-২ ঘণ্টা হ'লেও অধ্যয়ন কৰিব পাৰো। লগতে ১-২ মাহত এটা বিষয় খৰচি মাৰি অধ্যয়ন কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰি লৈছিলোঁ।

## আয়াৰলেণ্ডৰ বিৰুদ্ধে জয়ৰে অভিযান আৰম্ভ টীম ইণ্ডিয়াৰ

# আজি শৃংখলাৰ দ্বিতীয় টি-২০



**ডাবলিন, ২৬ জুন ঃ** আয়াৰলেণ্ড ভ্ৰমণলৈ যোৱা ভাৰতীয় ক্ৰিকেট দলে দুখনীয়া টি-২০ শৃংখলাৰ প্ৰথম মেচত সাত উইকেটত জয়লাভ কৰিছে। যোৱানিশা বৰ্ষা বিঘ্নিত মেচত আয়াৰলেণ্ডে ১২ অভাৰত চাৰি উইকেটত ১০৮ ৰাণ কৰাৰ পাছত ভাৰতে ৯.২ অভাৰত তিনি উইকেট হেৰুৱাই ১১১ ৰাণ কৰি জয়ৰে দুখনীয়া টি-২০ শৃংখলাত ১-০ ৰ অগ্ৰগতি লয়। দিপক হুদাই অপৰাজিত ৪৭, ইষান কিষানে ২৬ আৰু হৰ্দিক পণ্ডিয়াই ২৪ ৰাণ কৰে। কিন্তু মেচৰ শ্ৰেষ্ঠ হয় চাহাল। ইফালে, প্ৰথম টি-২০ ত টীম ইণ্ডিয়াৰ হৈ অভিষেক কৰে উমৰাণ মালিকে। কাইলৈ দুখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয় মেচখন অনুষ্ঠিত হ'ব। উল্লেখ্য যে টীম ইণ্ডিয়াক আয়াৰলেণ্ড ভ্ৰমণত নেতৃত্ব দিছে তাৰকা অলৰাউণ্ডাৰ হাৰ্ডিক পাণ্ডিয়াই। প্ৰথমবাৰৰ বাবে জাতীয় দলৰ অধিনায়ক হৈছে হাৰ্দিক। ইফালে, প্ৰথমবাৰৰ বাবে ভাৰতীয় দলৰ প্ৰশিক্ষকৰ দায়িত্ব লৈছে ভি ভি এছ লক্ষ্মনে। আয়াৰলেণ্ডত খেলা ভাৰতীয় দলটো হ'ল ঃ হাৰ্দিক পাণ্ডিয়া, ভুৱনেশ্বৰ কুমাৰ, ঈশান কিষণ, ৰিতুৰাজ গায়কোৱাড, সঞ্জু চেমছন, সূৰ্যকুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, দীপক হুডা, ৰাহুল ত্ৰিপাঠী, দিনেশ কাৰ্তিক, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, হৰ্ষল পেটেল, আভেশ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।

## ৰোহিতৰ কৰ'নাৰ বাবে ভাৰতীয় টেষ্ট দলত মায়ংক অন্তৰ্ভুক্ত



**লণ্ডন, ২৭ জুন ঃ** ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা একমাত্ৰ টেষ্টখনৰ বাবে ভাৰতীয় দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। উল্লেখ্য যে ইংলণ্ডত কৰ'নাত আক্ৰান্ত হৈছে ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক ৰোহিত শৰ্মা। সেয়ে দলত তেওঁৰ স্থানত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। আজি বি চি চি আইৰ তৰফৰ পৰা এই বিষয়ে সদৰী কৰা হৈছে। উল্লেখ্য যে লিইছেষ্টাৰৰ বিৰুদ্ধে খেলা প্ৰস্তুতি মেচখনৰ তৃতীয় দিনাৰ খেলৰ অন্তত ভাৰতীয় দলৰ অধিনায়ক ৰোহিত শৰ্মা কৰ'নাত আক্ৰান্ত হোৱাৰ কথা ব'ৰ্ডে আনুষ্ঠানিকভাবে জনাইছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে পাঁচখনীয়া টেষ্ট শৃংখলাটোত ভাৰতীয় দলে ২-১ ত আগবাঢ়ি আছে। এতিয়া অন্তিম টেষ্ট ড্ৰ হ'লেও ভাৰতে লাভ কৰি শৃংখলা। বি চি চি আয়ে এই টেষ্টখনৰ বাবে ভাৰতীয় দলটো পূৰ্বেই ঘোষণা কৰিছিল। এতিয়া দলত নতুনকৈ স্থান দিয়া হৈছে মায়ংক আগৰৱালক। ৰোহিত শৰ্মাৰ নেতৃত্বত ঘোষিত ভাৰতীয় দলটো হ'ল ঃ লোকেছ ৰাহুল, শুভমন গিল, মায়ংক আগৰৱাল, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, চেতেশ্বৰ পূজাৰা, ঋষভ পণ্ট, কে এছ ভৰত, ৰবীন্দ্ৰ জাডেজা, ৰবীচন্দ্ৰন অশ্বিন, শ্বাৰ্দুল ঠাকুৰ, মহম্মদ ছামি, যশপ্ৰীত বুমৰাহ, মহম্মদ চিৰাজ, উমেশ যাদৱ আৰু প্ৰষিদ্ধ কৃষণ।

## ফুটবল লীগ পূৰ্ণগতিত

**গুৱাহাটী, ২৭ জুন ঃ** বিশ্বনাথ চাৰিআলি ষ্টেডিয়ামত বিশ্বনাথ জিলা ক্ৰীড়া সন্থাৰ সৌজন্যত অনুষ্ঠিত হৈ থকা ফুটবল লীগৰ আজিৰ খেলত অংশ লয় প্ৰতাপগড় চাহবাগান আৰু বিশ্বনাথৰ গোৱালতলী দলে। উল্লেখ্য যে উত্তেজনাপূৰ্ণ ৰোমাঞ্চকৰ মেচখন ২-২ গ'লত অমিমাংসিত হয়। ফলত প্ৰতাপগড় চাহবাগান আৰু বিশ্বনাথৰ গোৱালতলী দলে পইন্ট ভগাই লয়। বিশ্বনাথ চাৰিআলি ষ্টেডিয়ামত কাইলৈ হ'বলগা লীগৰ খেলত পাভৈ চাহবাগান দলে মোনাবাৰী চাহবাগান দলৰ বিৰুদ্ধে খেলিব বুলি জনাইছে আয়োজক বিশ্বনাথ জিলা ক্ৰীড়া সন্থাই।

### অন্তিম টেষ্টত সাত উইকেটত জয়লাভ

## নিউজিলেণ্ডৰ বিৰুদ্ধে তিনিখনীয়া শৃংখলা ৩-০ত দখল ইংলেণ্ডৰ



**লণ্ডন, ২৭ জুন ঃ** ইংলণ্ড ক্ৰিকেট দলে নিউজিলেণ্ডৰ বিৰুদ্ধে ঘৰত খেলা তিনিখনীয়া টেষ্ট শৃংখলাটো ৩-০ ৰ ব্যৱধানত দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শৃংখলাৰ তৃতীয় তথা অন্তিমখন টেষ্টত ইংলণ্ডে সাত উইকেটত পৰাস্ত কৰে নিউজিলেণ্ডক। শৃংখলাৰ তৃতীয় তথা অন্তিমখন টেষ্টত নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩২৯ ৰাণ কৰাৰ প্ৰত্যুত্তৰত ইংলণ্ডে প্ৰথম ইনিংছত ৩৬০ ৰাণ কৰি অগ্ৰগতি লয়। ইফালে, নিউজিলেণ্ডে দ্বিতীয় ইনিংছত ৩২৬ ৰাণ কৰি ইংলণ্ডৰ সন্মুখত ২৯৬ ৰাণৰ বিজয় লক্ষ্য দিয়ে। ইংলণ্ডে আজি তিনি উইকেট হেৰুৱাই বিজয়লক্ষ্যত উপনীত হয় আৰু অন্তিমখন টেষ্টত সাত উইকেটত জয়লাভ কৰাৰ লগতে তিনিখনীয়া টেষ্ট শৃংখলাটো ৩-০ ৰ ব্যৱধানত দখল কৰিবলৈ সক্ষম হয়। শৃংখলাৰ শ্ৰেষ্ঠ হয় জ' ৰুট। ইংলণ্ডে এতিয়া ভাৰতৰ বিৰুদ্ধে এখন টেষ্ট তথা টি-২০ আৰু এদিনীয়া শৃংখলা খেলিব। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ যোৱা বৰ্ষৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ অন্তিম তথা পঞ্চমখন টেষ্ট বাতিল হৈছিল কৰ'নাৰ বাবে। এতিয়া এই টেষ্টখন অহা একৰ পৰা পাঁচ জুলাইলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'ব। আনহাতে, ইংলণ্ডে টেষ্ট মেচখন খেলাৰ পাছত তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাও খেলিব। ইতিমধ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচীও ঘোষণা কৰিছে। সেই অনুসৰি অহা সাত, ন আৰু ১০ জুলাইত টি-২০ মেচ তিনিখন অনুষ্ঠিত হ'ব। আনহাতে ১২, ১৪ আৰু ১৭ জুলাইত তিনিখন এদিনীয়া মেচ খেলিব ভাৰত আৰু ইংলণ্ডে।

## ৰাষ্ট্ৰীয় এথলেটিকছত ঊষা নাথৰ দুটা সোণ

**গুৱাহাটী, ২৭ জুন ঃ** বাক্সা জিলাৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত জালাহ গাঁৱৰ খেলুৱৈ ঊষা নাথে ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা কৈ সোণৰ পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে গুজৰাটৰ বাদোদৰাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতাত ঊষা নাথে অসমৰ হৈ যোগদান কৰিছিল। প্ৰতিযোগিতাত ৫৫-৫৯ বছৰ শাখাত ঊষা নাথে ডিচকাছ আৰু হামাৰ থ্ৰ'ত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। সৰুৰে পৰা খেলৰ লগত জড়িত থকা ঊষা নাথে এই বয়সতো শৰীৰ চৰ্চাৰ বাবে জিমলৈ যায়। ইয়াৰপূৰ্বে তেওঁ ভূটান-ভাৰত বন্ধুত্ব সংস্থাই আয়োজন কৰা মাৰাথান দৌৰত পদক লাভ কৰিছিল। ঊষা নাথে আন্ত:ৰাষ্ট্ৰীয় পৰ্যায়ত খেল খেলিবলৈ নিৰ্বাচিত হৈছে। ৰাষ্ট্ৰীয় খেলুৱৈ ঊষা নাথে এই সফলতাৰ আৰত স্বামী অৱসৰপ্ৰাপ্ত শিক্ষক মদন চন্দ্ৰ নাথ, কন্যা মনিকাঞ্চন নাথ আৰু জোৱাই মুন চাংমাৰ নাম উল্লেখ কৰি কৃতজ্ঞতা জ্ঞাপন কৰে। ঊষা নাথে ভাৰতৰ হৈ আন্তৰাষ্ট্ৰীয় খেলত অংশ লৈ অসমলৈ পদক জয় কৰাৰ দূৰ্বাৰ হেপাহ মনত পুহি ৰাখিছে।

## ইণ্ডিয়া বুক অৱ ৰেকৰ্ডত নাম অন্তৰ্ভুক্ত দৌৰবিদ অঞ্জলি দাসৰ

**গুৱাহাটী, ২৭ জুন ঃ** কামৰূপ জিলাৰ পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বৰিহাট হাটখোৱাপাৰা নিৱাসী দৌৰবিদ অঞ্জলি দাসে যোৱা ন এপ্ৰিলত আমৰাংগা বৰিহাট মিনি ষ্টেডিয়ামৰ পৰা বকোৰ শিংৰালৈ আৰু শিংৰাৰ পৰা পুনৰ উক্ত ষ্টেডিয়ামলৈ নিশাটোৰ ভিতৰতে ১৮ ঘণ্টাত ১০০ কিলো মিটাৰ খোজ কাঢ়ি ইণ্ডিয়া বুক অৱ ৰেকৰ্ডত নাম অন্তৰ্ভুক্তি কৰিছিল। অলপতে অঞ্জলিক আনুষ্ঠানিক প্ৰমান প্ৰত্ৰ দিয়া হয়। ইফালে, এই সফলতাৰ বাবে খেলুৱৈগৰাকীক বিশেষভাৱে সম্বৰ্ধনা জনাইছে চেণ্টল বেংক অৱ ইণ্ডিয়াই। এই উপলক্ষে চেণ্টল বেংক অৱ ইণ্ডিয়াৰ মিৰ্জা শাখাত অনুষ্ঠিত এখন সভাত তেওঁক বেজ,পদক, ফুলাম গামোচা,ফুলাম জাপি আদিৰে সম্বৰ্ধনা জনোৱা হয়। তেওঁ সম্বৰ্ধনা গ্ৰহণ কৰি ভৱিষ্যত আন বিশ্ব ৰেকৰ্ড কৰাৰ বাবেও পৰিকল্পনা আছে বুলি কয় অঞ্জলিয়ে। বেংক কৰ্তৃপক্ষই এই খেলুৱৈ গৰাকীক ভৱিষ্যত সকলো দিশত সহায় সহযোগ কৰি যাব বুলি উল্লেখ কৰে। এই সম্বৰ্ধনাৰ সময়ত জোনেল মেনেজাৰ বিবেক শ্ৰীবাস্তৱ,বৰপেটাৰ ৰিজিয়নেল মেনেজাৰ এছ কে শ্ৰীবাস্তৱ,কামৰূপ গ্ৰাম্যৰ এলডিএম মিঃ ধৰ্মেন্দ্ৰ, এএছআৰএলএমৰ ডিপিএম এল গোস্বামী,মিৰ্জা শাখাৰ জ্যেষ্ঠ মেনেজাৰ যেশুনন্দ ডেউৰীকে ধৰি কেইবাগৰাকী বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

## আন্তঃজিলা মুকলি স্কোৱাছ চেম্পিয়নশ্বিপৰ সামৰণি

**গুৱাহাটী, ২৭ জুন ঃ** গুৱাহাটী স্কোৱাছ কৰ্টত যোৱা ২৫-২৬ জুনত দুদিনীয়াকৈ অনুস্থিত আন্তঃজিলা অ'পেন স্কোৱাছ চেম্পিয়নশ্বিপৰ সামৰণি পৰিছে । আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ স্কোৱাছ কৰ্টত অনুস্থিত এই প্ৰতিযোগিতাত ১৯ বছৰ অনূৰ্ধ্ব ল'ৰা-ছোৱালীয়ে অংশ গ্ৰহণ কৰে । ৰাজ্যখনৰ ছখন জিলাৰ মুঠ ৪১ গৰাকী খেলুৱৈয়ে এই প্ৰতিযোগিতাত ভাগ লয় ।প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ উপ-সভাপতি কল্যাণ গগৈ, বিষ্ণুৰাম নুনিচা, সহ-সম্পাদক নিৰঞ্জন শইকীয়া, কাৰ্যবাহী সদস্য জেহিৰুল ইছলাম, অসম ক্ৰিকেট সন্থাৰ এপেক্স কাউন্সিলৰ সদস্য শৈবাল সেনগুপ্ত, প্ৰাক্তন ৰঞ্জি ক্ৰিকেটাৰ নাছিৰ গুলখান আৰু অসম স্কোৱাছ ৰেকেট সন্থাৰ কাৰ্যকৰী সভাপতি অনুপ চৌধুৰী । বিশিষ্ট অতিথিসকলে সকলো দৰ্শক, খেলুৱৈ, অভিভাৱকৰ উপস্থিতিত ট্ৰফীসমূহ প্ৰদান কৰে । ইয়াৰ পূৰ্বে যোৱা ২৫ জুনত অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে টুৰ্ণামেণ্টখন উদ্বোধন কৰে । সিদিনা উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ উপ-সভাপতি ৰাজ কাকতি, জি এছ এৰ সম্পাদক ধ্ৰুৱজ্যোতি কলিতা, অসম স্কোৱাছ ৰেকেট সন্থাৰ কাৰ্যকৰী সভাপতি অনুপ চৌধুৰী আৰু সম্পাদক ৰাকেশ তিৱাৰী ।প্ৰতিযোগিতাৰ ফলাফল অনুসৰি ১৯ বছৰ অনূৰ্ধ্ব ল'ৰাৰ শাখাত কামৰূপ মহানগৰ জিলাৰ ঈশান জৈন চেম্পিয়ন হয় । কামৰূপ মহানগৰ জিলাৰ সুজল পাঠকে প্ৰথম ৰাণাৰ্চআপ আৰু যোৰহাটৰ কৃষয় ছুটদিয়াই দ্বিতীয় ৰাণাৰ্চআপ ট্ৰফী লাভ কৰে । ছোৱালী শাখাত শুভ্ৰা বৰা চেম্পিয়ন, নন্দিনী বায়ন প্ৰথম ৰাণাৰ্চআপ আৰু জশিতা দহোটিয়াই দ্বিতীয় ৰাণাৰ্চআপত ট্ৰফী লাভ কৰে । তেওঁলোক আটাইগৰাকী কামৰূপ মহানগৰ জিলাৰ খেলুৱৈ।

## ৪ জুলাইৰ পৰা ১৩ বছৰ অনুৰ্ধৰ ফুটবল লীগ

**গুৱাহাটী, ২৭ জুন ঃ** তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা কালি সন্ধিয়া তামুলপুৰ প্ৰেছ ক্লাৱত অনুষ্ঠিত হয়। তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৰেন বড়োৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত অহা জুলাইৰ পহিলা সপ্তাহৰ পৰা তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত অনুষ্ঠিত হ'বলগীয়া বিভিন্ন বিভাগৰ খেল সমূহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তামুলপুৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক কমলা কান্ত বড়োই প্ৰকাশ কৰা মতে অহা চাৰি জুলাইৰ পৰা তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ অধীনত ১৩ বছৰ অনুৰ্ধৰ ফুটবল লীগৰ খেল সমূহ তামুলপুৰত অনুষ্ঠিত হ'ব। আনহাতে সাত জুলাইৰ পৰা তামুলপুৰ ক্ৰীড়া সন্থাৰ অধীনত এ আৰু বি ডিভিজন ফুটবল লীগ সমূহো আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ইফালে, তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আন্তঃজিলা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতাৰ 'ই' গ্ৰুপৰ খেলসমূহ অহা ২৮ জুলাইৰ পৰা তামুলপুৰত অনুষ্ঠিত হ'ব।

## অসম এথলেটিকছৰ কাৰিকৰী প্ৰশিক্ষণ কৰ্মশালা

**গুৱাহাটী, ২৭ জুন ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত সৰুসজাই ক্ৰীড়া প্ৰকল্পত দুদিনীয়াকৈ অনুষ্ঠিত এথলেটিকছৰ কাৰিকৰী বিষয়াসকলৰ বিশেষ প্ৰশিক্ষণ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। অসম এথলেটিকচ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে উদ্বোধন কৰা এই কৰ্মশালাত অসমৰ বিভিন্ন জিলাৰ প্ৰায় ডেৰ শতাধিক এথলেটিকছৰ কাৰিকৰী বিষয়াই অংশগ্ৰহন কৰে। কৰ্মশালাখনিত মুখ্য সমল ব্যক্তি ৰূপে উপস্থিত থাকি এথলেটিকচ ফেডাৰেচন অব ইণ্ডিয়াৰ কাৰিকৰী সমিতিৰ অধ্যক্ষ বি ষ্টেনলি জ'নচ আৰু ছিনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকচ কাৰিকৰী বিষয়া কলকাতাৰ সঞ্জয় ঘোষে অহা নৱেম্বৰত অনুষ্ঠিত হবলগীয়া ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকচ প্ৰতিযোগিতাত অসমৰ কাৰিকৰী বিষয়া সকলে যাতে সুন্দৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে সেই উদ্দেশ্যৰে অনুষ্ঠিত এই কৰ্মশালাত দুয়োগৰাকী সমল ব্যক্তিৰ পৰা যথেষ্ট উপকৃত হোৱা বুলি উপস্থিত কাৰিকৰী বিষয়া সকলে মন্তব্য প্ৰকাশ কৰে।



নিউজিলেণ্ডৰ বিৰুদ্ধে তৃতীয় টেষ্টত জয়লাভ কৰাৰ পিছত ইংলেণ্ডৰ খেলুৱৈৰ উল্লাস

## আজিৰে পৰা পুনৰ চি ডিভিজন কোৱালিফাইং ৰাউণ্ড

**গুৱাহাটী, ২৭ জুন ঃ** প্ৰতিকূল বতৰ আৰু ১৭ অনুৰ্ধ মহিলাৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবে স্থগিত হৈ থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ চি ডিভিজন কোৱালিফাইং ৰাউণ্ডৰ খেলসমূহ কাইলৰ পৰা পুনৰ আৰম্ভ হ'ব । কাইলৈ নেহৰু ষ্টেডিয়ামত দিনৰ ২-৩০ বজাত উদয়ন কৃষ্টি সংঘই কাজিৰঙা এফ চি আৰু নিউ ষ্টাৰ ক্লাবে লিণ্ডা এফ চিৰ মুখামুখি হ'ব বুলি ফুটবল সম্পাদক এল প্ৰণৱ সিঙে জনাইছে।

## দক্ষিণ-এছিয়া আছিহাৰা কাৰাটে চেম্পিয়নশ্বিপত সোণৰ পদকেৰে নাম জিলিকালে টীয়কৰ প্ৰিয়ংকা গগৈয়ে

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কাকজান, ২৭ জুন ঃ** পশ্চিমবংগৰ কলকাতাত যোৱা ২২ জুনৰ পৰা ২৭ জুনলৈকে অনুষ্ঠিত হোৱা দক্ষিণ - এচিয়া আচিহাৰা কাৰাটে চেম্পিয়নশ্বিপত অসমক প্ৰতিনিধিত্ব কৰি সোণৰ পদক জয় কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে যোৰহাট জিলাৰ টীয়কৰ প্ৰিয়ংকা গগৈয়ে। ১৬ বছৰ অনুৰ্ধৰ ব্যক্তিগত শাখাত চমকপদ প্ৰদৰ্শনেৰে সোণ জয় কৰা প্ৰিয়ংকা গগৈয়ে শিৱসাগৰ জিলাৰ ভিতৰুৱা অঞ্চল খনামুখত অৱস্থিত কিডচ কাৰাটে জ'ন নামৰ সমৰকলা প্ৰশিক্ষণ কেন্দ্ৰত কাৰাটেৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি থকাৰ লগতে যোৰহাট জিলাৰ বনাই উচ্চ - মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীত অধ্যয়ন কৰি আছে। টীয়কৰ উত্তৰ-পূব প্ৰান্তৰ চিন্তামণিগড় গাঁৱৰ পাপা গগৈ আৰু অনিমা গগৈৰ কন্যা প্ৰিয়ংকাই আৰ্থিক অনাটনৰ মাজতো কঠোৰ পৰিশ্ৰমেৰে সমৰকলাৰ সাধনা কৰি ইয়াৰ আগতেও জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বহু পদক আজুৰি আনিবলৈ সক্ষম হৈছে।





# তামুলপুৰত 'অঞ্চাই বিথাংখি' আঁচনিৰ অধীনত বিটিআৰ চৰকাৰৰ চেক বিতৰণ

## উপস্থিত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৭ জুন ঃ** তামুলপুৰত আজি বিটিআৰ চৰকাৰৰ "অঞ্চাই বিথাংখি" আঁচনিৰ অধীনত গয়বাৰী পৰিষদীয় সমষ্টিৰ ২০০টা দৰিদ্ৰ পৰিয়ালৰ লোকক ৫০০০ টকাকৈ চেক বিতৰণ কৰা হয় । গয়বাৰী ব্লক ইউপিপিএলৰ সভাপতি নৰহৰি মহন্তৰ সভাপতিত্বত অনুষ্ঠিত চেক বিতৰণ অনুষ্ঠান ত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিটিআৰ প্ৰধান প্ৰমোদ বড়োই কয় আমাৰ চৰকাৰে বিটিআৰৰ ৪০টা সমষ্টিৰ প্ৰতিটো সমষ্টিৰ পৰা ২০০ টা পৰিয়ালক ৫০০০ হাজাৰ টকাকৈ অনুদান দিয়াৰ সিদ্ধান্ত লৈছোঁ যাতে দৰিদ্ৰ পৰিয়াল নিজকে অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হ'ব পাৰে। পূৰ্বৰ চৰকাৰে সূতা কম্বলৰ ৰাজনীতি কৰিছিল বুলি অভিযোগ কৰি ইয়াৰ পৰিৱৰ্তে বিটিআৰ চৰকাৰে প্ৰত্যক্ষভাৱে প্ৰতিটো দৰিদ্ৰ পৰিয়ালক ৫০০০ টকাকৈ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। এইদৰে বিটিআৰ চৰকাৰে বছৰি ২৭,০০০পৰিয়ালক আৰু তিনি বছৰত ১ লাখ পৰিয়ালক আৰ্থিক ভাৱে স্বাৱলম্বী কৰাৰ প্ৰচেষ্টা হাতত লৈছোঁ। শিক্ষা আৰু স্বাস্থ্যৰ বাবেও প্ৰতিটো দৰিদ্ৰ পৰিয়ালে ৫০০০ টকাকৈ লাভ কৰিব বুলিও তেওঁ সদৰী কৰে। ইফালে সভাৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত তেওঁ কয় যে বিটিআৰ অঞ্চলৰ বানপানীত গৃহহাৰা হোৱা পৰিয়াল সমূহলৈও পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব বিটিআৰ চৰকাৰে। আজি চেক বিতৰণ অনুষ্ঠানত শতাধিক হিতাধিকাৰীৰ উপৰিও উপস্থিত থাকে কেন্দ্ৰীয় ইউপিপিএলৰ সাংগঠনিক সম্পাদক মুজিব আলী আহমেদ, তামুলপুৰ জিলা ইউপিপিএলৰ উপ সভাপতি বৰুণ ৰামচিয়াৰী, গয়বাৰী ব্লক ইউপিপিএলৰ সম্পাদক মহেন্দ্ৰ ৰাভা, তামুলপুৰ জিলা ইউপিপিএলৰ মহিলা কোষৰ সভানেত্ৰী কুঞ্জ বসুমতাৰী ,যুৱ ইউপিপিএলৰ সভাপতি ৰোমিত নাৰ্জাৰী, টিচিএলচিচিৰ অধ্যক্ষ পৱিত্ৰ কুমাৰ নাৰ্জাৰী,তামুলপুৰৰ প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰীকে ধৰি বহুসংখ্যক ইউপিপিএলৰ নেতা কৰ্মী।



*উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা চতুৰ্থ স্থানপ্ৰাপ্ত এলড্ৰিন নাথ*

# নীলবাগান এছকাৰ্ড বেংকত আৰক্ষীৰ তলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২৭ জুন ঃ** হোজাইৰ নীলবাগানত অৱস্থিত অসম ৰাজ্যিক সমবায় কৃষি আৰু গ্ৰাম্য বিকাশ বেংক লিমিটেড চমুকৈ এছকাৰ্ড বেংকৰ হোজাই শাখা কাৰ্যালয়ত আজি তলা ওলমাই ছীল কৰে হোজাইৰ আৰক্ষীয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে আজি বেংক প্ৰতিষ্ঠানটোৰ সকলো নথি-পত্ৰ জব্দ কৰি বেংকৰ কাৰ্যালয়টো ছীল কৰে। উল্লেখ্য যে, এছকাৰ্ড বেংকৰ এই কাৰ্যালয়টো বিগত ১৫-২০ বছৰৰ পৰা চলি আছিল। কিন্তু বেংকৰ কৰ্মচাৰীসকলে ১৫-২০ বছৰৰ পৰা দৰমহাৰ নোপোৱাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। উচ্চ ন্যায়ালয়ৰ wpc no 404/20 নং নিৰ্দেশ মতে আজি নীলবাগানস্থিত এচকাৰ্ড বেংকৰ সমস্ত নথি পত্ৰ আৰক্ষীয়ে জব্দ কৰে । বিগত ১৯৯৫ চনৰে পৰা কৰ্মচাৰীসকলে মাহেকীয়া দৰমহা নোপোৱাত বিগত ২০২০ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ত কৰ্মচাৰীসকলে এখন লেখ আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত আজি বেংকৰ নথি পত্ৰ সমূহ জব্দ কৰা হয় । গুৱাহাটী উচ্চ ন্যায়ালয়ে সকলো এচকাৰ্ড বেংক ছীল কৰিবলৈ নিৰ্দেশ দিছিল ।

# প্ৰশাসনিক বিষয়া হৈ আকাশ চুবৰ মন কলাত অষ্টম স্থানপ্ৰাপক নিখিলৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ২৭ জুন ঃ** অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাৰ পৰীক্ষাত বাইহাটা চাৰিআলিৰ ৰামানুজন একাডেমীত বিনামূলীয়াকৈ পঢ়া ছাত্ৰ নিখিল দাসে আটাইকেইটা বিষয়ত লেটাৰনম্বৰ সৰ্বমুঠ ৪৭৫ নম্বৰ লাভ কৰি অষ্টম স্থান লাভ কৰাত সমগ্ৰ অঞ্চলটোত আনন্দোল্লাস-উৎসাহৰ জোৱাৰ উঠে । শিক্ষাবিভাগৰ নীতি-নিয়মৰ বাবে ৰামানুজন একাদেমীৰ ছাত্ৰ হৈয়ো কামৰূপ জিলাৰ বাইহাটা চাৰিআলি নিকট কৰৰা গাৰ্লছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ নিখিলে আজি ঘোষিত ফলাফল অনুসৰি ইংৰাজী বিষয়ত ৯৪ নম্বৰ,অসমীয়া বিষয়ত ৯৯ নম্বৰ, শিক্ষা বিষয়ত ৯৬ নম্বৰ,ভূগোল বিজ্ঞান ৯৪ নম্বৰ আৰু অৰ্থনীতি বিষয়ত ৯২ নম্বৰ লাভ কৰি এই সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। পূব কামৰূপ মহাবিদ্যালয় পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ হৈ এই সফলতা অৰ্জন কৰি সন্তুষ্টি ব্যক্ত কৰা নিখিল হৈছে এই মহাবিদ্যালয়খনতে কেণ্টিন চলাই জীৱন নিৰ্বাহ কৰা জিলাখনৰ কমলপুৰ সমষ্টিৰ বানত জৰ্জৰিত আলেকজাৰীৰ কমলা দাস আৰু গৃহিনী ধনেশ্বৰী দাসৰ পুত্ৰ—হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮৮ শতাংশ নম্বৰ লাভ কৰা নিখিলে আজি সাংবাদিকৰ সন্মুখত এই সফলতাৰ বাবে ভগৱান,মা-দেউতা,শিক্ষক-শিক্ষয়িত্ৰী,শুভকাংক্ষীৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশৰ লগতে একাডেমীখনৰ শিক্ষা পদ্ধতিৰো উষ্ম প্ৰশংসা কৰি কয় যে উদ্যম-হেপাহ-একাগ্ৰতা প্ৰৱল সাধনাৰে আদিৰে আগবাঢ়িলে বিভিন্ন দিশত পূৰ্ণতা পাব পাৰি । গান শুনা, কিতাপ পঢ়াৰ প্ৰতি বিশেষ দুৰ্বলতা থকা আৰু আকাশ চুবলৈ মন থকাৰ ভাৱ-ভংগীও প্ৰকাশ কৰা নিখিলে সমাজৰ সেৱা ভৱিষ্যতে এগৰাকী প্ৰশাসনিক সেৱাৰ বিষয়া হোৱাৰ মন মেলিছে ।এই উদ্দেশ্যে নিখিলে কটন বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিব বুলি জনোৱাৰ বিপৰীতে অনুজ সকলক বিভিন্ন সামাজিক মাধ্যমৰ পৰা ভালখিনিহে আহৰণ আৰু একাগ্ৰতা, কঠোৰশ্ৰমৰে অধ্যয়ন কৰিবলৈ উপদেশ দিয়ে।

# ধুবুৰীত মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশক কেৰেপ নকৰে লাট মণ্ডলে

## অৰ্থৰ বিনিময়ত ইজনৰ মাটি সিজনক গোপনে কৰি দিয়ে নামজাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৭ জুন ঃ** ধুবুৰীৰ চক্ৰ বিষয়া কাৰ্যালয়ত কি নচলে ।দালাল ৰাজৰ বিৰুদ্ধে কঠোৰ ৰাজ্য প্ৰশাসনৰ চকুৰ সন্মুখতেই চলিছে একাংশ লাঠ মাণ্ডলৰ দালালৰাজ। টকাৰ বিনিময়ত সকলো অনৈতিক কাৰ্য্য কলাপ ধুবুৰীৰ চক্ৰ বিষয়া কাৰ্যলয়ত। এইবাৰ লাঠ মাণ্ডলৰ চক্ৰান্তৰ বলি হল বিখ্যাত প্ৰমথেশ বৰুৱাৰ দুই নাতিনি ।দুই নাতিনিৰ অজ্ঞাতে লাঠ মণ্ডল ভুৱা প্ৰতিবেদন দাখিল কৰি চাৰি বিঘা মাটি বিক্ৰীৰ গুৰুতৰ অভিযোগ ।মৃত ব্যক্তিৰ চহীৰে ও বনালে ভুৱা NOC, :: এই সম্পৰ্কে ভুক্তভোগী মৌচুমী বৰুৱা আৰু অৰ্পিতা বৰুৱা, গৌৰীপুৰ ৰাজ পৰিয়ালৰ আৰূপ কুমাৰ বৰুৱাৰ জীয়ৰী আৰু বিখ্যাত প্ৰমথেশ বৰুৱাৰ নাতিনি এই দুয়ো। আজি ধুবুৰী ত এক সংবাদ মেলত জনায়' ধুবুৰী চক্ৰ বিষয়া কাৰ্য্যালয়ৰ গৌৰীপুৰ চক্ৰৰ লাঠ মাণ্ডল ৰঞ্জিত ৰায়। জাল চহী কৰি বেলেগৰ নামত বৃহৎ অৰ্থ ৰ বিনিময়ত তেওলোকৰ জমি বিক্ৰ কৰি দিয়ে। দৰাচলতে গৌৰীপুৰ ৰাজ পৰিয়ালৰ দুমৰডহ অঞ্চলত ২৪ বিঘা মাটি তিনি জন কৈ পাত্তা দাৰৰ নামত ৰেকৰ্ড ভুক্ত আছে ।যত মৌচুমী বৰুৱা অৰ্পিতা বৰুৱা দাস ৰ নামো আছে ।পিছে এই দুই গৰাকী পাটটাৰ কোনো প্ৰকাৰৰ এন ও চি নোহোৱা কেই প্ৰায় চাৰি বিঘা মাটি বিক্ৰীৰ বাবে ভুৱা প্ৰতিবেদন দাখিল কৰাৰ লগতে এই দুই গৰাকী পট্টাদাৰক অন্ধকাৰত ৰাখি মাটি খিনি বেলেগ বেলেগ ব্যক্তিক বিক্ৰী কৰাত সম্পূৰ্ণৰূপে পৰিকল্পিত ভাবে সহযোগ কৰে লাঠ মাণ্ডল গৰাকী ।ইপিনে এই ঘটনা পোহৰ লৈ অহাৰ পাছতেই এতিয়া জাঙুৰ খাই উঠিছে এই দুই ভগ্নী। সংবাদ মেলত ভুক্তভোগী জনায়, এই ঘটনাৰ বিষয়ে ইতিমধ্যে জিলা উপায়ুক্তক অভিযোগ দাখিল কৰিছে ভগ্নী দুয়ো ।পিছে আজিলৈকে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই লাঠ মাণ্ডল গৰাকীৰ বিৰুদ্ধে ।পিছে ৰাজ পৰিয়ালৰ সদস্য হৈও আজি যদি এইদৰে ভুক্তভোগী হৈছে এওঁলোক তেন্তে আপুনি অনুমান কৰিব পাৰে সাধাৰণ ৰাইজৰ কি অৱস্থা হব পাৰে ধুবুৰী চক্ৰ বিষয়া কাৰ্য্যালয়ৰ ।এই খন কাৰ্য্যালয় এতিয়া দুৰ্নীতি ভ্ৰষ্টাচাৰৰ কেন্দ্ৰ বিন্দুত পৰিণত হৈছে যদিও ৰাজ্য প্ৰশাসনে কোনো পদক্ষেপ নোলোৱাত এতিয়া প্ৰতিদিনে জ্বলা কলা খাব লগা হৈছে সৰ্ব সাধাৰণ ৰাইজৰ। ইতিমধ্যে দোষী লাট ম'ল ৰঞ্জিত ৰায় ৰ বিৰুদ্ধে গৌৰীপুৰ থানাত এজাহাৰ দাখিল কৰা হৈছেবুলি সংবাদ মেলত জনায়।

# নগাঁও চহৰত জ্বলিল বাহন ঃ আহত ৩


**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ২৭ জুন ঃ** যোৱা নিশা নগাঁও চহৰৰ ডিমৰুগুৰিৰ ৰাজপথত হঠাৎ জ্বলি উঠে এখন বাহন । বাহনখন জ্বলি উঠাত হাহাকাৰ সদৃশ পৰিবেশৰ সৃষ্টি হয় । এই খবৰ লাভ কৰি কিছু সময়ৰ পিছতে আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ লোক ঘটনাস্থলীত উপস্থিত হয় আৰু বাহনখনৰ জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয় । উল্লেখ যে তিনি বছৰ পূৰ্বে ক্ৰয় কৰা গাড়ীখন প্ৰায় সম্পূৰ্ণ ৰূপে জ্বলি যায় ।এই ঘটনাত তিনিজন লোক আহত হয় ।জানিব পৰা মতে এ এছ ০২ এ' ৭৮৩৮ নম্বৰৰ টাটা নেন' বাহন খনত পাঁচজন লোকে হয়বৰগাঁৱৰ পৰা পুৰণিগুদামলৈ বুলি গৈ থকা অৱস্হাত চালকে নিয়ন্ত্ৰন হেৰুৱাই পথৰ কাষৰ পকা বেৰাত খুন্দা মাৰে ।ডিমৰুগুৰি স্কুলৰ চৌহদৰ পকা বেৰাত প্ৰচণ্ড জোৰত খুন্দা মৰাত তিনিজন গুৰুতৰ ভাবে আহত হয় ।মাজনিশা সংঘটিত দুৰ্ঘটনাটোৰ পিছত পাঁচোজন আৰোহী গাড়ীৰ পৰা ওলাই অহাৰ পিছতে গাড়ীখন বিস্ফোৰিত হৈ জ্বলি উঠে । আহত পুৰণিগুদামৰ নিলোৎপল কাকতি, ৰবিউল জামান , সুশ্মিতা বৰাক এৰি আন দুজন যাত্ৰী পলায়ন কৰে ।পিছত আৰক্ষীয়ে আহত তিনিওকে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে ।

# নগাঁও আৰক্ষীৰ বৃহৎ সফলতা

## ১৪ লাখৰো অধিক টেবলেট জব্দ, দুজন গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ জুন ঃ** ড্ৰাগছ তথা নিচাযুক্ত ঔষধৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে ।বিগত কিছুদিন ধৰি নগাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ব্যাপক সফলতা লাভ কৰিছে ।নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেৰ নেতৃত্বত অব্যাহত আছে এই আভিযান। আজি পুৱতি নিশা নগাঁও আৰক্ষীয়ে জিলাখনৰ দুঠাইত অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাযুক্ত ঔষধ জব্দ কৰিবলৈ সক্ষম হয়। নগাঁও সদৰ,ধিং আৰক্ষী থানা আৰু হয়বৰ গাওঁ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলিছিল এই অভিযান ।জিলা খনৰ ।ধিং আৰক্ষী থানাৰ অন্তৰ্গত ধোপগুৰিৰ বাহাৰুল ইছলামৰ (৩৮) ঘৰত আজি পুৱতি নিশা প্ৰায় দুই বজাত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমানৰ নিচাযুক্ত ঔষধ জব্দ কৰে ।আৰক্ষীয়ে বাহাৰুলৰ ঘৰৰপৰা ১৩৬০টা কফ চিৰাপৰ বটল,৫৩২৮টা টেবলেট আৰু এখন দুচকীয়া বাহন জব্দ কৰে। আৰক্ষীয়ে বাহাৰুলক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে ।আনহাতে নগাঁও আৰক্ষীয়ে আজি পুৱা চাৰি বজাত নগাঁও চহৰৰ সমীপৰ ডিফলুত এক গোপন সুত্ৰৰ পম খেদি অভিযান চলাই আন এক সফলতা লাভ কৰে। ডিফলুৰ অম্লান জ্যোতি কলিতাৰ(২৬)ঘৰত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই। আৰক্ষীয়ে অম্লানৰ ঘৰত বিপুল পৰিমানৰ নিচাযুক্ত ঔষধ জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে অম্লানৰ ঘৰৰপৰা ১৪,৮৪০টা টেবলেট আৰু১৫,৪৭,৩২০টা টেবলেট জব্দ কৰে। আৰক্ষীয়ে অম্লানক গ্ৰেপ্তাৰ কৰাৰ লগতে এখন চাৰিচকীয়া বাহন জব্দ কৰে। আৰক্ষীয়ে অম্লানক অধিক তথ্য আহৰণৰ বাবে জেৰা অব্যাহত ৰাখিছে ।অম্লানৰ ঘৰত বৃহৎ পৰিষৰৰ নিচাযুক্ত ঔষধ উদ্ধাৰ হোৱা কাৰ্য্যই সকলোৰে চকু।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি